# Assam
# Legislative Assembly
# Debates

## OFFICIAL REPORT

SEVENTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER TH FIFTH GENERAL ELECTIONS
UNDER THE SOVEREIGN DEMOCRATIC
REPUBLICAN CONSTITUTION OF
INDIA

## BUDGET SESSION

### VOL. XVII
### No. 12

The 6th April 1977

1985
PRINTED AT THE APICO PRINTERS
JORHAT

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1977

( **Budget Session** )

Volume XVII

No. 12

Dated the 6 th April, 1977

Contents.


| | | Page |
|---|---|---|
| 1. | Questions | 1—36 |
| 2. | Complaint of Breach of Privilege | 37—58 |
| 3. | Miscellaneous Matter | 58—59 |
| 4. | Presentation of Reports of Legislature Committee | 59—60 |
| 5. | The Assam State Transport Corporation ( Prevertion of Unauthorised Travel ) Bill, 1977 | 60—113 |
| 6. | The Assam Cattle Preservation (Amendment) Bill 1977 | 113—116 |
| 7. | The Assam Recovery of Loans (Amendment) Bill, 1977 | 116—117 |
| 8. | Adjournment | 118 |



REFERENCE

## Proceedings of the Seventeenth Session of the Assam Legislative Assembly assembled after the Fifth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Wednesday, the 6th April 1977 with the Hon. Speaker in the Chair, 14 ( fourteen ) Ministers, 4 ( four ) Ministers of State, 1 ( one ) Deputy Minister and 77 ( seventy seven ) Members present.

### STARRED

### QUESTIONS AND ANSWERS

Date : 6th April, 1977

**Re : Chief Executive Councillor, Barpeta**

Shri JALALUDDIN AHMED asked :

* 166. Will the Minister, Panchayat be pleased to state—

(a) Whether it is a fact that of late allegation has been made against Chief Executive Councillor, Barpeta through a petition submitted by the public ?

Shri SYED AHMED ALI ( Minister, Panchayat ) replied :

166. (a)—Yes.

(b) If so, what are the allegations against him contained in the said petition ?

(b)—Allegations are about irregularities in accepting tenders and purchase of materials and payment for construction of roads etc.

(c) Whether it is also a fact that show cause notice has been served on the said C. E. C. ?

(c)—Yes.

(d) If so, what is the result thereof ?

(d) – As no loss of money was involved charges have been dropped and he has been directed to observe the financial procedure strictly.

Shri JALALUDDIN AHMED : May I know from the hon'ble Minister as to how many new allegations since the date of asking this question, have been lodged by the public so far against the C.E.C. Barpeta ?

Shri SYED AHMED ALI (Minister) : So far I remember two or three allegations have been submitted by the public.

Shri JALALUDDIN AHMED : What action have been taken so far by the Government on those allegations ?

Shri SYED AHMED ALI (Minister) : An officer from the headquarters was sent to enquire into all those allegations. And, he has duly enquired

into those taking evidence of certain witnesses and submitted a detailed and comprehensive report. From the report it is found that there is irregularity and ignorance in following financial procedure and rules. But, as a matter of fact, there is no financial loss.

Shri MANABENDRA NATH SHARMA : May I know what are the allegations made in those subsequent petitions ?

Shri SYED AHMED ALI (Minister) : Sir, allegations are many. It will take more than an hour if I am to read it out.

Shri MANABENDRA NATH SHARMA : Whether those allegations have also been enquired into ?

Shri SYED AHMED ALI (Minister) : Yes.

Shri BALABHADRA DAS : Sir, ignorance of law is not an excuse in the eye of law and the Govt. has excused the C.E.C. for ignorance. Is it not a great lapse on the part of the Govt. ?

Shri SYED AHMED ALI (Minister) : Sir, that is why he has been warned. And, as there is no financial loss no drastic action has been taken.

শ্রীমৌলানা আব্দুল জলিল চৌধুরী : অধ্যক্ষ মহোদয়, এই যে দুইটি দরখাস্তের কথা মন্ত্রী মহোদয় বলেছেন, এগুলি ওয়ার্নিং এর আগে এসেছিল না পরে ?

শ্রীসৈয়দ আহমেদ আলী (মন্ত্রী) : ওয়ার্নিং এর আগে আবেদন এসেছিল এবং

তদন্ত করে আমরা এই সিদ্ধান্তে এসেছি যে যেহেতু টাকা পয়সা তছরূপ সংক্রান্ত কোন অভিযোগ নাই।

শ্রীমৌলানা আব্দুল জলিল চৌধুরী : মাননীয় সদস্য মহোদয় বলেছিলেন কতকগুলি পিটিশন এয়েছিল। উত্তরে মন্ত্রী মহাশয় বলেছিলেন ২টা পিটিশন এসেছিল। এখন তিনি বলছেন যে অভিযুক্ত ব্যক্তির দোষ সামান্য থাকায় কেবল মাত্র ওয়ানিং দেয়া হয়েছে, আমার প্রশ্ন হলো এই ওয়ানিং পিটিশনের আগে দেয়া হয়েছে না পরে ?

শ্রীসৈয়দ আহমদ আলী (মন্ত্রী) : মাননীয় সদস্য মহোদয় বলেছিলেন কতকগুলি দরখাস্ত দিয়ে অভিযুক্ত ব্যক্তির বিরুদ্ধে নালিশ পাঠানো হয়েছে। আমি বলেছি দুটো। এই দুটা দরখাস্তের মধ্যে বহু নালিশ ছিল তারমধ্যে বেশীর ভাগ নিয়ম মাফিক কার্ট সম্পাদনে উর্দ্ধতন ব্যক্তির নির্দ্দেশ পালন না করার অভিযোগ। এই হিসাবে তাকে 'ওয়ার্নিং' দেওয়া হয়েছে। অন্য কোন কঠিন ব্যবস্থা গ্রহন করা হয়নি, কারণ, টাকা পয়সা সংক্রান্ত কোন তছরুপের অভিযোগ ঐ ব্যক্তি বিশেষের বিরুদ্ধে ছিল না।

শ্রীআব্দল হান্নান চৌধুৰী : মন্ত্ৰীমহোদয়ে কৈছে যে তেখেতৰ এলিগেশ্যন সত্য। তথাপিও তেখেতক অব্যাহতি দিয়া হোৱা নাই। বাকী অন্য বিলাক মহকুমাৰ পৰা এলিগেশ্যন অহা কিছুমান ক্ষেত্ৰত চাচপেন্স কৰা হৈছে কিন্তু এখেতক কিয় চাচপেন্স কৰা হোৱা নাই ? মোৰ ২ নং প্ৰশ্ন হৈছে বহুতো সদস্যাই অনাস্থা প্ৰস্তাৱ অনাৰ পিচতে তেখেতক কিয় অব্যাহতি দিয়া হোৱা নাই ?

শ্ৰীছৈয়দ আহমদ আলী ( মন্ত্ৰী ) : চাচপেন্স কৰা বা ৱাৰ্নিং দিয়া এইবিলাক অভিযোগৰ গুৰুত্বৰ ওপৰত নিৰ্ভৰ কৰে। কিছুমান ক্ষেত্ৰত অতি দোষণীয় অভিযোগ থাকিলে সেই ক্ষেত্ৰত তদন্ত কৰিবলৈ গলে তাৰ কিবা নথি-পত্ৰ পোৱাত অসুবিধা হব পাৰে, তেনেকুৱা ক্ষেত্ৰতহে

চাচ্‌পেন্স কৰা হয়। যিবিলাক বেছি দোষণীয় নহয় সেইবিলাকক চাচ্‌পেন্স নকৰাকৈও তদন্ত কৰিব পাৰি।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী ঃ মন্ত্ৰী মহোদয়ে এই কথা স্বীকাৰ কৰিছে যে বহুতো ইৰেগুলাৰিটি কৰা হৈছে। কিন্তু তাৰ তদন্তত যাতে বিষয়া সকলৰ পৰা সহযোগ পোৱা হয় তাৰ কাৰণে ব্যৱস্থা ক্ৰিব নে ?

শ্ৰীছৈয়দ আহমদ আলী ( মন্ত্ৰী ) ঃ এইবিলাক আছে। তথাপি হলেও উপায় নাই।

শ্ৰীগুনেন্দ্ৰ নাথ পণ্ডিত ঃ মাননীয় সদস্য শ্ৰীহান্নান চৌধুৰীৰ প্ৰশ্নৰ মন্ত্ৰী মহোদয়ে ভালকৈ উত্তৰ দিয়া নাই। যি অনাস্থা প্ৰস্তাৱ ইতিমধ্যে পাচ কৰা হৈছে সেইটো এতিয়ালৈকে কিয় কাৰ্য্যকৰী কৰা হোৱা নাই ?

শ্ৰীছৈয়দ আহমদ আলী ( মন্ত্ৰী ) ঃ এইটো শুনিছো। অনাস্থা প্ৰস্তাৱ সদস্য সকলৰ ওপৰত নিৰ্ভৰ কৰে, অনাস্থা দিয়ে নে নিদিয়ে। যদি সৰহ ভাগ সদস্যাই অনাস্থা প্ৰস্তাৱ আনে সেইটো কাৰ্য্যকৰী কৰা হয়। আৰু নিয়ম মতে নানিলে কাৰ্য্যকৰী কৰা নহয়।

শ্ৰী গুনেন্দ্ৰ নাথ পণ্ডিত ঃ চৰকাৰে অনাস্থা প্ৰস্তাৱ পাইছে নেকি ?

শ্ৰীছৈয়দ আহমদ আলী ( মন্ত্ৰী ) ঃ অনাস্থা প্ৰস্তাৱ মিটিঙত দিব লাগে। কেতিয়াবা তাৰ নকল পঠিয়াই দিয়ে। তাৰ ওপৰত একশ্যন নহয়।

শ্ৰীআটাউৰ ৰহমান : যিবিলাক এলিগেশ্যনৰ কথা কৈছে, সেই এলিগেশ্যেন বিলাক মহকুমা পৰিষদৰ চীফ্ একজিকিউটিভ কাউন্সিলাৰ ৰি-কনষ্টিটিউট কৰাৰ পিচত আহিছিল নেকি ?

শ্ৰীছৈয়দ আহমদ আলী ( মন্ত্ৰী ) এইটো চাব লাগিব মোৰ মনত নাই।

**Starred question No. 167 was not put, Member being absent**

## Re : National Permit Scheme

Shri DEBENDRA NATH BORA asked :

* 168. Will the Minister, Transport be pleased to state—

After introduction of National permit scheme in the State; whether bottlenecks have been removed for prompt delivery of the essential commodities ?

Shri INDRESWAR KHOUND ( Minister, Transport ) replied :

168.—Yes, the introduction of National permit scheme has, to some extent, helped in removing transport bottlenecks in the region.

Shri DEBENDRA NATH BORA : May I know from the Minister what is the aim and object of this scheme ?

Shri INDRESWAR KHOUND ( Minister ) : The scheme has been introduced in order to have a free and smooth movement of vehicular traffic.

Shri SANTI RANJAN DASGUPTA : Sir, how many unemployed educated youths have been issued National Permit ?

Shri INDRESWAR KHOUND ( Minister ) : Sir, there is no such condition that permit should be issued to unemployed youths. So, it is difficult to say.

ডাঃ ৰবীন গোস্বামী ঃ অসমৰ কাৰণে নেচনেল পাৰ্মিট কিমান Quota ধাৰ্য্য কৰা হৈছে ?

Shri INDRESWAR KHOUND ( Minister ) : Sir, the quota is 215 and all these have been issued.

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ ২১৫ খন যে নেশনেল পাৰ্মিট দিয়া বুলি কৈছে ভিতৰত অসমৰ পৰা কিমান আছে আৰু অসমৰ বাহিৰৰ মানুহৰ কিমান আছে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) ঃ লিষ্টত দেখা গৈছে যে সকলোৰে লোকেল এড্ৰেছ দিছে ।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ এই কথা সচা নে যে তাত অসমৰ স্থানীয় লোক নাই সকলো বিলাক বাহিৰৰ মানুহ মাত্ৰ গাড়ীত এ.এচ কে ইত্যাদি লগাই লৈছে । এই বিষয়ে কিবা তদন্ত হৈছেনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) ঃ স্থানীয় ঠিকনাৰ লোককহে পাৰ্মিট দিয়া হৈছে ।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ এই কথা সচা হয় নে নহয় যে শতকৰা ৯৯ ভাগেই বাহিৰৰ গাড়ী ইউপি, বিহাৰ আনকি দিল্লীৰও আছে । এই বিষয়ে চৰকাৰে কি তদন্ত কৰিছে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) ঃ ইয়াত দেখা গৈছে যে প্ৰায়বিলাকেই স্থানীয় ঠিকনাৰ লোক ।

Shri AJODHAYA RAM DAS : Sir, may I know from the Hon'ble Minister the district wise list - who received the permits ?

Shri INDRESWAR KHOUND ( Minister ) : Sir, it will be difficult for me to give.

Shri DEBENDRA NATH BORA : Sir, whether the Government of India has given any instructions to this State to issue permits in conformity with the ordinance issued by the President of India ?

Shri INDRESWAR KHOUND, ( Minister ): No such instructions were issued. Only the national permit scheme has been introduced to enable the smooth growth of traffic.

Shri DEBENDRA NATH BORA : There is an ordinance promulgated by the President of India in this connection. Whether the State Government has received this or not ?

Shri INDRESWAR KHOUND ( Minister ) : yes.

শ্ৰীজালালুদ্দিন আহমেদ : মাননীয় সদস্য শ্ৰীঅযোধ্যা ৰাম দাস ডাঙৰীয়াই সুধিছিল যে যিবিলাক নেচনেল পাৰ্মিট হোল্ডাৰ তেওঁলোকৰ লিষ্ট সদনত দাখিল কৰিব নে ?- মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে 'দিফিকাল্টি' আছে। কি দিফিকাল্টি আছে জনাব নে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী ) : লিষ্টখন মোৰ ওচৰত আছে, দিব পাৰিম।

Shri SANTI RANJAN DASGUPTA : Sir, is it a fact that the banks agreed for cent percent finance in case of permits issued to the unemployed youths ?

Shri INDRESWAR KHOUND ( Minister ) : I do not know whether banks agreed or not.

Shri ABDUL MUQTADIR CHOUDHURY : Sir, whether all the districts have been covered in issuing national permits ?

Shri INDRESWAR KHOUND ( Minister ) : Sir, I shall have to go through the list.

ডাঃ ৰবীন গোস্বামী : যিসকলৰ নেচনেল পাৰ্মিট পাইছে তেওঁলোকক কোনে বাচনি কৰিছিল আৰু কি ভিত্তিত বাচনি কৰা হৈছিল ?

Shri INDRESWAR KHOUND (Minister) : Sir, the State Transport Authority is the authority of the State Transport.

ডাঃ ৰবীন গোস্বামী : যিসকলক দিয়া হ'ল তেওঁলোকক কি ভিত্তিত বাচনি কৰিলে ? আহি কি হব অৰ্হতা কি বাচি লৈছিল ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) ঃ দৰ্খাস্তকাৰীৰ গাড়ী থাকিব লাগে। নতুবা এলট্‌মেণ্ট পালে ৪৫ দিনৰ ভিতৰত গাড়ী প্লেচ কৰিব লাগিব। সমবায় সমিতি বিলাকক অগ্ৰাধিকাৰ দিয়া হয়। Ex-Serviceman বিলাকক অগ্ৰাধিকাৰ দিব লাগে।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ নেচনেল পাৰ্মিট পোৱা এজন লোকে একে নম্বৰতে একাধিক গাড়ী চলোৱাৰ অভিযোগ চৰকাৰে পাইছে নেকি আৰু যদি পাইছে কি ব্যৱস্থা লৈছে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) ঃ তেনেকুৱা অভিযোগ পোৱা নাই।

শ্ৰীগুনেন্দ্ৰ নাথ পণ্ডিত ঃ এই যে ২১৫ খন দিয়া হৈছে বুলি কৈছে তাৰ ভিতৰত সমবায় সমিতিক কেইখন দিয়া হৈছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) ঃ সমবায়ৰ দৰ্খাস্ত পোৱা নাই।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুরী ঃ অধ্যক্ষ মহোদয়, তাহলে বুঝা যায় যে সমবায়কে উপেক্ষা করে এক্ষেত্রে স্বজন প্রীতির উপর ভিত্তি করে এই পারমিট বিতরন করা হয়েছে। মন্ত্রী মহোদয় একথা স্বীকার করেন কি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) ঃ স্বজন প্ৰীতিৰ ভিত্তীত পাৰমিট দিয়া কথা সঁচা নহয়।

Shri ABDUL MUQTADIR CHOUDHURY : Sir, Who are the members of the committee? Is it a one-member committee ?

Shri INDRESWAR KHOUND (Minister) : The Chairman is Mr. Bhatnagar, Deputy Commissioner is the Secretary, Transport Commissioner is the Member, Deputy Secretary, Transport, Member. From the non-Official side, Shri Promode Chandra Das, Dibrugarh, and from Gauhati-Mr. Navis.

## বিঃ বালিজান চিকিৎসালয়

শ্ৰীৰাম চন্দ্ৰ শৰ্ম্মাই সুধিছে ঃ

*১৬৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে--

(ক) তেজপুৰ মহকুমাৰ বালিজান অঞ্চলত লোকেল বোৰ্ডৰ দ্বাৰা চিকিৎসালয়ৰ বাবে ঘৰ-দুৱাৰ সজাটো সঁচানে ?

(খ) যদি সঁচা হয়, কোন চনত চিকিৎসালয়ৰ এই ঘৰ-দুৱাৰবোৰ সজা হৈছিল আৰু মুঠ কিমান টকা খৰচ হৈছিল ?

(গ) বৰ্ত্তমান উক্ত ঘৰ-দুৱাৰবোৰৰ অৱস্থা কেনে আছে ?

(ঘ) তাত ঔষধ-পাতি আৰু ডাক্তৰ নাৰ্চৰ ব্যৱস্থা আছেনে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১৬৯। (ক) হয় সঁচা। কিন্তু এই ঘৰ-দুৱাৰ স্বাস্থ্য বিভাগক হস্তান্তৰ কৰা নাই।

(খ)—লোকেল বোৰ্ডৰ দ্বাৰা ঘৰ-দুৱাৰ সজা হৈছিল সেই কাৰণে খৰচৰ টকা জনা নাযায়।

(গ) আৰু (ঘ)— ওপৰত দিয়া (ক প্ৰশ্নৰ উত্তৰত প্ৰশ্ন নুঠে।

শ্ৰীৰাম চন্দ্ৰ শৰ্ম্মা ঃ স্বাস্থ্য বিভাগে কেতিয়াবাই মাটি লৈছে এই কথা সঁচা নে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) ঃ ১৯৭২ চনতে তাত এটা চাব চেণ্টাৰ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল কিন্তু স্বাস্থ্যবিভাগৰ তৰফৰ পৰা গড়কাপ্তানি বিভাগক প্ৰাককলন আদি কৰিবলৈ কোৱা হৈছে কিন্তু স্থানীয় ৰাইজৰ তৰফৰ পৰা বিলতীয়া গোবৰ্দ্ধনাত হব লাগে বুলি আপত্তি অহাত এইটো বন্ধ হৈ আছে।

শ্ৰীৰাম চন্দ্ৰ শৰ্ম্মা ঃ বৰ্ত্তমান যিবিলাক ঘৰদুৱাৰ আছে সেইবিলাক ভাঙি চিঙি যোৱাৰ ফলত চৰকাৰী ধনৰে অপচয় হৈছে গতিকে নতুন কৰাৰ ব্যৱস্থা কৰিব নে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) ঃ মই উত্তৰতে কৈছো যে এইটো লোকেল বোৰ্ডৰ আছিল। কিন্তু ১৯৫৯ চনত এই কেন্দ্ৰটো লোকেলবোৰ্ডে আমাক চমজাই দিয়া নাছিল সেইকাৰনে তাক মেৰামতি আদি কৰিব পৰা নাই।

শ্ৰীনগেন বৰুৱা ঃ লোকেলবোৰ্ডৰ অনুষ্ঠান যেতিয়া মহকুমা পৰিষদলৈ আহিছে আৰু যেনিবা মহকুমা পৰিষদেই চলাই আছে কিন্তু তাত ডাক্তৰ ঔষধ আদিৰ ব্যৱস্থা চৰকাৰে কৰিছে নে পঞ্চায়তে কৰিছে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) : মই আগতে কৈছো যে এই ডাক্তৰখানাখন লোকেল-বোৰ্ডে হেন্ডঅভাৰ নকৰা কাৰণে তাত ষ্টাফ আদি দিয়া হোৱা নাছিল ।

ডাঃ কোমেশ্বৰ বৰা ঃ এই অঞ্চলত চিকিৎসালয়ৰ আবশ্যকতা সম্পৰ্কে চৰকাৰে বিবেচনা কৰিছে নে নাই ? কাৰণ হেলেম আৰু গহপুৰৰ মাজত ১০ মাইল দূৰত্ব আৰু তাৰ মধ্যস্থতে এই চিকিৎসালয় কেন্দ্ৰটো । গতিকে অতি সোনকালে চিকিৎসালয়টো কৰাৰ ব্যৱস্থা কৰিব নে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) ঃ স্বাস্থ্য কেন্দ্ৰটো তাত লাগে বুলি চৰকাৰে উপলব্ধি কৰিছে আৰু সেই কাৰণে ১৯৭২ চনতে তাত এটা চাব চেন্টাৰ কৰাৰ চেষ্টা কৰা হৈছে আৰু স্থানীয় ৰাইজে আপত্তি কৰা কাৰণে কিছু পলম হৈছে ।

ডাঃ কোমেশ্বৰ বৰা ঃ স্থানীয় ৰাইজৰ কথা নহয় চৰকাৰৰ ইচ্ছা নাই । কাৰণ ঘৰদুৱাৰ বিলাক থকা স্বত্বেও এৰা দিবলৈ চেষ্টা কৰা কথাটো উচিত হোৱা নাই । গতিকে বিষয়টোৰ গুৰুত্বলৈ চাই অতি সোনকালে কৰাৰ ব্যৱস্থা কৰিব নে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) : চিন্তা কৰি চাম ।

ডাঃ কোষেশ্বৰ বৰা ঃ ১৯৭২ চনৰ পৰা আজিলৈ চিন্তা কৰা হোৱাই নাই নে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) ঃ ৰাইজৰে চৰকাৰ ৰাইজৰ কথা শুনিবলৈ বাধ্য ।

ডাঃ ৰবীন গোস্বামী ঃ মাননীয় মন্ত্ৰী মহোদয়ে ৰাইজৰ মতামত সাপেক্ষে কৰিব বুলি কৈছে । মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এইটো জানিব পাৰোনে যে, কাৰ মতামতক আটাইতকৈ বেছি গুৰুত্ব দিয়া হব ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস মন্ত্ৰী) ঃ সাধাৰণতে ৰাইজৰ মতামতকে বেছি গুৰুত্ব দিয়া হয় । কিছুমান ক্ষেত্ৰত ৰাইজে সৰ্ব্বসন্মতি ক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰিলে বিভাগীয় কৰ্ম্মচাৰী সকলৰ কথাৰে সিদ্ধান্ত লোৱাৰ ব্যৱস্থা কৰা হয় ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, ৰাইজৰ পৰা আপত্তি অহাৰ কাৰণেই তাত হোৱা নাই । মই জানিব খুজিছোঁ, ৰাইজৰ মতামত কি ধৰণে আহিছে ৰাজহুৱা ভাৱে আহিছেনে ব্যক্তিগত ভাৱে আহিছে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) ঃ বিলতীয়া গোবৰ্দ্ধনাৰ ৰাইজে কৈছে ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ কোন ৰাইজে কৈছে ।

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) স্থানীয় ৰাইজে ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ এইটো কি ধৰণৰে আহিছে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) ঃ ৰাইজেই কৈছে বুলি কৈছোঁয়েই ।

শ্ৰীসোনেশ্বৰ বৰা : বিলতীয়াৰ পৰা কিমান দূৰ ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) কিমান দূৰত কব নোৱাৰিলোঁ ।

শ্ৰীসোনেশ্বৰ বৰা ঃ পামি জনাত যথেষ্ট দুৰত ।

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ বিভাগীয় বিষয়াৰ দ্বাৰা সিদ্ধান্ত লোৱা হৈছে ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ বালিজানৰ লোকে আপত্তি দিছেনেকি ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ হয় ।

শ্ৰীৰাম চন্দ্ৰ শৰ্ম্মা ঃ ৰাইজে যদি নিৰ্দ্দিষ্ট স্থান বাছি দিয়ে তাত আপত্তি নেথাকিলে সোনকালেই ব্যৱস্থা গ্ৰহণ কৰিবনে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) ঃ চাবচেষ্টাৰ আদি কৰা হয় ।

**Starred question No. 170 was not put member being absent.**

**Re : Wheat seeds**

Shri KABIR CHANDRA ROY PRADHANI asked :

*171. Will the Minister, Agriculture be pleased to state—

(a) Whether Government had received any complaint from wheat growers of Dhubri Sub-division about wheat seeds supplied during the year, 1976 ?

Shri Md. UMARUDDIN ( Minister, Agriculture) replied :

171. (a)—Yes.

(b) If so, what are those complaints ?

(b) The complaint was about poor germination of wheat seeds supplied by Seed Corporation.

(c) Whether Government had conducted any enquiry on the complaints received from the growers ?

(c) Yes.

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ মাননীয় মন্ত্ৰী মহোদয়ে মানি লৈছে। কিমান গাওঁ পঞ্চায়তৰ পৰা অভিযোগ আহিছে। এই অভিযোগ বিলাক কেনে কেনে ধৰণৰ, কি কি তদন্ত হৈছে, তদন্তত কি পাইছে আৰু তাৰ বিহিত ব্যৱস্থা কি কি কৰিছে ?

Shri Md. UMARUDDIN, ( Minister ) : Sir, a specific complaint was received from one Goan Panchayat, from the President of Satrasal Goan Panchayat Shri Dwijen Chakrabarty. But this complaint was received late after the re-sowing time was over. On the enquiry it was found that in one hectare of land the germination was up to 60%. That being late we could not do anything to replace the seeds. But it was assured in the month of December that whenever there was complaint of non-germination or inadequate germination of seeds such seeds will be replaced provided the time for re-sowing was there. That instruction was issued on 14th December, 1975. As a result of this instruction the complaint was received and since it was received late we could not do anything to replace the seeds. But this year those people have been given the benefit of free demonstration.

Shri BADAN CHANDRA TALUKDAR : Whether these were certified seeds ?

Shri Md. UMARUDDIN, ( Minister ) : These were certified seeds from the National Seed Corporation of India.

শ্রীজালাল্লুদ্দিন আহমেদ : মাননীয় মন্ত্রী মহোদয়ে স্বীকাৰ কৰিছে যে, শতকৰা ৬০ ভাগ গুটিৰহে জাৰ্মিনেশ্বন কেপাচিটি আছে। চাৰ্টিফাইড চীডৰ শতকৰা ৯০ ভাগ নগজাৰ ফলত ৰাইজৰ লোকচান হৈছে। ৰাইজৰ যিটো লোকচান হৈছে সেইটোৰ ক্ষতিপূৰণ চৰকাৰে দিয়াৰ ব্যৱস্থা কৰিবনে ?

Shri Md. UMARUDDIN, ( Minister ) : Sir, I have said that we replace the seeds provided the people come in time and there is time for re-sowing. Therefore, Sir, this year we have given some farmers the benefit. The total benefit given was Rs. 7129 for an area covering 86 bighas. This is in the form of free demonstration and that is the relief given to the farmers.

শ্রীমৌলানা আব্দুল জলিল চৌধুরী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় কৃষিমন্ত্রী মহোদয় জানেন কি যে কৃষকদের মধ্যে শতকরা ৮০ ভাগ অশিক্ষিত ? সুতরং সরকার তরফ থেকে 'সময় মত' বিতরন করা ঋণ, বীজ ইত্যাদি তারা পায়না, একথা স্বীকার করেন কি ?

Shri Md. UMARUDDIN, (Minister) In these cases we have done it, because the general instruction to all the B. D. O, s who are dealing with the matter was that if there was any complaint from anybody immediately investigation should be

made in the field. If there was a case of poor germination the seeds should be replaced. In the present case the complaint came very late and we could not do anything. That is why we gave some other farm or relief this year

শ্রীকেহোৰাম হাজৰীকা ঃ মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, বীজ খিনি চাৰ্টিফাইড্ চীড্। তাৰ জাৰ্মিনেশ্বন কেপাচিটি শতকৰা ৬০ ভাগহে আছে বাকী শতকৰা ৪০ ভাগেই নিল। যি সকলে এই বীজ খিনি চাৰ্টিফাইড কৰিছিল সেইসকলৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা লৈছে বা লব ?

Shri Md. UMARUDDIN (Minister) Sir, these seeds were obtained from the National seed Corporation. We have referred the matter to the National seed Corporation stating that we want compensation. This matter is under correspondence with the Seed Corporation.

শ্ৰীজগদীশ দাস—মহকুমাৰ ভিত্তিত ১৯৭৬ চনটোৰ ভিতৰত কিমান টকাৰ বীজ দিয়া হল সেইটো জনাবনে ?

Shri Md. UMARUDDIN, ( Minister) This is a general question Sir.

Shri GIASUDDIN AHMED— Whether these seeds were obtained from the National Seed Corporation through the Assam Seed Corporation ?

Shri Md. UMARUDDIN, (Minister) Yes Sir.

Shri GIASUDDIN AHMED— If so, what is the procedure of the procurement ?

Shri Md. UMARUDDIN ( Minister ) : This is a National organisation and it is only the source. There is another organisation viz Terai Development Corporation form which growers of wheat seeds can be obtained

Shri GIASUDDIN AHMED : Whether the seeds were procured from any private producers ?

Shri Md. UMARUDDIN (Minister) : No Sir.

## বিঃ পঞ্চায়ত পুনৰ সংগঠন

| | |
|---|---|
| শ্ৰীসোনেশ্বৰ বৰাই সুধিছে : | শ্ৰীচৈয়দ আহম্মদ আলি ( পঞ্চায়ত বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে : |
| * ১৭২। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে— | |
| (ক) ৰাজ্যখনৰ বৰ্ত্তমান পঞ্চায়তবোৰক পুনৰ সংগঠন কৰাৰ কথা বিবেচনা কৰা সচাঁনে ? | ১৭২। (ক) নহয় । |
| (খ) যদি সঁচা হয়, তেনেহলে পঞ্চায়তবোৰক কেনে ব্যৱস্থাৰে পুনৰ সংগঠন কৰা হব বুলি বিবেচনা কৰা হৈছে ? | (খ) নুঠে । |

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে দেখা অভিজ্ঞতাৰ পৰা যিটো দেখা যায় তাৰ ওপৰত ভিত্তি কৰিয়েই বিশেষকৈ পঞ্চায়ত বিলাক যিহেতু মাটিৰ খাজনা আৰু কৰ-কাটলৰ প্ৰৰা চলে, সেইদৰে মৌজাৰ হিচাব খাজনা আদিত ভাগ হয়। কিন্তু

পঞ্চায়ত বিলাক সেই ভিত্তিত গঠিত নোহোৱাৰ কাৰণে বহুতো অসুবিধা হৈছে। এই বিলাক অসুবিধা পুনৰ বিবেচনা কৰি পঞ্চায়ত বিলাক পুনৰ গঠন কৰাৰ কথা বিবেচনা কৰিবনে?

চৈয়দ আহমেদ আলি (মন্ত্ৰী): এই গোটেই কথাবিলাক চাবৰ কাৰণে এটা কমিটি গঠন কৰি দিয়া হৈছে। কমিশ্বনাৰ প্লেইনছ্ ডিভিজন আৰু পঞ্চায়ত অধিকৰ্ত্তাও ইয়াত আছে। সামাজিক, অৰ্থনৈতিক সকলো বিলাক কথা পৰীক্ষা কৰি প্ৰতিবেদন দাখিল কৰিবৰ কাৰণে কোৱা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা: অসমত ৭৫০ খন চাহবাগিছা আছে। বাগিছাবোৰত যি সকল মজদুৰ আছে সেই সকল পঞ্চায়ত বিহিন হৈ আছে। এই কথাটো মাজে সময়ে আমাৰ সদনত বিভিন্ন মাননীয় সদস্যই উল্লেখ কৰি আহিছে। গতিকে এই মজদুৰ সকলক সামৰি চাহ বাগিছা বিলাক পঞ্চায়তৰ অন্তৰ্ভুক্ত কৰি পঞ্চায়ত বিলাক পুনৰ গঠন কৰাৰ কথাটো বিবেচনা কৰিবনে?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী): সেইটো বিবেচনা কৰি থকা হৈছে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ: মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে এই বিলাক চালি জাৰি চোৱাৰ কাৰণে এটা কমিটি কৰি দিছে। কিন্তু মই এইটো জানিব খোজোনে যে, কেতিয়া এই প্ৰতিবেদন দাখিল কৰা হব? তাৰ সময় নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে নেকি?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী): বেছি পলম কৰিলে নিৰ্দ্ধাৰণ কৰি দিম।

শ্ৰীজগদীশ চন্দ্ৰ দাস: পঞ্চায়ত ইলেকচনৰ আগতে এই কাম বিলাক সম্পূৰ্ণ কৰিবনে?

শ্ৰীচৈয়দ আহমদ আলি (মন্ত্ৰী: যত্ন কৰা হব।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ পঞ্চায়ত আইন খনৰ কোন কোন বিলাক অংশ এতিয়ালৈকে প্ৰযোজ্য কৰিবলৈ বাকী আছে ? প্ৰযোজ্য কৰিবলৈ যদি কোনো অংশ সচাঁকৈয়ে বাকী আছে সেইবিলাক প্ৰযোজ্য কৰিবলৈ কি ব্যৱস্থা কৰিছে ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ অংশ হিচাবে প্ৰযোজ্য কৰি আছোঁ। আশা-কৰো, সোনকালেই সকলো বিলাক সম্পূৰ্ণ হৈ যাব।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ মাজৰ ১৯ মাহ কাল কি হল আমি কব নোৱাৰোঁ। কিন্তু পা-পইছা আদি বিভিন্ন ক্ষেত্ৰত বহুতো বিলাক খেলি মেলি হৈছিল আৰু সেইবিলাক খেলিমেলি এতিয়াও চলিয়েই আছে। ফলত ফাণ্ডৰ মিছইউজ হৈছে। গতিকেই ইয়াৰ এটা ক্লিয়েৰ কাট ব্যৱস্থা কৰিবৰ কাৰণে ডি, চি, সকলক কিবা ডিৰেকচন দিয়া হৈছেনেকি ?

চৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ পঞ্চায়ত আইন মতেই ডি, চি, আৰু এচ, ডি, চি, সকল ইন্সপেকচন অফিচাৰ। তেওঁলোকে খেলিমেলি বিলাকৰ তদন্ত কৰিব পাৰে। কিবা খেলি মেলি নতুনকৈ সৃষ্টি হলে তাক তদন্ত কৰিব পৰাৰ কাৰণে ব্যৱস্থাৰ কথা চিন্তা কৰি থকা হৈছে

শ্ৰীগিয়াচুদ্দিন আহমদ ঃ অধ্যক্ষ মহোদয়, আমাৰ গাওঁ অঞ্চলত সামাজিক আৰু অৰ্থনৈতিক উন্নতিৰ কাৰণে পঞ্চায়ত বিলাকে আশানুৰূপ ভূমিকা গ্ৰহণ কৰিব পৰাকৈ চৰকাৰৰ এই কমিটিয়ে কিবা ব্যৱস্থা লৈছে নে ?

শ্ৰীচৈয়দ আহমদ আলি (মন্ত্ৰী) ঃ আইনৰ বাহিৰেও গোটেই গাওঁত সকলো প্ৰকাৰৰ সকলো দিশৰ উন্নয়নমূলক কামৰ কাৰণে পঞ্চায়তে ব্যৱস্থা কৰা হৈছে ঃ কিন্তু সকলো সা-সুবিধা এতিয়ালৈকে পোৱা নাই। সেই কাৰণে যাতে সকলো প্ৰকাৰৰ সুবিধা দিব পাৰে সেইটো চিন্তা কৰা হৈছে।

শ্ৰীদেবেন্দ্ৰ নাথ বৰা ঃ অধ্যক্ষ মহোদয়, পঞ্চায়তৰাজ-আইন স্থাপন কৰাৰ পূৰ্ব্বে অসমত আগতে গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদ এই তিনিতৰপীয়া ব্যৱস্থা আছিল ঃ এতিয়া তাৰ ঠাইত দুই তৰপীয়া ব্যৱস্থা হৈছে ঃ গাওঁ পঞ্চায়ত আৰু মহকুমা পৰিষদ। এতিয়া যিবিলাক গাওঁ পঞ্চায়তত এতিয়ালৈকে ২০/২৫ হেজাৰৰ ভিতৰত আছে– সেইবিলাকত 'ইকনমিকেলী ভায়েবেল' হৈছে নে নাই ? সেই বিষয়ে চৰকাৰে পৰীক্ষা কৰিছে নে?

শ্ৰীচৈয়দ আহমদ আলি (মন্ত্ৰী) ঃ এইটো গড় হিচাবে কৰা আছে। য'ত ২০ হেজাৰ পপোলেচন আছে তাত ইকনমিকেলী ভায়বেল হৈছে। কিন্তু ঠায়ে ঠায়ে মহকুমা পৰিষদৰ আইনত তেনে পোনপতীয়া পন্থা নাই। কিছুমানৰ বেছি হাত আছে আৰু কিছুমানৰ কম হাত আছে। সেই কাৰণে এই কমিটি গঠন কৰিছো যাতে গোটেই অৰ্থনৈতিক অৱস্থা তদন্ত কৰি পৰামৰ্শ আগবঢ়াব পাৰে।

শ্ৰীসোনেশ্বৰ বৰা ঃ (মন্ত্ৰী) মহোদায় কৈছে যে কিছুমান অঞ্চলত পঞ্চায়ত আইন কাৰ্য্যকৰী হোৱা নাই। গতিকে মই জানিব পাৰো নে যে-কোনটো অংশ কেনেকৈ কাৰ্য্যকৰী নহল জনাবনে ? লগতে কওঁ যে ১৯৭১ চনৰ পিয়লৰ হিচাব অনুযায়ী এতিয়ালৈকে নিৰ্ব্বাচন চলি আছে আৰু আকৌ ১৯৮১ চনতহে পিয়ল হব। মাজতে পঞ্চায়ত নিৰ্ব্বাচন হব। গতিকে ১৯৭১ চনতেই পিয়ল হোৱা হিচাবত মানুহৰ নাম বহুতো বাদ পৰি আছে, তাৰোপৰি কোনো কোনো পঞ্চায়তত ৫৫/৬০ হেজাৰ পৰ্য্যন্ত জনসংখ্যা হৈছেগৈ। গতিকে তাত পঞ্চায়ত নিৰ্ব্বাচনত কেনে ব্যৱস্থা লব ?

শ্ৰীচৈয়দ আহমদ আলি (মন্ত্ৰী) ঃ এইটো চৰকাৰৰ নীতি যে প্ৰত্যেক ১০ বছৰৰ মুৰত যিটো পিয়ল হয়-সেইমতেহে নিৰ্ব্বাচন নিৰ্দ্ধাৰণ কৰা হয়। অৱশ্যে সুকীয়াকৈ গণনা কৰা যন্ত্ৰ আমাৰ চৰকাৰৰ বা পঞ্চায়তৰ নাই। গতিকে অহা নিৰ্ব্বাচন যেতিয়া হব, সেইটো ১৯৭১ চনৰ

পিয়ল অনুযায়ীয়েই হব। ইয়াত ভোটাৰৰ নাম ভৰ্ত্তি কৰাৰ কোনো পথ নাই। কিন্তু যদি দেখা যায় যে কোনো পঞ্চায়তত ২০ হেজাৰতকৈ অত্যাধিক মানুহ আছে তেতিয়াহলে ভোটাধিকাৰ পোৱা লোকৰ নাম নতুনকৈ ভৰ্ত্তি কৰিব পাৰে।

শ্ৰীসোনেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, ১৬ হেজাৰৰ পৰা ২০ হেজাৰ জন সংখ্যা-ভিত্তিত গাওঁ পঞ্চায়ত গঠিত হোৱাৰ নিয়ম। কিন্তু ভোটাৰেই যদি ২০ হেজাৰ হয়গৈ তেতিয়া সেই ক্ষেত্ৰত কি ব্যৱস্থা কৰিব ?

শ্ৰীচৈয়দ আহমদ আলি (মন্ত্ৰী) : ২০ হেজাৰৰ ওপৰত ভোটাধিকাৰ হব নোৱাৰে, যদি হয়—চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলে ব্যৱস্থা কৰা হব।

শ্ৰীসোনেশ্বৰ বৰা : মোৰ আগৰ প্ৰশ্নটোৰ উত্তৰ দিয়া নাই পঞ্চায়ত আইনখনৰ কোন কোন দফা কেইটা কাৰ্য্যকৰী হোৱা নাই সেইটো জনাবনে ?

শ্ৰীচৈয়দ আহমদ আলি (মন্ত্ৰী) : কিছুমানৰ হিচাব বিভাগত দিয়া আছে—সেইবিলাক এতিয়াও বিবেচনা কৰি আছে আৰু লাহে লাহে কিছুমান স্কীম বদলি কৰাৰ কথা আছে—সেইবিলাক এতিয়াও বিবেচনাধীন হৈ আছে।

শ্ৰীআতাউৰ ৰহমান : অভিজ্ঞতাৰ ফালৰ পৰা দেখা গৈছে যে গাওঁপঞ্চায়ত বিলাকত সীমা নিৰ্দ্ধাৰণ কৰি দিয়াৰ পাছতো বহুতো ঠাইত খেলিমেলিৰ সৃষ্টি হৈছে ঃ গতিকে এতিয়া যিখন কমিটি কৰিব মন্ত্ৰী মহোদয়ে সেই কমিটিখনক এইবিলাক কথাৰ প্ৰতি লক্ষ্য কৰাবনে ?

শ্ৰীচৈয়দ আহমদ আলি (মন্ত্ৰী) : মই তেওঁলোকক সেই নিৰ্দ্দেশ দিম।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুৰী ঃ অধ্যক্ষ মহোদয়, জনসাধারনের উন্নতির স্বাৰ্থে এই পঞ্চায়তরাজ অত্যন্ত গুরুত্বপূর্ণ কথা। এই পঞ্চা-য়তের উন্নতি নির্ভর করে এর অর্থনৈতিক অবস্থার উপর।

কিন্তু বেশীর ভাগ পঞ্চায়ত গুলি যে অর্থাভাবে একেবারে বিধস্ত একথা সর্বজন স্বীকৃত। সুতরাং আমি মন্ত্রী মহোদয়কে অনুরোধ করি যে অর্থনৈতিক অবস্থার পারপ্রেক্ষিতে এই পঞ্চায়ত গুলিকে বিভিন্ন কেটেগরি অর্থাত এ, বি, সি ইত্যাদি কেটেগরিতে চিহ্নিত করবেন এবং তদনুযায়ী অর্থসংকটে যে সব পঞ্চায়ত বিধস্ত তাদরে সরকারী সাহায্য দেবার পরিকল্পনা করবেন ?

শ্রীসৈয়দ আহমেদ আলি (মন্ত্রী) : স্যার, সেজন্য এই কমিটি গঠন করা হয়েছে। যেসব পঞ্চায়ত অর্থসংকটে আছে তাদের যাতে উন্নত করা যায় তাহাড়া বিভিন্ন মহকুমা পরিষদের অফিস ইত্যাদি সমস্ত বিষয় যাতে উন্নত করা যায় এইসব ব্যাপার এই কমিটি তদন্ত করে সরকারকে পরামর্শ দেবে এবং তখন আমরা নিশ্চয়ই কার্যকরী ব্যবস্থা গ্রহণ করব।

**Starred Question No. 173 was not put, member being absent.**

## Re : Majuli Police Station

Shri MAL CHANDRA PEGU asked :

* 174. Will the Minister, Home be pleased to state—

(a) Whether Government is aware that the Majuli Police Station is likely to be eroded by the Tuni River ?

Shri HITESWAR SAIKIA (Minister, Home) replied :

174. (a) Yes.

(b) If so, the steps taken by the Government for protection of the Police Station ?

(b) The matter has been taken up with the Flood Control Department and they have been preparing necessary plan and estimates which are yet to be finalised.

Shri MAL CHANDRA PEGU : Sir, what is the amount that has been given for protection of this Police Station ?

Shri HITESWAR SAIKIA (Minister) : Sir, the amount is not given to us. Sir, the Flood Control Department has intimated that the estimate for the scheme for protection of Kamalabari town Police Station and E&D, Office from erosion of Tuni River has been returned to the Executive Engineer, North Lakhimpur E & D Division for resubmission the same due to some technical defects and the modified estimate has not yet been received by the Flood Control Department.

Shri MAL CHANDRA PEGU : Sir, whether the scheme has been submitted ?

Shri HITESWAR SAIKIA (Minister) : Sir, as I have said that due to some technical defects it has been returned for resubmission. But it is true that the scheme has been submitted. This information is given to me.

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : মাজুলীৰ দৰে তেনে ধৰণৰ নদীয়ে ভাঙি দিয়া অন্য ঠাইৰ খবৰ মন্ত্ৰী মহোদয়ে পাইছে নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) ঃ তেনেকুৱা খবৰ মই পোৱা নাই।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ মই গোলোকগঞ্জৰ খবৰটো দিছিলো।

শ্ৰীহিতেশ্বৰ শইকীয়া মন্ত্ৰী ) ঃ সেইটো চাব লাগিব।

শ্ৰীআতাউৰ ৰহমান ঃ এই ক্ষেত্ৰত মহকুমা বা জিলাৰ কথা নহয়। পুলিছ ষ্টেটচন বিলাকত যি টকা খৰছ কৰে প্ৰটেক্‌চন দিওঁতে তাতোতকৈ বেছি টকা খৰছ নহয় নেকি?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) ঃ তাত দুটা ভাগ আছে। 'ই, এণ্ড ডি', বিভাগৰো আছে। দুয়োটা একেলগে কৰে।

শ্ৰীমাল চন্দ্ৰ পেগু ঃ যিটো জেগাত পুলিচ ষ্টেটচন আছে তাত কমলাবাৰী টাউন আৰু টুনি দলং আছে। তাক ৰক্ষা কৰিবৰ বাবে বিশেষ খৰচ কৰাৰ দৰকাৰ হৈছে। সেইটো চৰকাৰে জানেনে?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) ঃ সেই কাৰণেও দিয়া হৈছে।

## বি ঃ গাওঁ পঞ্চায়তৰ স্থায়ী অফিচ ঘৰ

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানীয়ে সুধিছে ঃ

* ১৭৫। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গাওঁ পঞ্চায়ত বিলাকৰ স্থায়ী ভাৱে নিজাকৈ অফিচ কৰা হলনে?

(খ) গোটেই অসমত আজিলৈকে কোন

শ্ৰীচৈয়দ আহমদ আলি ( পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৭৫। (ক) সকলো গাওঁ পঞ্চায়তৰ নিজাকৈ স্থায়ী অফিচ ঘৰ সজা হোৱা নাই।

(খ) ডিব্ৰুগড়—১৭, শিৱসাগৰ—৫২,

| | |
|---|---|
| কোন জিলাত কিমান গাওঁ পঞ্চায়তৰ অফিচ হোৱা নাই ? | নগাওঁ—২৯, কামৰূপ—৩০, গোৱালপাৰা—৬০, লক্ষীমপুৰ—১৬, দৰং—৩৪, কাছাৰ—৪২ । |
| (গ) এই গাওঁ পঞ্চায়তৰ স্থায়ী অফিচৰ ঠাই কোনে নিৰ্দ্ধাৰণ কৰে । | (গ) গাওঁ পঞ্চায়ত সমূহে । |
| (ঘ) চৰকাৰে গাওঁ পঞ্চায়তৰ সিদ্ধান্ত উলংঘা কৰি ঠাই নিৰ্দ্ধাৰণ কৰা উদাহৰণ আছেনে ? | (ঘ) নাই । |

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ অধ্যক্ষ মহোদয়, গাওঁপঞ্চায়তৰ দ্বাৰা মানুহৰ সকলো প্ৰকাৰৰ উন্নতি আশা কৰি ঘৰ সজাৰ সিদ্ধান্ত লৈ গাওঁ পঞ্চায়তৰ সুচল ঠাইত ঘৰ সজাৰ নিয়ম আছে। কিন্তু আজিলৈকে প্ৰায় শতকৰা ৮০-৯০ ভাগ গাওঁপঞ্চায়তৰ ঘৰ সজা নাই। ওপৰৰ কথালৈ লক্ষ্য ৰাখি পুৰণা গাওঁপঞ্চায়তৰ ঘৰবিলাক ভাঙি দি সোনকালে গাওঁপঞ্চায়তৰ ঘৰবিলাক সজাৰ কথা চৰকাৰে বিবেচনা কৰিবনে ?

শ্ৰীচৈয়দ আহমদ আলি (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, শতকৰা ৮০ বা ৯০ ভাগৰ যিটো কথা কৈছে সেইটো সঁচা নহয়। আমাৰ মুঠ ৬৬৩ খন গাওঁপঞ্চায়তৰ ভিতৰত ৩৪৫ খন গাওঁপঞ্চায়তৰ ঘৰ সজা হৈছে আৰু পুণৰ নিৰ্মাণো কৰা হৈছে। বাকীখিনি গাওঁ পঞ্চায়তৰ ঘৰ সজাৰ কাৰণে টকা দিব পৰা নাই। অহা দুবছৰৰ ভিতৰত গোটেই গাওঁপঞ্চায়তৰ ঘৰ সজা হৈ যাব বুলি আশা কৰা হৈছে। কিন্তু নতুনকৈ গাওঁ পঞ্চায়ত এলেকা নিৰ্দ্ধাৰণ হোৱাৰ পিচত যিবিলাক গাওঁ পঞ্চায়তৰ ঘৰ বা অফিচ নাই সেই অফিচবিলাক আগৰ গাওঁ পঞ্চায়তৰ অফিচতে বহি আছে আৰু কোনো অসুবিধা হোৱা নাই।

শ্ৰীজালালুদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, এই গাওঁ পঞ্চায়তবিলাকৰ ঘৰ নিৰ্মাণ কৰোতে কিমান টকা ধাৰ্য্য কৰা হয়।

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ আমাৰ যিটো লেও দিয়া হৈছে সেইমতে ২০ হেজাৰৰ বেছি হব নোৱাৰে ।

শ্ৰীজালালুদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, গোৱালপাৰাত ৬০ টা কামৰূপত ৩০ টা, কোন জিলাত পপুলেচন বেছি ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ গোৱালপাৰাত ৬০ টা হোৱা নাই ।

শ্ৰীপিটসিং কোঁৱৰ ঃ অধ্যক্ষ মহোদয়, বহগড়াত এটা স্থায়ী অফিচ ঘৰ থকা স্বত্তেও আৰু এটা অফিচ ঘৰ সজাৰ কাৰণে টকা পইচা আগবঢ়োৱা হৈছে এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ অধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়তৰ কাৰ্য্যালয় সজা কথাটো গাওঁ পঞ্চায়ত কমিটিয়ে নিৰ্দ্ধাৰণ কৰি দিয়ে বুলি মন্ত্ৰী মহোদয়ে (গ) প্ৰশ্নৰ উত্তৰত জনাইছে, কিন্তু নিয়ম উলংঘা কৰি চৰকাৰৰ ফালৰ পৰা নিৰ্দেশ যোৱা কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ এনে দুই এটা অভিযোগ আমি পাইছো। দৰাচলতে গাওঁ পঞ্চায়ত আইন অনুসৰি গাওঁ পঞ্চায়তৰ ঘৰ সজা বিষয়টো গাওঁপঞ্চায়ত সভাৰ মেম্বাৰসকলে নিৰ্দ্ধাৰণ কৰিব লাগে । সেই অনুপাতে কত ঘৰ সজা হব বা সাজিলে ভাল হব এইটো সদস্যসকলে নিৰ্দ্ধাৰণ কৰিব । যদি কেতিয়াবা তেনে সিদ্ধান্তত উপনীত হব নোৱাৰি আমাৰ ওচৰলৈ আহে তেন্তে আমি জনাই দিওঁ যে মহকুমা পৰিষদৰ চেক্ৰেটৰীৰ উপস্থিতিত কমেও দুই তৃতীয়াংশ সদস্যৰ মতামতেৰে বিষয়টোৰ সিদ্ধান্ত হব লাগে । যদি কিবা কৰি এই বিষয়টো আমাৰ ওচৰলৈ আহে তেন্তে আমি অফিচাৰ পঠিয়াই চাই চিতি যিমান থিনি পৰা যায় বিষয়টো নিৰ্দ্ধাৰণ কৰাৰ কাৰণে ঠিক কৰিম ।

শ্ৰীকন্দৰ্প কুমাৰ দাস ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে গাওঁ পঞ্চায়তৰ যিজন সম্পাদক থাকে তেওঁৰ উপস্থিতিত আৰু সদস্য

সকলৰ দুই তৃতীয়াংশ মেম্বাৰে এই বিষয়টো সিদ্ধান্ত কৰিব লাগে। কিন্তু মোৰ সমষ্টিত আজি দুবছৰ ধৰি এই বিষয় লৈ এটা গণ্ডগোল লাগি আছে। আজি কিছুদিনৰ আগতে মহকুমা পৰিষদৰ সম্পাদকে কাৰ্য্যালয়ৰ স্থান নিদ্ধাৰণ সম্পৰ্কে যি হুকুম দিছিল সেইটো ষ্টে কৰিব লাগে বুলি মন্ত্ৰী মহোদয়ে হুকুম দিলে তাৰপিচত সেইটো আকৌ বাতিল কৰা হল। এইদৰেই তাত আজি দুবছৰ ধৰি এটা গণ্ডগোলৰ সৃষ্টি হৈ আছে। এইবোৰ কথালৈ লক্ষ্য ৰাখি মন্ত্ৰী মহোদয়ে তাৰ কিবা এটা ব্যৱস্থা কৰিবনে?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ চাৰ, এই বিষয়টো সম্পৰ্কে প্ৰত্যক্ষ ভাৱে তদন্ত কৰি চাব লাগিব।

শ্ৰীকন্দৰ্প কুমাৰ দাস ঃ পঞ্চায়ত আইন মতে দুই তৃতীয়াংশ মেম্বাৰে এই বিষয়টো নিষ্পত্তি কৰিব লাগে, এই আইনমতে কাম যদি নহয় তেন্তে আইন কিয় কৰা হৈছে?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ পঞ্চায়ত আইন ৰাইজৰ সুবিধাৰ কাৰণেহে কৰি দিয়া হৈছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : অধ্যক্ষ মহোদয়, স্থায়ী ঘৰ সম্পৰ্কে যিটো কথা কোৱা হৈছে এই সম্পৰ্কত মই জনাব খুজিছো যে আগৰ তিনি চাৰিটা পঞ্চায়ত ভাঙি এটা কৰা হৈছে। সেই পঞ্চায়ত ঘৰবিলাকৰ ভিতৰত সুবিধা বুজি এটা বাচি লৈ তাতে নতুন পঞ্চায়তৰ স্থায়ী অফিচ ঘৰ বনাব লাগে। তেতিয়া হলে নতুন ঘৰ সাজি অবাৰত টকা খৰচ নকৰিলেও হব। এই বিষয়টো মন্ত্ৰী মহোদয়ে বিবেচনা কৰি চাব নে?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) : কৰা হব।

শ্ৰী আতাউৰ ৰহমান ঃ অধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়তৰ কাৰ্য্যালয়ৰ স্থান নিদ্ধা-

ৰণ সম্পৰ্কে যদি গাওঁ পঞ্চায়তত সৰ্বসন্মত মতত আহিব নোৱাৰে তেন্তে এই বিষয়টো নিৰ্দ্ধাৰণ কৰিবৰ কাৰণে ওপৰৰ ডিৰেক্টৰ নাইবা মন্ত্ৰী পৰ্য্যায়লৈ নহাকৈ মহকুমা পৰিষদতে নিষ্পত্তি কৰিবলৈ দিব নোৱাৰিনে ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে পৰামৰ্শটো ভালেই আগবঢ়াইছে। পঞ্চায়ত আইনমতে যদি বিষয়টো নিষ্পত্তি নহয় আৰু মতানৈক্য হয় বিষয়টো মহকুমা পৰিষদলৈ পঠাই দিয়াৰ বাবে বিবেচনা কৰি চোৱা হব।

**Starred question No. 176 was not put, member being absent.**

## বিঃ সোণশিৰি শ্লুইচ গেট

শ্ৰীআবুল হুছেইন মীৰে সুধিছে ঃ

শ্ৰীমহম্মদ ওমৰুদ্দিন (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

* ১৭৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এইটো সচাঁনে যে ধিঙৰ সোণশিৰি (Sonsiri) Sluice gate টো Board of consultant এ approve কৰাৰ পাচত Irrigation বিভাগক পৰীক্ষা কৰিবলৈ পঠাইছিল ?

১৭৭. ক)—হয়, সচাঁ।

(খ) এইটোও সচাঁনে Irrigation ৰ আচঁনি এখন যুগুত কৰিবলৈ E.&.D. বিভাগে জলসিঞ্চন বিভাগক দিছিল ?

(খ)—হয়, সচাঁ।

(গ) যদি সচাঁ তেন্তে জলসিঞ্চন বিভাগে এতিয়ালৈকে এই বিষয়ে কি কৰিলে সদনত জনাবনে ?

(গ)—পানী দুৱাৰেদি জলসিঞ্চন কৰাৰ আঁচনিখনৰ কাৰিকৰী কাৰ্য্যকাৰিতা উপযুক্ত বুলি বিবেচিত হোৱা নাই। ইয়াৰ পৰিবৰ্ত্তে এই অঞ্চলত যথেষ্ট পৰিমানৰ ভূ-গৰ্ভস্থ পানী সঞ্চিত থকা হেতুকে খেতিয়কে বেঙ্কৰ ঋণৰ জৰিয়তে, এই বিভাগৰ তত্বাবধানত, অগভীৰ নলী-নাদ বহুৱাই জলসিঞ্চন কৰাৰ এটি আঁচনি লোৱা হৈছে।

## বিঃ সোণশিৰি শ্লুইচ গেট

শ্ৰীআবুল হুছেইন মীৰে সুধিছে :-

শ্ৰীমহম্মদ ওমৰুদ্দিন ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

*১৭৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ধিঙৰ ওচৰত সোণশিৰি নামৰ ঠাইৰ মথাউৰিত এটা Sluice gate বহুদিনৰ পৰা বাইজে বিচাৰিছে, এইটো সচাঁনে ?

১৭৮ (ক)—হয়, সচাঁ।

(খ) যদি সচাঁ চৰকাৰে ইয়াৰ কি ব্যৱস্থা লৈছে ?

(খ)—পানী দুৱাৰেদি জলসিঞ্চন কৰাৰ আঁচনিখনৰ কাৰিকৰী কাৰ্য্যকাৰিতা উপযুক্ত বুলি বিবেচিত হোৱা নাই।

(গ) খেতিৰ উৎপন্ন বৰ্দ্ধিত হোৱা উদ্দেশ্যৰে এইখন কৰি দিবনে ?

(গ) উপৰুক্ত উত্তৰ সন্দৰ্ভত জলসিঞ্চন বিভাগে এই শ্লুইচ কৰাৰ কোনো প্ৰস্তাৱ লোৱা নাই।

ইয়াৰ পৰিবৰ্ত্তে এই অঞ্চলত যথেষ্ট পৰিমানে ভূ-গৰ্ভস্থ পানী সঞ্চিত থকা হেতুকে খেতিয়কে বেংকৰ ঋণৰ জৰিয়তে, এই বিভাগৰ তত্বাবধানত অগভীৰ নলী-নাদ বহুৱাই জলসিঞ্চন কৰাত এটি আঁচনি লোৱা হৈছে।

(ঘ) এই কথা চৰকাৰে জানেনে যে এই অঞ্চলত মৰাপাটৰ খেতি পানীৰ অভাৱত দিনে দিনে কমি গৈছে ?

(ঘ)—তেনে কোনো তথ্য চৰকাৰৰ হাতত নাই।

শ্ৰীআবুল হুচেইন মীৰ ঃ মন্ত্ৰী মহোদয়ে জলসিঞ্চন বিভাগৰ উপযুক্ত ব্যৱস্থা নোহোৱা বুলি কৈছে। এইটো কি ভিত্তিত কলে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) ঃ বান্ধটোত স্লুইচ গেট আছে। পানী বেচি হলে লেভেল ওপৰলৈ যাব আৰু কম হলে তললৈ যাব। কেতিয়াবা পানী থাকে আৰু কেতিয়াবা পানী নাথাকে। সেই কাৰণে আঁচনি লব পৰা নাই। বিকল্প ব্যৱস্থা হিচাবে নলী-নাদৰ ব্যৱস্থা কৰিছো। তাৰ বাবে দৰ্খাস্ত লোৱা হৈছে আৰু নলী-নাদ বহুৱাবৰ বাবে বেংকৰ পৰা ঋণ দিয়া ব্যৱস্থা কৰা হৈছে।

শ্ৰীআবুল হুচেইন মীৰ ঃ এই দাইক টো দিয়াৰ পৰা প্ৰায় দুই লাখ একৰ মাটিত একেবাৰে পানী নোহোৱা হৈছে। এই স্লুইচ গেট টো বিচাৰিছিলো পানীখিনি জলসিঞ্চনত ব্যৱহাৰ কৰিবৰ কাৰণে। এতিয়া স্লুইচ গেটটো নেলাগে বুলি কৈছে নেকি ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) ঃ কথা হল স্লুইচ গেটটো বান্ধ নিয়ন্ত্ৰণ বিভাগে দিছে পানী সোমোৱাৰ কাৰণে আৰু জলসিঞ্চন বিভাগে নলী নাদ বহুৱাই জলসিঞ্চনৰ ব্যৱস্থা কৰিব। আমি দেখিছো নলা কাটি পানী দিয়া ব্যৱস্থা কৰিব নোৱাৰো। কাৰণ পানী সদায় একে

লেভেলত নেথাকে সেইকাৰণে তাত স্থায়ী জলসিঞ্চনৰ ব্যৱস্থা কৰিব নোৱাৰে। অন্য ব্যৱস্থা কৰা কাৰণে আঁচনি লোৱা হৈছে।

শ্ৰীগুনেন্দ্ৰ নাথ পণ্ডিত ঃ কাৰিকৰী অসুবিধা কাৰণে স্থায়ী ব্যৱস্থা লব নোৱাৰে বুলি কৈছে। জনসাধাৰণৰ উপকাৰৰ কাৰণে নলী নাদৰ ব্যৱস্থা কৰি কিমান টকা খৰচ কৰিছে জনাবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) ঃ নলী নাদ বহুৱাৰ কাৰণে জুৰিয়াৰ পৰা ২৪৮ খন দৰ্খাস্ত কৰা হৈছে। তাৰে ১১২ খনত চেংচন দিছো। বটদ্ৰৱাৰ পৰা ২৬৮ খন পোৱা হৈছে আৰু বেংকলৈ পঠাই দিছো। লাহৰী ঘাটৰ পৰা ১০০ খন দৰ্খাস্ত পোৱা হৈছে আৰু বিবেচনা কৰি আছে।

শ্ৰীগুনেন্দ্ৰ নাথ পণ্ডিত ঃ নলী নাদ কিমান দিনৰ ভিতৰত বহুৱাব জনাবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) ঃ সেইটো নিৰ্ভৰ কৰে বাইজৰ ওপৰত। আমি দৰ্খাস্ত পাইছো আৰু ব্যৱস্থা লৈছোঁ।

শ্ৰীজগদীশ চন্দ্ৰ দাস ঃ শ্লুইচ গেটৰ দ্বাৰা জলসিঞ্চনৰ ব্যৱস্থা কৰা আঁচনি আছে নেকি ? যদি আছে মোৰ সমষ্টিত তেনে ব্যৱস্থা কৰিবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) সমষ্টি হিচাবে নকৰো।

শ্ৰীআবুল হুচেইন মীৰ ঃ ৰাইজৰ ফালৰ পৰা শ্লুইচ গেটৰ ওপৰিও জলসিঞ্চনৰ ব্যৱস্থা বিচৰা হৈছে। দক্ষিন অঞ্চলটোত পানী নোহোৱাৰ কাৰণে মৰাপাট খেতি নোহোৱা হৈছে। তাত ৰটিং টেঙক নাই। গতিকে সোনকালে পানী যোগানৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) ৰটিং টেংকৰ কথাটো নুঠে। আমি আঁচনি লৈছো আৰু পানী যোগানৰ ব্যৱস্থা লৈছো।

শ্ৰীআবুল হুছেইন মীৰ ঃ আমি শ্লুইচ গেট বিচাৰিছিলো তাৰ জৰিয়তে দক্ষিণ

অঞ্চললৈ পানী যাব কাৰণে। এতিয়া সেইটো পিচুৱাই ৰাখিছে। গতিকে লিফট এৰিগেচনৰ বাবে নতুন প্ৰজেক্টৰ পৰীক্ষা কৰিবনে?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী ) : এইটো প্ৰজেক্ট বান নিয়ন্ত্ৰণ বিভাগৰ। জলসিঞ্চন বিভাগে জলসিঞ্চনৰ ব্যৱস্থা কৰে। ৰটিং টেংকৰ প্ৰশ্নটো বেলেগ।

## Re : Evasion of State tax, Sales tax etc.

Shri DEBENDRA NATH BORA asked :

*179. Will the Chief Minister, be pleased to state—

(a) After creation of bureau of investigation (economic offences) how many cases have been detected so far under the following viz, evasion of State Taxes, Sales Tax, Forest Revenue and smuggling activities ?

Shri SARAT CHANDRA SINHA (Chief Minister) replied :

179. (a)—15 (fifteen).

(1) State Taxes [A. P. G. Tax Act, A. F. ( S. T. ) Act. A. S. T. Act, ]— 6 cases.

(2) Motor Vehicle Taxes— 2 cases.

(3) Forest Revenue--5 cases. The remaining two cases are under the Minimum Wages Act and the Companies Act.

The Bureau has not detected any case on smuggling activities so far.

(b How many squads are operating in the State and the location of the squads?

(b)—The Bureau conducts all operations from its Headquarters at Gauhati. No squad of the Bureau has been positioned elsewhere in the State.

শ্ৰীদেবেন্দ্ৰ নাথ বৰা ঃ এতিয়ালৈকে কিমান টকা ইয়াৰ পৰা পোৱা হৈছে জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) যি টেক্স ওলাইছে তাৰ পৰা ৯৮ লাখ ৬৩ হেজাৰ ১৪৪ টকা ২১ পইচা হৈছে ।

শ্ৰীজালালুদ্দিন আহমেদ ঃ এই পাচটা ৰেভিনিউ কেচ কি কি আৰু কি সৰ্ম্পকত হৈছিল ?

Shri SARAT CHANDRA SINHA (Chief Minister) : Sir, these are the cases. There were allegations against Shri Radhakishan Seotia and Omprakash Saraf, Forest Leasees Gauhati, for evasion of forest royalty. In this connection Rs. 5,327. 26 p has been realised by the Divisional Forest Officer, South Kamrup Division, Gauhati. Then, the second one. On receipt of a complaint about malpractice and less collection of forest royalty by D.F.O. Silchar, an enquiry was conducted and evasion of forest royalty to the tune of Rs. 12,817.69 p has been detected. Then, the third one. On receipt of a source report about evasion of forest royalty by forest contractors

who constructed sugar mill at Chargda, Cachar, an enquiry was conducted and evasion of forest royalty for an amount of Rs. 81,668.90p was detected. Then, the fourth case. On receipt of a source report about some malpractices of the forest staff, an enquiry was conducted. It is with regard to certain lapses on the part of the Asstt. Conservator of Forests. Then, the 5th case. On receipt of a source report against M/S. Assam Plywood Manufacturers/ Millers Association, Tinsukia, regarding malpractice and lose of forest royalty, an enquiry was conducted. During the enquiry, it was revealed that the Govt. of Assam was losing Rs. 57 lakhs annually.

Shri GUNENDRA NATH PANDIT : Sir; may I know from the hon'ble Chief Minister; since the creation of the Bureau of Investigation (Economic offences), how many business houses have been searched ? If so, how many cases have been detected ?

Shri SARAT CHANDRA SINHA (Chief Minister) : Sir, I shall not be able to tell the exact number of such cases. But till now about 85 cases have been detected and investigation started. Of these, 24 cases have been finalised and of these 24 cases 14 cases have been substantiated and 10 cases have been filed.

শ্রীজালালুদ্দিন আহমেদ : জৰুৰী অৱস্থাৰ মাজত স্মাগ্লাৰ আৰু ব্লেক মাৰকেটাৰ সকলক ডি, আই ৰুলত এৰেষ্ট কৰিছে নে নাই ? ৫৭ লাখ টকা অপব্যৱহাৰ কৰা ৰাবে কি ব্যৱস্থা ললে ।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ ডি, আই স্কুলত ধৰিছে নে নাই কোৱা টান। কিন্তু বিভাগ বিলাকক যি ধৰণে ব্যৱস্থা লবলৈ কোৱা হৈছে সেই ধৰণে ব্যৱস্থা লৈছে।

Mr. SPEAKER : Now, the question hour is over.

## Undisposed starred question dated 6-4-77

### বি ঃ চৰকাৰীকৰণৰ পিচত প্ৰাথমিক শিক্ষক নিযুক্তি

শ্ৰীদেবেন্দ্ৰ নাথ বৰাই সুধিছে ঃ

* ১৮০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) প্ৰাথমিক শিক্ষক সকলৰ চাকৰি চৰকাৰীকৰণ কৰাৰ পিচত কিমান সংখ্যক শিক্ষকক প্ৰয়োজন অনুসাৰে নিয়োগ কৰাৰ ব্যৱস্থা কৰা হৈছিল ?

(খ) এতিয়ালৈকে প্ৰয়োজন অনুসাৰে শিক্ষক সকলক নিয়োগ কৰা হল নেকি আৰু যদি হোৱা নাই ; তেন্তে কি কাৰণে বন্ধ হৈ আছে।

(গ) নিয়োগ বন্ধ হৈ থকাৰ ফলত এজনীয়া স্কুল সমূহত বা সংখ্যাধিক ছাত্ৰ থকা স্কুল সমূহত ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষাদানত বাধাৰ সৃষ্টি হোৱা কথা চৰকাৰে জানেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১৮০। (ক)—মুঠ ১৮২১ জনক। ইয়াৰ ভিতৰত প্ৰয়োজন অনুসাৰে ৩৮৭ জনক স্থায়ী আৰু ১৪৩৪ জনক অস্থায়ীভাবে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছিল।

(খ)—প্ৰশ্ন নুঠে

(গ) —তেনে কোনো নিৰ্দিষ্ট (Specific) অভিযোগ পোৱা নাই যদিও শিক্ষাদানত বাধাৰ সৃষ্টি নহবৰ কাৰণে প্ৰয়োজন অনুসাৰে অস্থায়ী নিয়োগ আৰু বদলিৰ ব্যৱস্থা কৰা হৈছে ?

AGP. (L.A.) No 423/77—175—5-4-77.

# UNSTARRED
# QUESTIONS AND ANSWERS

## Date : 6th April, 1977

## বিঃ ডুবিয়া অঞ্চলত চিকিৎসালয়ৰ বাবে মাটি

| | |
|---|---|
| শ্ৰীৰাম চন্দ্ৰ শৰ্ম্মাই সুধিছে : | ডাঃ সুৰেন্দ্ৰ নাথ দাস (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে : |
| ১০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে— | |
| (ক) তেজপুৰ মহকুমাৰ ডুবিয়া অঞ্চলত চিকিৎসালয়ৰ বাবে চৰকাৰে মাটি বিচৰাটো সঁচানে ? | ১০। (ক) হয় সঁচা। |
| (খ) যদি সঁচা, তেন্তে ডুবিয়াৰ কোন অঞ্চলত মুঠ কিমান মাটি চিকিৎসালয়ৰ বাবে Reserve কৰি ৰখা হৈছে ? | (খ) ছয়দুৱাৰ ব্লকৰ অন্তৰ্গত ভি, জি, আৰ পট্টা নং ১৮৪ আৰু ৩০৮ আৰু ১৯৬ ৰ মুঠ ১০ (দহ) বিঘা মাটি ৰখা হৈছে। |
| (গ) উক্ত মাটি কোন চনত চিকিৎসালয়ৰ বাবে Reserve হৈছে ? | (গ) ১৯৭৫ চনত। |
| (ঘ) উক্ত ঠাইত সেই অঞ্চলৰ বহু হাজাৰ লোকৰ চিকিৎসাৰ বাবে কোনো চিকিৎসালয় স্বাস্থ্য উপ-কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হৈছে নেকি ? | (গ) নাই হোৱা। |
| (ঙ) যদি হোৱা নাই ইতিমধ্যে চৰকাৰে এই বিষয়ে কিবা আঁচনি লৈছেনে ? | (ঙ) পুঁজিৰ অভাৱত আগতে লোৱা নাই। এই বছৰত লোৱাৰ সম্ভাৱনা আছে। |

AGP. L. A. No—425/77—450—5-4-1977.

## COMPLAINT OF BREACH OF PRIVILEGE

Mr. SPEAKER : I have received a complaint from the Home Minister. I think, Mr. Barua, you have also received a copy.

Shri DULAL CHANDRA BARUA : Yes. Sir.

* Shri HITESWAR SAIKIA ( Minister ) : Mr. Speaker, Sir, under Rules 158 and 151 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly, I beg to give notice of Privilege Motion against Shri Dulal Chandra Barua, M.L.A. for deliberately bringing allegations against me with a view to undermine my status and thereby committing a breach of privilege.

Shri Barua in the course of his speech delivered yesterday on the debate on Governor's address alleged that the Police of Gauhati committed great atrocities on some boys on the 3rd November, 1975, by arresting them and putting them on ice and cell for 9/10 days at my instance. These boys are said to have been from Kampur (Nowgong) and from Gauhati itself on whom the atrocities were alleged to have been committed.

Another serious allegation has been levelled against me by Shri Barua when he said that at my instance the D.T.O. of Jorhat was summoned to Sibsagar to requisition all the

* Speech not corrected.

vehicles of Sibsagar Subdivision so that Shri Barua might not get any vehicle for his or his party's use.

His another serious allegation levelled against me is that I utilised the Police machinery to intimidate voters and I obstructed voters in various places which was objected by the S.P. Sibsagar. Not only that he has further elaborated this point by saying that under my instructions, the O.C. of Titabar moved in uniform with Police force intimidating people saying that if they did not vote for Congress, they would be arrested on 22nd March, 1977.

He has also mentioned that Police vehicles were used for carrying liquor and money for the Tea Garden population and that large number of Janata Party workers were arrested in Sonari and Nazira. It was also stated that by intimidating people living in these areas, a reign of terror was created by me.

He has further alleged that on 15th of March, 1977, list of Presiding Officers were changed and in some key poll centres women were posted.

His another allegation is that at my instance one Shri Amulya Dutta a polling agent of Janata Party from tea garden area was taken into custody and he was taken to Geleky Out Post first and then to Nazira.

The other serious type of allegation is that on 17th March, 1977, I went to Geleky T.E. and attended a meeting after which I started distributing money and wine to the people through one Shri Korma Goala.

Similarly he has alleged that on 17.3.77, I went to Lakua T.E. with one Shri Bhadram Gogoi and distributed money amounting to Rs. 2000/- first and Rs. 7000/- thereafter along with 20 bottles of wine.

He has also alleged that I, along with my brother went to Samonbari T.E. on 18.3.77 armed with revolver in the vehicle No. NLK. 4271 and ASW 2501 and threatened the people there with dire consequences if they did not vote for the Congress.

These and many other allegations have been brought against me by Shri Barua, M.L.A. deliberately to undermine my status in the eyes of public. Since all these allegations are incorrect, motivated, deliberate and full of malice, I beg to give notice to move the Privilege Motion against Shri Barua, M.L.A.

If you so desire, Sir, I can read out the relevant portions from the proceedings.

*Shri DULAL CHANDRA BARUA : Mr. Speaker, Sir, I am really grateful to the Minister-in charge of Home for giving me a scope to establish the

* Speech not corrected.

charges that I have levelled against him by bringing this Privilege Motion. Sir, there is one Assamese proverb which everybody knows and so I need not quote. Sir, with your permission I have raised the allegations, and I said that these are not baseless. I still stand firmly by the charges that I have brought against him. Sir, he has stated that the charges that have been brought are deliberate and motivated. Sir, it was not deliberate or motivated. Sir, we are here to see things in their proper perspective. Whoever mis-uses the power and does a lot of harm to the public, creates chaos and confusion in the minds of the people in the name of maintaining law and order and excesses are committed, we are here to point out those things graciously.

Mr. SPEAKER : Mr. Barua you confine yourself to the admissibility of the motion.

*Shri DULAL CHANDRA BARUA : Sir, I want to say that the allegations brought by me are not deliberate or motivated. They are based on facts. In this connection I must draw your attention to the observations made at page 252 of the Practice and Procedures in Parliament by Kaul. Herein it is stated "If any statement made on the floor of the House by a member or a Minister which another member believes to be untrue, incomplete or incorrect, it does not constitute a breach of privilege."

* Speech not corrected.

My contention is that the charges that I have brought are based on facts and I have documents, and I had taken permission from you to bring in these charges. Documents are there with me to prove all the allegations. Therefore, my submission is that the allegations brought by me do not constitute a breach of privilege. If you would like to examine the documents, Sir, I may place them before you. All the documents are authenticated documents.

Then, Sir, the petition is out of order. In the first place it has been mentioned "Shri Barua in the course of his speech delivered yesterday on the debate on Governor's address alleged that the Police of Gauhati committed great atrocities on some boys on the 3rd of November, 1975. by arresting them and putting them on ice and cell for 9/10 days at my instance." Sir, we remember very well that yesterday when the Chief Minister used the very word exageration, from our side we clarified the position and Chief Minister agreed to enquire/into the matter and place before the House during this Session. So, this cannot be the subject matter. Therefore, this petition is out of order.

Sir, As I have already said that my intention of brings these charges is not to maligs anybody, not to put any slur on anybody but I must say what is true and still I stand on my own footing. Sir, the allegations which I have brought against Shri Hiteswar Saikia, one of

the prominent member of the Cabinet, the Home Minister are true. Therefore, Sir, my submission is that you may kindly examine the document and if you are satisfied then you take your own decision. In this connection, I must submit that my intention was not motivated because we are here to point out the defects and if we also commit something wrong we must try to rectify. We are not concerned with any individual but we are concerned with office, the most important office is held by shri Hiteswar Saikia. Shri Saikia has misused his power as a Home Minister during the Election, during the Emergency. Sir, yesterday I did not get much time to read out all the important documents. Sir, I have got all the important documents and evidences with me.

Sir, I submit that first point should be rejected on the ground that the matter is under enquiry by the Chief Minister, Sir, if you do not consider that point then my submission is that you can kindly go through the important documents that I am having with me.

* Shri GAURISHANKAR BHATTACHARYYA : Sir, may I speak a few words under Rule 169 on this matter. Sir, it is true that the period of election is a very exciting period. It has got some utility also that people take so much interest in Election and when people take so much interest sometimes there may be a little overexuberance on somebody's part. But time is the

* Speech not corrected.

best healer and gradually cooling down and we come to our calm. In regard to the latest election, which was really historic, it is natural that feelings should be even going higher than usual. But that is not on which I want to take the time of the House. Here the Honourable Home Minister has brought the matter as a question of breach of previlege. I beg to submit that the Honourable Home Minister as a member of this House has as much privilege as any other member and if his functioning as a member of this House is hampered or interfered or obstructed by anybody naturally he may raise a question of privilege. But one thing must be remembered first of all generally regarding all of us and secondly particularly with regard to those who hold power. Generally speaking those of us who take to public life simply prepared not only garlands but also for brickbats. It is not always that we are received with garlands. Sometimes we are received with brickbats as well. That is the part of public life and that is as a matter of fact the best of democracy. If somebody after getting elected becomes immune of public criticism either in Press or Platform, then democracy cannot survive. It is our duty to remember that in public life there are not only a dorations but also risks and we should be prepared to fact it. But apart from facing such risks as a member, there is a special responsibility of a Minister and above all the Home Minister. Now everybody knows that the officers at different levels of the Government -

they do certain administrative things and always their actions become subject matter of discussion in this House. The respective and specific officers cannot come to the House and cannot defend themselves. Therefore, while on the one hand members are free to criticise officers, they should be cautious in doing so. Sir, whenever they criticise any officer or any official act the members should have sufficient materials, dependable materials in hand. The Minister of the Department should remember that he always has the collective responsibility for the act of every single officer serving in his Department and if anything wrong is done by that officer serving in his Department he is answereable to the House and to the Country. That is not only a responsibility but I should submit that in public life we should take it as a great privilege. So, I, for one would have taken it rather as a privilege than breach of privilege as a Minister that so far as the actions of my Department is concerned, my shoulders are broad enough and my backbones are strong enough to take entire responsibility for everything in my Department on my own shoulders. Now, Sir, I was amused to see the specific grievances brought by the Honourable Minister as substantiating factors for his motion for breach of Privilege. The first point that he has brought was with regard to the police attrocities committed on certain young men at Gauhati in connection with the so-called conference of some Lawyers for giving legal aid allegedly to the poor.

Now, the Home Minister has taken exception that the Hon'ble Member has said that was done at his instance. Well, if the police acted not at the instance of the Home Minister then at whose instance did they act? The police have broken the bones of some young men and inflicted compound fracture maiming them for the whole of their life. If the Home Ministry presided over by the Home Minister is not responsible for this then who-else is responsible? The Minister cannot say that he is quite innocent and he does not know anything about it. First of all, it is common knowledge that during that conference, the Minister was present at or near about the place. Secondly, when these young-men were arrested they were beaten and their bones were broken and they were examined by the Government doctors and that they had instituted a case from within the jail against that particular police Officer who had broken their bones. His name was Choudhury or something like that. He was Additional S.P., I.B. and so, a specific case was brought against this Police Officer who had broken their bones. This Choudhury was serving under the Home Ministry and a regular complaint was made, a case was registered in the court of the Chief Judicial Magistrate, Gauhati. If the Minister it is with very first fact. At the very first instance the Minister said these are malicious, these are incorrect, motivated, deliberate, full of malice. I beg to submit, Sir,- Can the Minister say that these facts are

motivated, deliberately false, malicious? Well. I have nothing against the Minister as individual. I do not want to drag him personally but why the Minister did not allow prosecution? If his officer was innocent, if the boys were not beaten, if their bones were not broken, compound fracture would not have caused and if all these allegations were false, malicious, baseless and what not, the court would have come to such a finding, and the banner of the Home Minister would have been flying high. But for bringing this allegation he would be publicly ridiculed from the fact that prosecution was refused by the government. What more and what better records of an allegation can there be? So Sir, I do not understand how this first complaint by the Minister can stand the scrutiny for being admitted as a Motion of Breach of Privilege. Sir, the second point—

Shri HITESWAR SAIKIA (Minister) : Sir, I do not know anything about it.

*Shri GAURISANKAR BHATTACHARYYA : I am not at all concerned about the individuals and personally my heart will grief. I have personal feeling and love and affection and regard and respect for the young intelligent Minister because I have so much of love. I feel deeply grief that such an allegation should be brought against him. I feel deeply grief from the heart of hearts. I wish that he rises higher and

* Speech not corrected.

higher in public estimation. But for doing that he must prove his medal. If he faces the public if he faces the court or if his Officer faces the court it will be proved that the administration, the police administration ran so amuck in those days of emergency that in the name of giving legal aid to the poor people, these poor young men were mercilessly beaten, they were dragged to the cells, put them in ice, their bones were broken and yet a trial is not held by the Home Minister.

Shri DULAL CHANDRA BARUA : Shame, shame.

*Shri GAURI SANKAR BHATTACHARYYA : Sir, that is a serious allegation. Sir, the second thing is that a serious allegation nas been brought by Shri Barua that certain vehicles of Jorhat and Sibsagar were requisitioned at the instance of the Minister.

I do not know whether the Minister of Home has got the overall responsibility and power to requisition such vehicles or not. I also do not know whether he did it or not but Mr. Barua has said in his speech itself that he has got documents to prove it and he has offered it to-day that he will place these documents for your kind consideration and persual. I would invite the Hon'ble Minister that he may be pleased to make a statement on this and to see whether even after going through these documents, he still maintains

* Speech not corrected.

that the allegations are false. So far as I am concerned, I have got absolutely no personal knowledge on this matter because I do not know about the requisitioning or otherwise of the vehicles for the purposes not in conformity with the law and propriety. Well this is a matter which he should only know after examining the documents and I hope, trust and believe that you may be pleased to give the Minister also an opportunity to examine those papers and documents and copies thereof. Sir, the third ground which he brought, well as a matter of privilege mentioned by Shri Barua that certain police vehicles were used for carrying liquors and money for the tea garden population with a view to influence voters. Sir I do not understand how these can be a matter of privilege for the Hon'ble Minister. Sir, he has also given another ground that on the 15th of March, 1977 the list of Presiding Officers was changed and in some key posts some 'yes-men' were posted. Can the Minister or the government deny that some Officers were not changed? Whether it is a fact or not, I would like to ask from the government that there were some changes made with regard to the Presiding Officers on or about 15th March, 1977 for grounds best known to them. Now, Sir, if certain changes were made at the last moment, and that this fact is knownto us also, the people will form their own opinion. But what Mr. Barua says is that the change was made in order to bring some yes-men of the government. He gave instances

but so far, as the fact is concerned, if the fact is not denied or cannot be denied then the people will form their own opinion about it. Somebody may say that it was in the interest of the Election so that the election is free and fair, so that there may not be any suspicion whatsoever; someother may form the contrary cpinion. At any rate I do not find this to be a ground for a motion for a breach of privilege of this House. He has cited another instance. That instance is with regard to a particular polling agent of the Janata Party and he was being taken into custody at Geleky Police Outpost and then taken to Nazira. These are very specific facts or alleged facts. Now, if the Minister thinks that these are not facts he has got every right to say that these are not facts and if he makes a statement in the House, the House will have to accept it. But so far as the Election Commission or the election petition is concerned, or the Court of Law is concerned, this will remain free. So if the Minister asserts that these are not facts he may do so and the House is to accept it. But simply because he may make a statement that does not mean that someboby cannot bring that allegation if he on his part thinks or knows it to be a fact,

Sir, I beg to submit that in the absence of a categorical denial of the Minister either of his lack of knowledge in the matter or of his innocence, I do not feel Sir, that this can be a subject matter of a motion for breach of pri-

vilege. Then he also brought another instance, a specific instance of 17th March, that on that day he had gone to Geleky Tea Estate and he had attended a meeting and thereafter he started distributing money and wine to the people through one Shri Karm Goala. This is a very specific allegation and I hope when Mr. Baruah brought this allegation he has proper document or realiable evidence with regard to the specific charge. It will be meet and proper on his part to satisfy you that he has every reason or reasonable grounds in saying so on the floor of the House. This is one part. On the other hand if the Minister is sure himself that these are false he has got every right to say on the floor of the House itself that these are all false allegations. And if he asserts that the House cannot be converted into a court of law and cannot go for a trial into the matter, his statement must be accepted. Similarly, he has given another instance of that day itself-17th March. This is also with regard to money and wine relating to another Tea Estate- Lakuwa Tea Estate and through someother agency. I beg to submit the same, as my observations with regard to these as well.

Then lastly, he had said something with regard to his brother and he is going with his brother to Samonbari Tea Estate on 18th of March, 1977 armed with revolver in the vehicles. Nos NLK 4271 and ASW 2501 and threatening the people with dire consequences

if they do not vote for the Congress. Sir, we know that if one has got a licence he can carry a revolver— but if he does not have a licence he cannot carry a revolver even if he is a Minister If he denies going there by these vehicles we are to accept it, - but, he has to make a specific denial and not just a omnibus paragraph-saying that all these allegations made or brought by Mr. Baruah are incorrect, motivated, deliberate or malicious. That is too general a statement to be accepted on such a motion. Because you will appreciate Sir, that the Privilege Motion is a very special thing, and we are not expected to be so thin skinned as to rise immediately and seek protection of privilege so that nothing can be said, nothing can be discussed and nothing can be criticised. Particularly of those who took the responsibility of the Govt. Sir, it is a common knowledge that dire consequencs were threatened by those who were holding power at that time, that if people vote Janata Party or does not vote for Congress to power then there will be chaos and what not in the country. There will be no stable Govt. and there will be no good Govt. and also many other things were said, from highest quarter to the lowest quarter—and yet the people have decided not to vote the Congress to power. The India has not gone to dogs, India has not gone to hell. At that time many people made many claims and naturally many people have resented those claims and I think along with end of the election and the resu-

its published, they ought to end. But then Sir, I will again submit that everybody should be protected so far as his character is concerned and discussions in this House should not be muzzled while ventilating grievances and bringing criticisms, even if some time they be a little sharp and unpalatable. I think these should not be muzzled or should not be obstructed as that is really a breach of privilege of the House. I hope the Minister will kindly consider this in cooler moment and in a still cooler manner whether by raising this, by giving this notice, he himself not indirectly attacking upon the privilege of the House to have frank, free and sometimes even exaggrated discussion in the House.

Mr. SPEAKER : Have you got anything to say. He wants a gesture from you.

Shri HITESWAR SAIKIA : (Minister) I do not have anything to say at the moment.

*Shri SANTI RANJAN DAS GUPTA : Mr. Speaker Sir, I want to speak a few words on this debate. (Voices : It is not a debate). Anyway it is discussion on a question of breach of privilege. I want to know from Mr. Baruah and from Mr. Bhattacharyya why Mr. Baruah has made all these objectionable charges during the course of his discussion on the Governor's address. Why Mr. Baruah did not take recourse to rule

---

* Speech not corrected.

279, clause I, sub-clause (ii) to (v) because it was open to any Member to charge any Minister when they hold public offices. There is no bar in bringing any charge against any Minister but that must be done by a substantive Motion. It is said in Rule 279, Clause (1), Sub-clause (v) that— "A member while speaking shall not reflect upon the conduct of person in high authority unless the discussion is based on a substantive motion drawn in proper term" Then, again in Rule 279 A it is said—"No allegation of a defamatory or incriminatory nature shall be made by a member against any person unless the member has given previous intimation to the Speaker and also the Minister concerned...". Now as the Home Minister is a Minister of this House, therefore, making any charge against him that should have been done with substantive motion. Therefore, I want to say that these charges brought by hon'ble member, Shri Barua, could have been brought with a proper Motion. I want clarification on this point.

*Shri DULAL CHANDRA BARUA : I am really thankful to the hon'ble member who was once sitting in this side of the House for becoming so much vocal. Sir, I have got a very little knowledge about the Rules and Procedure. If I could follow the hon'ble member, I think, he was speaking about a substantive motion. Sir, these charges against the Minister were brought when discussion was going on the

* Speech not corrected.

Motion brought on Governor's Address, So, there was no necessity of bringing another motion. Now, about the intimation to the Speaker, I should say that, I intimated the hon'ble Speaker that I shall bring some charges against a Minister at appropriate time, and I think, concerned hon'ble Minister was also duly informed of this from the side of Hon'ble Speaker. Sir, I am not bringing all these allegations out of malice against anybody. I am not concerned with any individual because all are our friends and brothers. The question is about misuse of office.

Shri **SYED AHMED ALI** (Minister) : Sir, may I say a few words ? At the first instance hon'ble member, Shri Barua has quoted ruling from Kaul's Parliamentary Practice. It is said there, Sir, "if any statement is made on the floor of the House by a Member or a Minister which another member believes to be untrue, incomplete or incorrect it does not constitute a breach of privilege." It is quite correct, Sir. But in the second para it is quite different. It is said there- "A breach of privilege can arise only when a member or the Minister makes a false statement or incorrect statement willfully, deliberately and knowingly............" Now, hon'ble Minister, Shri Saikia, he has asserted in his notice that all these allegations are incorrect, motivated and deliberate. If his statement is taken to be correct, then Sir, a breach of privilege as tabled in the House appears to be in order. I am not saying this at this stage.

But my point is what is the alternative before the House. Sir, hon'ble member, Shri Barua has referred to Rule 161. But under Rule 162, my submission is that if you hold the matter proposed to be discussed in order ............ Now to be in order what are the ingradient necessary. It has also been stated in the written notice that yesterday some allegations which are of very serious nature as stated by the hon'ble Minister brought against him which he challenged to be deliberate and incorrect, Now, whether such allegations have been made, that will be evident from the proceedings of the house, if you please go through the proceedings. And, also I do not believe that Mr. Barua will deny that he has made those allegations. Now the point is when Minister has challenged these allegations to be untrue, who is to d.cide this, who is to determine whose statement is correct. In order to determine this it necessitates to be substantiated by document, facts, evidence of witnesses. Sir, both are verbal. No document has been furnished. On the one hand Mr. Barua has charged the Minister with serious allegations, while on the other the Minister has challenged it. Now, Sir, this can be substantiated only by document and personal evidences, because it has been alleged that money and wine have been distributed through one Karma Goala. So, unless we take the evidence of Karma Goala how all this things will be substantiated. So apart from documentary evidence, personal evidence is also necessary. Therefore, Sir, it is not possible on

the part of this House to call Karma Goala here and go through all the details, take evidence, verify and investigate documents and it is also not physically possible. So, the other alternative is Sir, if you take this notice to be in order under Rule 162 which reads "If the Speaker holds the matter proposed to be discussed in order, he shall refer it to the Committee of Privilege for reports within a period to be specified .......... " So, Sir, this matter may be referred to the Committee of Privileges.

* Shri DULAL CHANDRA BARUA : Sir, hon'ble Minister for Parliamentary Affairs has referred to Kaul's Parliamentary Practice wherein it is stated—"A breach of privilege can arise only when a member or the Minister makes a false statement or incorrect statement, willfully, deliberately and knowingly." To this I have already said that it is not willful, it is not deliberate, it is not knowingly and it is not incorrect. I have also said that I stand firm and the allegations are based on proper documents. Sir, to my knowledge these are true and you will also be convinced if you please go through the documents. Now, it is up to you, Sir, to decide the matter. Another point, the hon'ble Minister did not touch, that is the first charge. That the Chief Minister has assured the House to enquire into the first allegation, and now how it can become a part of evidence at this stage. Therefore. at the first instance it appears to be out of order.

* Speech not corrected.

Shri SYED AHMED ALI (Minister) : Sir, in this regard I beg to submit that Mr. Barua has stated some facts, some alleged facts and he has implicated the hon'ble Home Minister that at his instance all these incidents had happened. That is what he has challenged. These facts may or may not be true. For that the Chief Minister has assured the House that he will enquire into these affairs, the atrocities committed by the police or other officers. As regards the allegations brought by Mr Barua implicating the Home Minister, the Home Minister asserted that these are not true and that is why he has challenged that all these alleged to have been happened not in his instance or under his direction.

Mr. SPEAKER : Notice has been given by the Home Minister under Rule 159. Now as Speaker I have to decide whether there has been a prima facie case or not. From the uncorrected proceedings which have been submitted to me I find that some allegations were made- some serious allegations were made by Mr. Barua in his speech. He gave me notice under Rule 159 that he will make certain allegations against Shri Saikia and some other hon'ble members. I also intimated that to the members concerned. He ( Mr. Barua ) wrote to me that he takes full responsibility of the allegations he will make and those allegations will be supported by documents. Therefore, my duty is to decide whether there is a prima facie case or not. Under Rule 176 of the Rules

of Procedure and Conduct of Business in the Assam Legislative Assembly which runs as "Not withstanding anything contained in these Rules, the Speaker may refer any question of privilege to the Committee of Privileges for examination, investigation and report". I think when allegations have been made and he has got documents to support the allegations, the proper forum to deal with the matter is not the House or the Speaker, but the Committee on Privileges. Therefore, under Rule 176, I refer the matter to the Committee on Privileges to go into the matter and report within 30th July, 1977.

Next Mr. Sudarsan Das.

## MISCELLANEOUS MATTER

* শ্রীসুদর্শন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, গত কাল বিভিন্ন সংবাদ পত্রে প্রকাশিত খবরের উপর আমি মাননীয় মুখ্যমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করছি। বিশেষ করে আজ 'অল্ ইণ্ডিয়া রেডিও'তে যে খবর প্রকাশিত হয়েছে তাতে জানা গেল কাছাড় জেলায় অবিরাম বৃষ্টি হয়ে চলেছে। বিশেষ করে শিলচর মহকুমার লংগাই নদী, সোনাই নদী, হাইলাকান্দি মহকুমার কাটাখাল নদী, করিমগঞ্জ মহকুমায় সিংলা নদীর জল বিপদসীমা অতিক্রম করেছে। ফলে কাছাড় জেলার বিস্তত অঞ্চল জলমগ্ন হয়েছে। সমস্ত বুরো ধান জলের তলায় গিয়েছে। ইতিমধ্যে গৌহাটী থেকে কাছাড়ের বন্যা সম্পর্কে যুগান্তর পত্রিকার সংবাদ দাতা বিগত ৪ তারিখের যুগান্তর পত্রিকায় এই ভাবে প্রকাশ করেছেন—

* Speech not corrected.

"কাছাড় জেলায় গত চাৰি দিন ধরে অঘোরে বৃষ্টি হচ্ছে। ফলে এখানকার দুটি নদী সিংলা ও লংগাই আজ বিপদসীমা অতিক্রম করেছে। সঙ্গে সঙ্গে করিমগঞ্জ চহর ও চহর তলীর বিস্তীর্ণ নীচু এলাকা এখন জলের তলায়। সরকারী সূত্রে একথা জানানো হয়েছে।"

আর একটী সংবাদে প্রকাশ হয়েছে —

"ঘুনিবড়ে কাছাড়ে জীবন যাত্রা ব্যাহত"

"গত শুক্রবার কাছাড় জেলায় বৃষ্টিপাত ও ঘুনিবড়ের ফলে চহরের স্বাভাবিক জীবন যাত্রা ব্যাহত হয়। শিলচর ও কলকাতার মধ্যে বিমান চলাচল বাতিল করে দেওয়া হয়। জেলার নদী গুলির জলস্তর বৃদ্ধি পায়। সিংলা নদীর জলস্তর বিপদ সীমা স্পর্শ করে। জল জমে যাও যায় নীচু এলাকার অধিবাসীদের চরম দুর্গতি ভোগ করতে হয়। শনবিল এলাকায় বুরো ধানের ব্যাপক ক্ষতি হয়। সম্পত্তি ও জীবন হানির কোন খবর পাওয়া যায়নি।"

মহোদয়, এমতাবস্থায় আমি মাননীয় মুখ্য মন্ত্রী মহোদয়কে অনুরোধ কৰি তিনি যেন প্রকৃত তথ্য সংগ্রহ করে একটি বিস্তৃত বিবরণ এই সদনে দাখিল করেন।

শ্রীশৰৎ চন্দ্র সিংহ (মুখ্যমন্ত্রী) ঃ উপাধ্যক্ষ মহোদয়, এর ব্যবস্থা করা হচ্ছে।

## PRESENTATION OF REPORTS OF LEGISLA TURE COMMITTEE

(At. 11-55 A. M. Mr. Speaker left the Chamber and Mr. Deputy Speaker took the Chair).

Mr. DEPUTY SPEAKER : We come to item No. 2... Yes, Mr. Saharia ?

Shri RAMESH CHANDRA SAHARIA : Sir, I beg to present the Twenty-ninth (part II) Report of the Committee on Estimates.

Mr. DEPUTY SPEAKER : Item No. 3

Shri RAMESH CHANDRA SAHARIA : Sir, I beg to present the Thirtith Report of the Committee on Estimates.

Mr. DEPUTY SPEAKER : Item No. 4.

Shri RAMESH CHANDRA SAHARIA : Sir, I beg to present the Thirty-first Report of the Committee on Estimates. As the printed Report is not yet available the draft Report has been placed on the table of the hon'ble members.

Mr. DEPUTY SPEAKER : Item No, 5. Mr. Soneswar Bora.

## THE ASSAM STATE TRANSPORT CORPORATION (PREVENTION OF UNAUTHORISED TRAVEL) BILL, 1977

শ্ৰীসোনেশ্বৰ বৰা : উপাধ্যক্ষ মহোদয়, টিকেটবিহীন যাত্ৰীৰ ওপৰত শাস্তি বিহিবলৈ যিখন বিল অনা হৈছে সেই বিলখনৰ ওপৰত মই যোৱা ৪ তাৰিখেও আলোচনা কৰিছিলো।

উপাধ্যক্ষ মহোদয়, এই বিভাগটো দুৰ্নীতিৰ এটা গহবৰ হৈ পৰিছে। তাত অকনো ভুল নাই। কিছুদিন আগতে যোৰহাটত

জাল টিকেট ছপা কৰি, বিভিন্ন কৰ্ম্মচাৰী সকলে এটা চক্ৰান্ত মূলক চক্ৰ গঢ়ি বহুত ধন ঘটিলে। তাৰ ইয়ত্তা আজিলৈকে পোৱা নহ'ল। এই সম্পৰ্কে দুই চাৰিজন নিম্ন খাপৰ কৰ্ম্মচাৰীক অদল-বদল কৰা বা সাময়িক বৰ্খাস্ত কৰাই সমস্যাটোৰ সমাধান নহয়। এই তথ্য-পাতি বিলাক প্ৰকাশ হব লাগে। এই ক্ষেত্ৰত যে ওপৰৰ এচাম কৰ্ম্মচাৰীও লিপ্ত আছিল তাত সন্দেহ নাই। চৰকাৰী বাছত জাল টিকট কৰি ধন উপাৰ্জন কৰাটো সাঁথৰ হৈয়ে থাকিল। ইয়াৰ এটা স্পষ্ট জবাব বা সমিধান আমি বিচাৰিছো। ইয়াৰ ফাক্ট মাৰিব পাৰিলে বা উৰাহ-দিহ উলিয়াব লাগিব; কিন্তু তাৰ উপযুক্ত ব্যৱস্থা কৰিব লাগিব। সেইটো কৰিব নোৱাৰিলে যিমানেই টিকেট বিহীন যাত্ৰীৰ ওপৰত শাস্তি বিধান কৰিবলৈ বিল নানক কিয় তাৰ পৰা ভাল কাম পাম বুলি আশা কৰিব নোৱাৰি।

মাননীয় উপাধ্যক্ষ মহোদয় এনে বহুতো বিলাক কথা আমি এই বিধান সভাৰ মজিয়াত বিভিন্ন সময়ত আলোচনা আদি কৰি আহিছোঁ। ৰাষ্ট্ৰীয়কৃত পথৰ ওপৰত প্ৰাইভেট বাছৰ অবাধ প্ৰচলন। বে-চৰকাৰী বাছৰ নামত, ৰিজাৰ্ভ বাছৰ নামত যাত্ৰী কঢ়িয়াই পৰিবহন বিভাগক লাভহীন কৰা হৈছে আৰু সেইটো পতিয়ন নিয়োৱাৰ পিছত চৰকাৰী বাছ উঠাই নিয়াও দেখিছোঁ। কিন্তু ইয়াৰ ভিতৰত এনেকুৱা কিছুমান চক্ৰান্ত আছে যাৰ ফলত কিছুমান লোকে এই কাম বিলাক কৰি আছে।

(সদনত থুলৰ অভাৱ)

উপাধ্যক্ষ মহোদয়, এনেকৈ বাছ বিলাক চলাৰ যিটো অজুহাট হৈ পৰিছে ইয়াৰ কাৰণ হৈছে যে, বিভিন্ন সময়ত চৰকাৰৰ পৰা সেই সকল লোকে উদগনি পায়। ইয়াৰ আগৰ কেন্দ্ৰত থকা কংগ্ৰেছ চৰকাৰৰ আমোলত যেতিয়া প্ৰধান মন্ত্ৰী, কংগ্ৰেছ প্ৰেচিডেন্ট

আদি লোকৰ আগমন হয় তেতিয়া বিনা পইছাৰে বিভিন্ন ঠাইৰ পৰা বাহত যাত্ৰী সকল অনাৰ যি ব্যৱস্থা কৰা হৈছিল তেতিয়াই আইন কানুন বিসৰ্জন দিয়া তেনেকুৱা এটা ক্ষণতে এই সকল বিষয়াৰ এই ভাবটোৰ সৃষ্টি হৈছিল। তেনেকুৱা এটা অশুভ ক্ষণতে এই অসৎ পথ লোৱাৰ যি এটা সুবিধা পালে সেইটো পিছত পৰিহাৰ কৰিব নোৱাৰা হয়। অকল সিমানেই নহয়। যেতিয়া কোনো এটা ৰাস্তাত প্ৰাইভেট বাছ উঠাই চৰকাৰী বাছ চলাবলৈ মনস্থ কৰা হয় তেতিয়া প্ৰাইভেট বাছৰ মালিক সকলে চৰকাৰৰ বিষয়া সকলৰ লগত হাত-বাত কৰি চৰকাৰী বাছ চলিলে লোকছান হব ইত্যাদি কথা বিলাক তথ্য পাতিৰে দেখুৱাই চৰকাৰী বাছ চলিবলৈ নিদিয়াৰ ব্যৱস্থা কৰি প্ৰাইভেট বাছকে চলাই থাকিবলৈ দিয়া হয়। বাছৰ মালিক সকলো চৰকাৰৰ অনুগত লোক হৈ পৰে আৰু পাৰমিট আদি দিয়াৰ ক্ষেত্ৰটো দলীয় স্বাৰ্থ আদি ৰক্ষা কৰি দিয়া হয় যাৰ ফলত এক অংশ টকা দলক দান বৰঙণি হিচাবে দি থাকে। সেইকাৰণেই সেইবিলাক সুবিধা প্ৰাইভেট বাছৰ মালিক বিলাকক দি থাকে। এইধৰণেৰেই চৰকাৰী বাছ চলালে লোকচান হব ইত্যাদি কথা কৈ শেষত চৰকাৰী বাছ নচলোৱাৰ সিদ্ধান্ত কৰা হয়। উদাহৰণ স্বৰূপে মই গোলাঘাট-মেৰাপানী এই এন, ই, চিৰ ৰাস্তাটোত চৰকাৰী বাছ চলাবৰ কাৰণে ভালে দিনৰ পৰা কৈ থকা হৈছিল আৰু আমাৰ বিভাগীয় মাননীয় মন্ত্ৰী মহোদয়েও সেইটোৰ আশ্বাস দিছিল যে, ডিচেম্বৰতে এইটো কৰা হব। ডিচেম্বৰৰ এক তাৰিখেই এই ৰাস্তাত চৰকাৰী বাছ চলোৱা হব বুলি কোৱা স্বত্বেও আজি এপ্ৰিল মাহো শেষ হবৰ হলহি কিন্তু আজিলৈকে সেই বাছ নচলিল। প্ৰাইভেট বাছৰ মালিক বিলাক নতুনকৈ ধনী হোৱা কংগ্ৰেছী লোক। মই বিশেষকৈ গোলাঘাটৰ কথাকে কৈছোঁ, এই মালিক সকলে মুখৰ আগতে টিলিকিমাৰি কয় যে, চৰকাৰ আমাৰ জেপৰ ভিতৰত। ক'ত কি বাছ চলালে

লাভ-লোকচান হব সেই বিলাক নির্দ্দেশ আমিয়েই চৰকাৰক দিওঁ। গতিকেই এই বিলাক কথাৰ পৰাই বুজিব লাগিব যে চৰকাৰৰ ভিতৰত কিছুমান চক্ৰান্ত আছে। গতিকেই এইবিলাক যাতে হব নোৱাৰে তাৰ কাৰণে চৰকাৰী যন্ত্ৰটোক নিকা কৰিবৰ কাৰণে মই আমাৰ চৰকাৰক অনুৰোধ কৰিছোঁ। যাত্ৰী যাতে বেছি নিব নোৱাৰে সেইবিলাক চাবৰ কাৰণে চেক কৰিবলৈ অফিচাৰো আছে। ইয়াৰ দায়িত্ব দুই শ্ৰেণী লোকৰ হাতত আছে, পুলিচৰ হাতত থাকে আৰু এবিধ বিভাগীয় চৰকাৰী বিষয়াৰ হাতত থাকে। পুলিচৰ পইছাৰ দৰ্কাৰ হলেই গাড়ী চেক্ কৰাৰ আৰম্ভ কৰে আৰু বাছৰ যাত্ৰীৰ সমৰ্থন পাবলৈ সাক্ষী বাদী লৈ কেছ লিখি লয়। এনেকৈ যিমান কেছ লিখি লয় সেইবিলাকৰ কিন্তু একো কেছ কৰ্ট নেপায়গৈ। এইদৰে পুলিচ বিলাকে কেছ কৰাৰ ভয় দেখুৱাই মালিক সকলৰ পৰা নিজৰ দম্ৰহাতকৈও বেছি টকা আদায় কৰিবৰ কাৰণে ব্যৱস্থা চলি থকা দেখা যায়। যিবিলাক 'এন্ফোৰ্চমেন্ট-অফিচাৰ' নিয়োগ কৰা হয় সেইবিলাকে প্ৰকৃততে যাত্ৰী সকলক নিয়ন্ত্ৰণ কৰা দেখা নেযায়। এইবিলাক বিষয়ত নজৰ কৰি ৰিপৰ্ট কৰিবৰ কাৰণে এবিধ মানুহৰ সৃষ্টি কৰা হৈছিল আৰু এম, এল, এ, সকলৰ নিজা পচণ্ড অনুযায়ী মানুহৰ নাম থিক কৰিবলৈ দিছিল। সেই বিষয়ত মই কৈছিলোঁ যে মোৰ সমষ্টিত তেনেকুৱা মানুহ বিচাৰি পোৱা নাই। অহাযোৱা কৰি থকা মানুহ হিচাবে ময়েই দিবলগীয়া পৰামৰ্শবিলাক দিব পাৰিম। কিন্তু কথা কোৱাৰ পিছত আজিলৈকে সেই দায়িত্ব দিয়া নহল। অৱশ্যে আন সকল বিধানসভাৰ সদস্যাই কি কৰিছে সেইটো নেজানো। কিছুমান যে এনেধৰণৰ লোক নিয়োগ কৰা হৈছে সঁচা কিন্তু তেওঁলোকৰ পৰা কি ভাল বেয়া ফল পালে সেইটো হলে নেজানিলোঁ।

ইয়াৰ বাহিৰেও বাছত কিছুমান উদ্ভন্দালি দেখাপোৱা যায়। উদাহৰণ স্বৰূপে গুৱাহাটীৰ চিটিবাছৰ কথাকে আঙুলিয়াব পাৰি। চৰকাৰী চিটিবাছেই হওঁক বা বে-চৰকাৰী প্ৰাইভেট চিটিবাছেই হওঁক সকলোবিলাকটো চৰকাৰৰ নিয়ন্ত্ৰণতেই থাকে।

প্ৰাইভেট চিটিবাছ বিলাকত ড্ৰাইভাৰে বেছি কথা নকলেও বাছৰ হেণ্ডিমেন বা বাছত ওলমি যোৱা বা কাম কৰা কিছুমান লোকে যাত্ৰীসকলক অভদ্ৰামী ব্যৱহাৰ কৰে আৰু কিছুমান অভদ্ৰামী কথা কয়। অভদ্ৰামী ভাষা প্ৰয়োগ কৰি জিয়ৰী বোৱাৰী নমনাকৈ কয়ঃ বাছত বহুতো জিয়ৰী বোৱাৰীও যাত্ৰা কৰে –– সেইবিলাকত আমি এনে বিলাক অসৎ ব্যৱহাৰ দেখিবলৈ পাওঁঃ আনকি গুৱাহাটীৰ চিটি বাছত উঠোতেও এনে ধৰণৰ কথা আমি শুনিবলৈ পাইছো — গুৱাহাটীৰ দৰে এখন মহানগৰীত য'ত সভ্যমানুহে ভৰ্ত্তি থকা বুলি ভবা হয় তাত এনে ধৰণৰ কথা শুনিবলৈ পোৱাতো বৰ দুখৰ বিষয়।

আনফালে যাত্ৰীসকলে বাছত কাজিয়া কৰাবো কোনো থল নাই বা কিয় যাত্ৰীসকলে কাজিয়া কৰিব ? তেওঁলোকে এঠাইৰ পৰা আন ঠাইলৈ শুভযাত্ৰা কৰি ওলাই আহি বাছত উঠে—তেনেস্থলত মাজতে বা বাছত কাজিয়া কৰাতো কোনেও কামনা নকৰে। কিন্তু পৰিচালক সকলৰ পৰা তেনে অশোভনীয় কথা বহুতো সময়ত শুনিবলৈ পোৱা আমি দেখা পাওঁ।

তেনেকৈয়ে বাছবিলাকৰ পাৰমিট, দিয়াৰ ক্ষেত্ৰতো বহুত বেমেজালি আছে। মই আগতেই উল্লেখ কৰিছো যে ৰাষ্ট্ৰীয় পথত বহুত প্ৰাইভেট বজাৰ বাছবিলাক চলোৱা হয়, সেই বাছবিলাক যি ঠাইৰ পৰা যাত্ৰা কৰি যি ঠাইলৈ যাত্ৰা কৰিছে সেই ঠাইত বা

সেই বজাৰত নামিবলৈ সুবিধা দিয়া হৈছে ঃ কিন্তু মাজতে য'ত যাত্ৰী তুলিবলগীয়া নহয় তাতো যাত্ৰী তুলি তেনে অৱস্থা কৰা হৈছে বুলি বহুতো মাননীয় সদস্যই কৈছে আৰু আমি এই কথা বহুতো সময়ত এই সদনতেই দাবী কৰিছিলো যে বজাৰ বাছ বিলাক বা অন্যান্য বাছ বিলাকৰ বাবে মাত্ৰ সপ্তাহত দুদিন চলাবৰ কাৰণে কিছুমানৰ পাৰমিট্ দিয়া থাকে — কিন্তু দুটা বাৰৰ কথা বাদ দি সাত দিনেই বা গোটেই সপ্তাহেই বজাৰৰ বাছ চলি থাকে — আমাৰ গোলাঘাটতে যিবিলাক বাছ চলি আছে সেইবিলাকে তেনেকৈয়ে চলাই আছে। আমাৰ মাননীয় সদস্যসকলে এই কথা বাৰে বাৰে আলোচনা কৰিছে — গতিকে সকলো ঠাইতে একে অৱস্থাই হৈছে। গতিকে আমাৰ চৰকাৰে সেইবিলাকৰ ওপৰত চোকা নজৰ ৰাখিব লাগে। যাতে পৰিবহণ বিভাগ কোনো ৰকমেই লোকচান হব লগা নহয়। চিটি-বাছত টিকট্ নোহোৱা যাত্ৰী চলি থকাৰ কথা ওলাইছে। আমি সিদিনাও কৈছিলো যে চিটিবাছ বিলাকত ড্ৰাইভাৰ আছে, কনডাক্টৰ আছে আৰু দুজনমান ওলমি যোৱা লোক আছে — তথাপিও বিনা টিকটত কেনেকৈ যাত্ৰা কৰিব পাৰে ? সাধাৰণতে ৰাষ্ট্ৰীয় পথবিলাকত যিবিলাক বাছ চলে সেইবিলাক মাত্ৰ চাৰি, ছয় মাইলৰ ভিতৰত ষ্টেচন থাকে। এই চাৰি ছয় মাইলৰ ভিতৰতো টিকট কৰিব নোৱাৰা কথাটো কেতিয়াও হব নোৱাৰে। ইয়াত দোষ আছে কিন্তু যাত্ৰীজনৰ নহয় ঃ যাত্ৰী কঢ়িয়াই নিয়াজনৰ কিবা অভিসন্ধি থকাটো সচাঁ কথা। গতিকে এইগোটেই বিলাক কথা লক্ষ্য ৰাখি পৰিবহণ বিভাগটো পৰিস্কাৰ আৰু নিকা কৰিবলৈ দাবী জনাই মোৰ বক্তব্য সামৰিলোঁ।

Shri GIASUDDIN AHMED : Mr. Dy. Speaker, Sir, in the statement of Objects and Reasons it has been mentioned that the ticketless travel in the

State Transport buses is a social evil, and to check this social evil this Bill has been presented before this House. Of course, I have nothing to say against the provisions made in this Bill, but I should like to submit that this is a negative approach to this problem of social evil of ticketless travel. Some punishment has been prescribed under Sec-6 and 7 of this Bill, and ticketless travel has been prophibited under Sec-3. Under sec-3, it has been stated—"No person shall travel in any transport vehicle without proper ticket issued for the journey". And under sec-6 penalty for ticketless travel has been prescribed, which is fine of Rs. 250/- and imprisonment for a term which my extend to one month. In Sec-7 also, penalty has been prescribed for employees on duty for dereliction of duty. If they ommit or refused to accept the fare when tendered or does not supply or supply invalid ticket, he will be punished with imprisonment which may extend to one month or with fine which may be Rs. 250/-. As I have already said, I have nothing to say against the provision of this Bill, but this is a negative approach. This ticketless travel is possible only at the connivance of the conductor or driver or any other employee of the State Transport Corporation. Without their connivance or without their permission it is not possible. Hon. member, Shri Soneswar Bora has rightly said that there is one door in the bus and the number of passangers is not

very high. The State Transport bus is not as big as train in which it may be difficult to check ticketless travel in train but it is not so difficult in Transport bus.

So whenever any ticketless travel occurs, it is done with the connivance of the conductor or driver or any other officer. That is why when we prescribe certain punishment or penalties for ticketless travel or punishment on passangers who makes ticketless travels and punishment for the officials for dereliction of duty as mentioned under Sec-7 of this Bill, that becomes a negative approach. But this is a problem of social evil as has been mentioned in the Statement of Objects and Reasons. The Government should have some positive approach to this social problem. What are the positive approaches ? Why this corruption ? Why this ticketless travel ? Why the conductors allow ticketless travel ? What are the reasons ? In order to find out the reason, we must, first of all, take up for consideration the system of procedure of recruitment of conductors of the buses. Sir, I am sorry to say that this State Transport Corporation does not have ny procedure whatsoever for recruitment of officials. There is no principle on which recruitment is made, particularly the recruitment of conductors. It is on the basis of bribe, corruption, favouritism and nepotism and no procedure is followed. The normal procedure of recruitment of officers is this : advertisement

is made, applications are called for, candidatures are examined, they are interviewed and then selection is made on the basis of merit. That is the normal procedure followed in other departments. But the tragedy with the State Transport is that they never care to follow this procedure at all. Sir, I am sorry to say, if you pay Rs. 500/- to the appointing authority, you get a job of the conductor, and many conductors have complained like this. What is the salary of a conductor ?

I think, it is hardly Rs. 200/-or less than that. How much a conductor or a driver gets as daily allowance for journey from Dibrugarh to Gauhati ? And how much he requires for it ? With such small salary he gets a job for which he has to pay a huge amount as bribe. So if he was faced to pay the bribe for the job, he is very likely to take resort to bribery to make up the loss he incurred by paying bribe to the appointing authority. So, Sir, we should have a positive approach about it, When we give appointment of conductors, we should see that the conductors are not appointed without following proper system of recruitment. The first thing, therefore, is to evolve a system of recruitment of conductors, It should be streamlined. Then, again, in the statement of objects and reasons, it has been mentioned that the State Transport Corporation is sustaining heavy loss and hence this bill. Sir,

there are other reasons also for which the State Transport Corporation is incurriug heavy loss and these should also be taken into consideration. There is inadequate number of buses in the State Transport Corporation. The result is that a large number of passengers who come to the State Transport Corporation to avail of the State Transport Bus usually fail to travel by the bus because of its irregular plying and mostly they are to travel by the private buses as these private buses are plying regularly and in time. So, Sir, here we again find an unhealthy atmosphere of competition between the State Transport Bus and the Private Bus. The arrangement is such that private buses use to leave just a few minutes earlier than the State Transport Bus. Naturally, passengers will prefer to travel by the private bus if the arrangement is such. As a result of that, most of the State Transport buses had to ply with a little number of passengers and this is not the business of anybody and no body cares to look after this aspect Sir, if the roads are nationalised, then all the roads should be nationalised, and the unhealthy competition should also go. If we cannot do that, it will not be possible to improve the economic condition of the State Transport Corporation. Sir, this mixed policy of nationalisation and plying of private buses at the same time should not be encouraged and this should go. I hope that Govt. would take up this matter seriously. Then, Sir, I do

not know what policy will be adopted by the new govt. in the centre about the nationalisation. But my submission is that this policy of mixed-system should go. Then, Sir, there is another reason of heavy loss of State Transport Corporation. This is mainly due to frequent break-down of buses because of lack of proper supervision. The State Transport is maintaining huge staff but nobody cares to see the vehicles regularly. Buses are not properly checked up and as a result of that new buses are condemned in a year or two and the spare-parts of those buses are blackmarketed. Sir, if the black-marketing of these spare parts are not stopped, the State Transport cannot escape these huge losses. Sir, the bill has come before the house and I am not going to oppose the bill. But I would urge upon the Govt. to see that this positive aspect is also looked into and save the Corporation from huge loss year after year.

* শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : অধ্যক্ষ মহোদয়, টিকেট বিহীন যাত্ৰী পৰিবহন নিগমৰ বাছত অহা যোৱা বন্ধ কৰিবৰ কাৰণে যিখন বিল অনা হৈছে এই বিলখন যোৱা ১৯ তাৰিখে এখন অধ্যাদেশৰ জৰিয়তে এইটো বন্ধ কৰিবলৈ বিচৰা হৈছিল। এই অধ্যাদেশৰ ঠাইত যিখন বিল উৎথাপন কৰিছে তাত কোৱা হৈছে যে।

The problem of ticketless travel in the buses operated by and consequent loss in revenue to the Assam State Transport Corporation having assumed sizeable proportions

* Speech not corrected.

the Assam State Transport Corporation ordinance, 1977 was promulgated.

কেতিয়াৰ পৰা এইটো চৰকাৰৰ চকুত পৰিল যে বিধান সভা বহাৰ লগে লগে এই বিলখন আনিব লগা হ'ল ? ইয়াৰ আগতে চৰকাৰৰ এই সম্পৰ্কে দৃষ্টিগোচৰ নহ'ল কিয় ? টিকট বিহীন যাত্ৰীৰ সমস্যা ইয়াৰ আগতে আৰু কোৱা হৈছে টিকট নোহোৱাকৈ কেনেকৈ যাত্ৰী পৰিবহন নিগমৰ বাছত যাবলৈ পায় ? - ইয়াৰ লগত পৰিবহন নিগমৰ কৰ্ম্মচাৰী জড়িত থাকিব লাগিব, নহলে টিকট নোহোৱাকৈ কেতিয়াও যাত্ৰীয়ে পৰিবহন নিগমৰ বাছত ভ্ৰমণ কৰিব নোৱাৰে । জৰুৰী কালীন অৱস্থাত কিছুমান বাছত এটা কথা লিখা আমি দেখিবলৈ পাইছিলো —"টিকট বিহীন যাত্ৰী বাটত আছে কঠোৰ শাস্তি" । এই কথাষাৰ যিখন গাড়ীতেই লিখা থাকে সেইখন গাড়ীতেই বেছিকৈ টিকট নোহোৱাকৈ যাত্ৰীয়ে অহা-যোৱা কৰে । অকল পৰিবহন নিগমৰ বাছৰ ক্ষেত্ৰতেই যে এনে দৰে টিকট বিহীন যাত্ৰীয়ে অহা-যোৱা কৰে এনে নহয়, প্ৰাইভেট গাড়ীবোৰতো যাত্ৰী অনা-নিয়া কৰা দেখা যায় । ইয়াৰ পৰা যাত্ৰীৰ ওপৰত কৰৰ যিটো ব্যৱস্থা আছে তাক প্ৰতিৰোধ কৰাৰ কাৰণে এনে কৰা হয় । পৰিবহন নিগমৰ বাছেই হওক বা প্ৰাইভেট বাছেই হওক টিকট বিহীন যাত্ৰী বন্ধ কৰাৰ দায়িত্ব চৰকাৰৰ আগতেই আছিল । যিকি নহওক টিকট বিহীন যাত্ৰী বন্ধ কৰাটো উচিত । কিন্তু তাৰ লগতে যাত্ৰীসকলৰ সুখ-স্বাচ্ছন্দৰ প্ৰতিও চকু দিয়া পৰিবহন নিগমৰ কৰ্ত্তব্য । আজি দেখা যায় যাত্ৰীসকলে ভ্ৰমণ কৰোতে যিখিনি সুবিধা পাব লাগে সেই খিনি নাপায় । পৰিবহন নিগমৰ গাড়ী কেতিয়াবা বাটত বেয়া হৈ বন্ধ হৈ থাকে । যেতিয়ালৈকে আন এখন গাড়ী আহি নাপায় তেতিয়ালৈকে বাটত বৈ থাকিব লগা হয় উজনি অসমত কেনেকুৱা মই নাজানো, কিন্তু আমাৰ নামনি অসমত যিবোৰ গাড়ী

চলে সেইবোৰৰ খিড়ীকি দৰ্জাৰ ওচৰত বহি আহিব নোৱাৰি ববষুও পৰে। কেতিয়াবা ছাতি মেলি লব লগা হয়। বাইহাটা চাৰি আলি এটা ডাঙৰ ষ্টেচন। ইয়াত পৰিবহন নিগমৰ অনেক গাড়ী ৰখায়। কিন্তু তাত পৰিবহন নিগমৰ কোনো স্থায়ী ঘৰ নাই। উজনি অসম আৰু উত্তৰ পাৰৰ নৰ্থ লক্ষীমপুৰলৈকো যোৱা বহুতো পৰিবহন নিগমৰ গাড়ী তাত জমা হয়। যাত্ৰীয়ে শৌচ-প্ৰসাব কৰিবৰ কাৰণে তাত কোনো ব্যৱস্থা নাই। এটা ভাৰা ঘৰত আজি ইমান দিনে অফিচৰ কাম চলাই থকা হৈছে।

মাননীয় অধ্যক্ষ : আপুনি আৰু সময় লব নে কি ?

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : হয়, মোক অলপ সময় লাগিব।

Mr. SPEAKER : The House now stands adjourned till 2-30 p. m to-day.

(মধ্যাহ্ন ভোজনৰ পিচৰ কাৰ্য্য বিৱৰণী)

(কোৰাম নাই)

*শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : উপাধ্যক্ষ মহোদয়, পৰিবহন নিগমটো এতিয়াও চালুকিয়া অৱস্থাতেই থকা নাই। এই নিগমটো গঠন হোৱাৰ আজি বহুত দিন হ'ল, কিন্তু এতিয়ালৈ বহু ঠাইত এই পৰিবহন নিগমৰ যাত্ৰী উঠা নমা কৰা, গাড়ী ৰখাৰ বাবে নিজা ঘৰ দুৱাৰ নাই। বা এইবিলাক কৰাৰ কোনো প্ৰচেষ্টা পৰিলক্ষিত হোৱা দেখা নাই। যিবিলাক ঠাই অতি গুৰুত্বপূৰ্ণ সেইবিলাক ঠাইতো গাড়ী থকা চেড়টো দূৰৰ কথা আনকি ষ্টেচনৰ কাৰণেও স্থায়ী ঘৰ-দুৱাৰ নাই। ভাৰাতীয়া ঘৰতেই কাম চলি আছে যাত্ৰীসকলৰ শৌচ, প্ৰসাব কৰা নাইবা জিৰণী লোৱা

* Speech not corrected.

কোনো সা-সুবিধা নাই। বৰষুণ দিলে যাত্ৰীসকলে গাড়ীৰপৰা উঠা-নমা কৰা বা বস্তু-বাহানি ৰখাৰ কোনো সা-সুবিধা যে দিব লাগে সেইফালে নিগমৰ এতিয়ালৈকে কোনো ব্যৱস্থা নাই। মই উদাহৰণ স্বৰূপে বাইহাটা চাৰিআলিৰ কথাই উল্লেখ কৰিছে। আৰু মই পৰিবহন মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। বৰ্ত্তমানলৈ যিবিলাক ষ্টেচন কৰা হৈছে তাত স্থায়ী ঘৰ-দুৱাৰ আজিলৈকে হোৱা নাই। বিশেষকৈ মহিলা যাত্ৰীৰ কাৰণে তেনে একো সা-সুবিধা নোহাৱাত বহুতো অসুবিধাৰ সন্মুখীন হব-লগীয়া হয়। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ পৰিবহন ব্যৱস্থা দেখাটো মোৰ সৌভাগ্য হৈছে। তাৰ সকলোবিলাক ষ্টেচনতে যাত্ৰী বাহী বাছবিলাক আহি একোটা চেডত সোমাই আৰু বৰষুণ দিলেও যাত্ৰীৰ কোনো অসুবিধা নহয়। এনেকুৱা সু-ব্যৱস্থা আমাৰ ৰাজ্যত কোন বছৰ হব বা কিমান বছৰ লাগিব তাক কোৱা টান। মহাৰাষ্ট্ৰৰ পৰিবহন ব্যৱস্থাত মই নিজ চকুৰে দেখিছো তাত গাড়ীবিলাক যি ঠাইত ৰখা হয় তাত সুন্দৰ কিছমান ছেড আছে। কিন্তু আমাৰ ইয়াত ৰাজপথত গাড়ীবিলাক ৰখা হয় আৰু ফলত যেতিয়া বৰষুণ হয় তেতিয়া যাত্ৰীবিলাক উঠা-নমা কৰোতে বৰষুণত ভিজি যায়। গতিকে মই এইটোত চৰকাৰৰ চোকা দৃষ্টি আকৰ্ষণ কৰিছো যে পৰিবহন নিগমে এই ক্ষেত্ৰত যাত্ৰীসকলৰ অসুবিধাৰ কথাটো বিশেষভাৱে চিন্তা কৰাটো উচিত। মই পৰিবহন মন্ত্ৰীক অনুৰোধ কৰো যে যিবিলাক ষ্টেচনত যাত্ৰীৰ বেছি সমাগম হয়, পৰিবহন নিগমৰ তৰফৰ পৰা সেইবিলাক ঠাইত যথোপযুক্ত ভাৱে যাত্ৰীসকলৰ সা-সুবিধাৰ কাৰণে সুব্যৱস্থা কৰিব লাগে, শৌচ, প্ৰেসাব কৰা ঠাই আদি অসুবিধা বিলাক পুৰণ কৰিবৰ কাৰণে পৰিবহন নিগমে চেষ্টা কৰিব লাগে। বাই-হাটা চাৰিআলি ঠাইখন দ্ৰুত গতিত বাঢ়ি আহিছে। সেই ষ্টেচনটো ভৱিষ্যতে উন্নত কৰাৰ কাৰণে হয়তো আৰু কিছু দিন পিচত

ঠাইয়েই নাপাব। এতিয়াই এখন সুবিধা ঠাইত আহল-বহলকৈ ষ্টেটচনৰ ঘৰ-দুৱাৰ নিৰ্মান কৰাব সুবিধা কৰিব লাগে। পিচলৈ থলে সুবিধা ঠাইত জমিনেই পোৱা নাযাব। ঠিক তেনেকৈ এই বাছ ষ্টেটচনৰ কাৰণে এটুকুৰা জমিন বহু আগতেই অধিগ্ৰহণ কৰি মাত্ৰ যোৱা বছৰহে সেই জমিনখিনি কিছু পুতি কিছু সংস্কাৰ কৰিলে তাত বৰ্ত্তমান যি ঠাইত ষ্টেটচন আছে, চহৰৰ এমুৰে গাড়ী ৰাখিব লগীয়া হয় আৰু গাড়ী ৰখাৰ কাৰণে ঠাইৰ অভাৱত গাড়ীবিলাক ৰাজপথতেই ৰাখিব লগীয়া হৈছে। যিহওক যাত্ৰীসকলে যাতে অসুবিধা ভোগ কৰিব নালাগে তাৰ ব্যৱস্থা অতি সোনকালে কৰিব লাগে।

আনহাতেদি আৰু এটা কথা মন কৰিবলগীয়া সেইটো হ'ল বহু ষ্টেটচনত পৰিবহন বাচৰ পৰা বস্তু মাল—পত্ৰ ইত্যাদি নমোৱাৰ কাৰণে কোনো ব্যৱস্থা নাই, পোৰটাৰ ইত্যাদি তাত দেখিবলৈ পোৱা নাযায়, গতিকে সৰু সৰু ষ্টেটচন বিলাকত য'ত তেনে ধৰণৰ ব্যৱস্থা নাই আৰু য'ত য'ত বস্তু বাহানি ইত্যাদি কঢ়িওৱা হয় সেইবিলাক ষ্টেটচনত পৰিবহন বাছৰ যাত্ৰী সকলৰ মাল—পত্ৰ নমোৱা বা উঠোৱাৰ কাৰণে পোৰটাৰ বা পৰিবহণ বিভাগৰ লোক থাকিব লাগে। তাৰ পাচত এই পৰিবহন বাচত বিনা টিকতত যাত্ৰী অহা যোৱাৰ কথা উঠিছে, কিন্তু মই কব খোজো যদি পৰিবহন বিভাগৰ ইয়াত হাত নাথাকে কোনো যাত্ৰীয়ে পৰিবহন বাচত বিনা টিকতত অহা যোৱা কৰিবলৈ সাহ নকৰে। এই বিনা টিকতৰ যাত্ৰীৰ কথাটো অলপ বেলেগ ধৰণৰ, ইয়াৰ কেৰোণ কৰবাত। মই জনাত কোনো যাত্ৰীয়ে পৰিবহন বাছত বিনা টিকতত জোৰ কৰি যাব নিবিচাৰে। যদি কোনোবাই তেওঁলোকক সুযোগ নিদিয়ে সেই যাত্ৰী সকলে কেতিয়াও তেনে কাম কৰিবলৈ সাহ নকৰে। গতিকে পৰিবহন বাচৰ কৰ্ম্মীসকলে সততা ৰক্ষা কৰি চলতো দৰকাৰ। আনহাতেদি

ৰাজ্যিক চৰকাৰৰ কিছুমান আয়োজিত মেলা ইত্যাদিত বহুতো যাত্ৰীক বিনা টিকতত আহিবলৈ দিয়া কথাটো আমি বহু ক্ষেত্ৰত দেখিছোঁ। এখন বাচত যিমান যাত্ৰী আহিব পাৰে তাতকৈ বহু যাত্ৰীক এই বাছ বিলাকত বিনা টিকতত অহা দেখা যায়। তাৰোপৰি, গুৱাহাটীৰ পৰা পশ্চিম ফাললৈ যিমানবোৰ বাছ অহা যোৱা কৰে সেই বাচ বিলাকৰ অৱস্থা অতিকৈ শোচনীয় হোৱা দেখা যায় আৰু তাত যাত্ৰী সকলৰ কাৰণে কোনো সুব্যৱস্থা নাই আৰু মালপত্ৰ ইত্যাদি কঢ়িওৱাৰ কাৰণে কোনো সুব্যৱস্থা নথকাত যাত্ৰী সকলে অশেষ কষ্ট ভোগ কৰিব লগীয়া হৈছে, সেইকাৰণে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক এই সকলোবিলাক অসুবিধা দূৰ কৰিবলৈ অনুৰোধ জনাই অতি সোনকালে তাৰ এটা ব্যৱস্থা লব বুলি আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী : অধ্যক্ষ মহোদয়, এই বিল যি খন সদনত আহিছে, এইখন এখন গতানুগতিক ভাবে অহা বিল। এই বিল খন আগতেই আহিব লাগিছিল যদিও পলমকৈ হলেও আহিল। মই এই বিলখনৰ বিৰোধিতা কৰিবলৈ বিচৰা নাই যদিও এই সম্পৰ্কত কিছুমান কথা মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিবলৈ ওলাইছো। এই যে টিকট বিহীন যাত্ৰী বা পইচা নিদিয়াকৈ চলাফিৰা যাত্ৰীৰ কাৰণে নিগমৰ ক্ষতি হৈ থকা কথাটো মন্ত্ৰী মহোদয়ে অস্বীকাৰ নকৰা নহয়। মই নিজেই এই যে গাৱঁৰ পৰা চহৰলৈ বা চহৰত ভ্ৰমণ কৰা চিটি বাছ বিলাকত ভ্ৰমণ কৰিছো তাত দেখিছো বহু সময়ত যাত্ৰী সকলক ভাড়া সাধিবলৈ নাযায়, মই নিজে এবাৰ তেনে অৱস্থাত পৰিছিলো, মোৰ পৰা ভাড়া নিবিচৰাৰ কাৰণে মই নিজেই সুধিছিলো যে মোৰ ভাড়া নলয় নেকি, তেতিয়া সোধা পোচা কৰি জানিলো যে এই কনডাক্টৰ

* Speech not corrected.

বিলাক বেচি ভাগেই নতুনকৈ চাকৰিত মকৰল হৈছে, তেওঁলোকৰ এই ক্ষেত্ৰত অভিজ্ঞতা কম। অথচ আনহাতেদি যিবিলাক পাৰমিট বাছ আছে সেইবিলাকৰ কনডাক্টৰ সকলে যাত্ৰীক আহক আহক বুলি যোৰ কৰি বাছত তুলি লয় কিন্তু পইচা সাধিবৰ সময়ত তেওঁলোক সদায় এক্সপাৰ্ট, তেওঁলোকে একোজন যাত্ৰীৰ ওচৰলৈ ভাড়া সাধিবলৈ ৩।৪ বাৰকৈ হলেও আহে যাতে কোনোমতেই তেওঁলোকে লোকচান ভৰিব নালাগে। অৱশ্যে এই যে নিগমৰ বাচ বিলাক বৰ দীঘল আৰু দুৱাৰ দুখন, আগতে এফালে উঠিলে আনফালেদি নামিব লাগে, কিন্তু এতিয়া সেইটো দুয়োফালেই যাত্ৰীয়ে উঠা নমা কৰে। তাৰোপৰি, বহু সময়ত দেখা যায় বিশেষকৈ পিক আউয়াৰচত ইমান ভিৰ হয় যেতিয়া স্কুল, কলেজ আৰু অফিচ আৰম্ভ আৰু ছুটী হয় তেতিয়া এই বাছৰ কনডাক্টৰ সকলৰ নিয়ন্ত্ৰন কৰাত যথেষ্ট অসুবিধা হৈ পৰে আৰু তেতিয়া কিছু লোকচান হয়। একোজন বাছৰ কনডাক্টৰৰ বাছৰ এমুৰৰ পৰা সিমুৰলৈ যাওঁতে প্ৰায় আধাঘন্টা মান লাগে। গতিকে এনে ক্ষেত্ৰত আন এজন এচিষ্টেণ্ট এই বিষয়ত ৰাখিলে হয়তো কিছু সুবিধা হব। কিন্তু এতিয়া যিটো হৈছে, পৰিবহনৰ চিটি বাছৰ ক্ষেত্ৰত মিচ মেনেজমেণ্ট হৈছে। বহু ক্ষেত্ৰত দেখা যায় কিছুমান যাত্ৰীয়ে ভুলতে হয়তো পইচা দি টিকটটো লবলৈ পাহৰি যায় কিন্তু সেই টিকটটো আৰু ফালি দিয়া নহয়, কনডাক্টৰৰ লগতে ৰৈ যায় আৰু কেতিয়াবা টিকট খুজিলেও পোৱা নাযায়। তাৰ পিছত আজিকালি দেখা যায় চিটি বাচ ষ্টেণ্ড বিলাকত 'ৰটাৰী ক্লাব' ইত্যাদি কিছমান অনুষ্ঠানে চিটিবাচ ষ্টেণ্ড বান্ধি দিছে কিন্তু তাত যাত্ৰী সকলৰ কাৰণে যাৱতীয় যি বিলাক সুবিধা থাকিব লাগে সেইবিলাক নাই, গতিকে নিগমৰ কৰ্ম্মকৰ্ত্তা সকলে এই বিষয়ে চিন্তা-চৰ্চ্চা কৰিব লাগে। বাছৰ কনডাক্টৰ সকলে পইচা বা ভাড়া নসধাৰ ফলত পিচলৈ যাত্ৰীৰ বেলেগ চৰিত্ৰক

ফালে ঢাল খায় আৰু মানুহজনে পিচলৈ তেনে সুবিধা লবলৈ চেষ্টা কৰিব পাৰে। সেইকাৰণে দুয়োফালৰ পৰা এই বিষয়ত সততা অবলম্বন নকৰিলে নিগমৰ মেনেজমেন্ট পৰিস্কাৰ নহব, আৰু তাকে নকৰাৰ কাৰণেই এই চিটিবাছৰ ক্ষেত্ৰত নানা ধৰণৰ মিচ-মেনেজমেন্ট হৈছে। গতিকে মই অনুৰোধ কৰিছো যাতে এই চিটিবাছৰ মেনেজমেন্টতো অধিক সুদক্ষতাৰে পৰিচালনা কৰিবলৈ যথাযথ ব্যৱস্থা হাতত লয়। গতিকে চিটি বাছৰ যিটো নিয়ম সেই নিয়ম মানি চলিবলৈ পৰামৰ্শ গ্ৰহণ কৰা হোৱা নাই। যাৰ ফলত লষ্ট হৈছে। বিনা টিকেটে যাবলৈ প্ৰকৃততে কোনেও নিবিচাৰে। আৰু কিছুমান আছে যিবিলাকে কনডাক্টৰে পইচা নিবিচাৰিলে তেওঁলোকে নিজে পইচা দিবলৈ নিবিচাৰে। এই দৰেই তেওঁলোকৰ চৰিত্ৰও ফৰ্ম হয়। কনডাক্টৰৰ অভিজ্ঞতা কম হোৱা কাৰণে যাত্ৰীৰ চৰিত্ৰ বেয়া হব পাৰে। গতিকে কন-ডাক্টৰৰো ব্যৱহাৰ সদায় ভাল লাগে। আজি পশ্চিমবংগত দেখা যায় বাছবিলাকত দুজনকৈ কনডাক্টৰ থাকে। তেওঁলোকৰ ব্যৱহাৰ অতি পলাইট। গতিকে কনডাক্টৰৰ ব্যৱহাৰ ভাল হব লাগে। সেই বুলি পইচা নোলোৱাকৈ যাত্ৰীক যাবলৈ দিব নেলাগে। গতিকে কনডাক্টৰবিলাকক নিয়োগ কৰোঁতেই অভিজ্ঞতা সম্পন্ন হয় নে নহয় ভালধৰণে চাই লব লাগে। ইয়াৰোপৰি গাওৰ লেভেলত যিবিলাক বাছৰ ব্যৱস্থা কৰিছে সেই বিলাকৰ পৰা লষ্ট হোৱা নাই। কিন্তু বৰ্ত্তমান সেই গাড়ীবিলাকত যিটো ৰেটৰ চিষ্টেম কৰিছে যে ১০ কিলোমিটাৰৰ তলত ভাড়া লোৱা নহব এইটো কৰাত বহুতো অসুবিধা আহি পৰিছে। এখন ঠাইৰ পৰা আন এখন ঠাইলৈ ১০ কিলোমিটাৰ নহবও পাৰে। তথাপি সেই যাত্ৰী জনে ১০ কিলোমিটাৰৰ আগতে বাছৰ পৰা নামিলেও ভাড়া ১০ কিলো মিটাৰৰ দিব লাগিব। ধুবুৰীৰ পৰা গোলোকগঞ্জলৈ গলে ৩০ কিলোমিটাৰৰ পইচা দিব লাগে। ৩০ কিলোমিটাৰৰ দাম ৭০

পইচা হিচাবে ২'১০ পইচা হয়। এইটো এটা ফেণ্টাষ্টিক কথা। এই দৰে মানুহক অসুবিধা দিয়া হৈছে। পাব্লিক বাচত আগতে ১'৭৫ পইচা আৰু ক'ৰপৰেচন বাচত ১'৬০ পইচা ভাড়াতে ধুবুৰীৰ পৰা গোলোকগঞ্জ লৈ অহাযোৱা কৰিব পাৰিছিল। গতিকে বাচৰ নতুন চিচটেম কৰা বাবে ৰাইজৰ জনপ্ৰিয় হব পৰা নাই। যিবিলাক শিক্ষিত বা ওখ থাপৰ মানুহ বা নগণে নহয় তেনেধৰণৰ মানুহ হে এই বাচত যোৱা হৈছে। শতকৰা ৩০ ভাগ যাত্ৰীহে এই বাচত অহাযোৱা কৰিছে। গতিকে দেখা যায় ৰেট চেঞ্জ কৰা পিচত ইনকাম কমি গৈছে। ধৰিলওক ইয়াৰ পৰা জাগীৰোডলৈ ৩৫ মাইল দূৰ। এই ৩৫ মাইলৰ ভাড়া আদায়ৰ কোনো সুবিধা নাই। ৪০ কিলোমিটাৰৰ ভাড়া আদায় কৰিব লাগিব। আৰু যাত্ৰী জনে অনাহকতে ৫ কিলোমিটাৰৰ অতিৰিক্ত ভাড়া দিব লাগিব। এইটো ৰাইজৰ ওপৰত অন্যায় ৰূপে জাপি দিয়া হৈছে। অসমৰ মানুহে কেতিয়াও প্ৰতিবাদ নকৰে। তেওঁলাকে ভাবে চৰকাৰে যি ভাল দেখে তাকে কৰক। কিন্তু পশ্চিমবঙ্গত এক পইচাৰ কাৰণে আন্দোলন কৰা হৈছিল। কিন্তু অসমৰ পাব্লিক বাছ বা ক'ৰপৰেচন বাছৰ ভাড়া বঢ়োৱা সত্বেও কোনেও প্ৰতিবাদ নকৰে। ৰাইজৰ সৰলতা আৰু নীৰৱতা সুযোগ লৈ ভাড়া বঢ়াই দিয়াটো অন্যায় হৈছে। গতিকে ১০ কিলোমিটাৰৰ ভাড়া আদায় কৰা যিটো চিচটেম সেইটো মিনিমাইজ কৰি ৫ কিলোমিটাৰৰ ভাড়া আদায় কৰক। গতিকে চৰকাৰে নিয়ন্ত্ৰণ কৰিব লাগে। কাৰণ ৰাইজৰ গুড উইল নেপালে চলিব নোৱাৰে, প্ৰতিবন্ধকতাৰ সৃষ্টি হব। গতিকে অনতিপলমে নতুন চিচটেমৰ পৰিবৰ্তন সাধন কৰিব লাগে। এইকাৰণে হয়তো জনমত ইতিমধ্যে হৈছে। বিশেষকৈ এইবিষয়ে গুৰুত্ব নিদিলে ৰাইজ ক্ষতিগ্ৰস্ত হব। ইয়াৰোপৰি এই বিষয়ে যি আইন কৰিছে সিও সুবিধাজনক হোৱা নাই। ৰেলৱেৰ ডিপাৰ্ট-

মেন্ট বিলাকত দিয়া হয় বা এডোকেচন কুৱালিফিকেচন চাই তেওঁলোকক যিদৰে নিয়োগ কৰা হয় সেইদৰে আমাৰ ইয়াতো কৰিব লাগে। তেওঁলোক বোধকৰো বি. এ পাচ আৰু আমাৰ ইয়াত মেট্ৰিকৰ ওপৰত এজনো নাই। কনডাক্টৰৰ যি পাৱাৰ সেই পাৱাৰ খটুৱাই পইচা তুলিবলৈ হলে সেই কনডাক্টৰ জনে নিজৰ ৰেচপনচিবিলিটি বুজি পোৱা মানুহ হব লাগিব।' কাৰণ বিনা টিকেটে পৰিভ্ৰমণ কৰিলে সেই ভ্ৰমণকাৰী জৰিমনা হব পাৰে বা জেইলো হব পাৰে। সেই যাত্ৰীজনক আইডেনটিফাই কৰি দিব লাগিব। গতিকে কনডাক্টৰ জন আইডেনটিফাই কৰা মানুহ হব যেতিয়া তেওঁ যোগ্যতা সম্পন্ন হব লাগিব। গতিকে সেই হিচাপে চিন্তা কৰিলে ফলৱতী হব বুলি মই ভাবো। ইয়াৰোপৰি মোৰ পৰামৰ্শ এই যে এক শ্ৰেনী মবাইল কৌৰ্ট দিলে বেয়া নহয়। বা ইন্সপেক্টৰো দিব পাৰে। যিবিলাক মবাইল কৰ্ট ৰেল বিভাগত আছে সেই বিলাকে বিনা টিকেটে যোৱা যাত্ৰীক ধৰিলে পইচা দিব লাগে। আৰু মুখৰ ওপৰত কথা কলে পইচা বাঢ়ি গৈ থাকে। অৱশ্যে আমাৰ বাচ বিলাকতো আপাৰ ক্লাচ আৰু লৱাৰ ক্লাচ আছে। কিন্তু ৰেলত যি সুবিধা দিব লাগিছিল বাচৰ কনডাক্টৰ সকলকো সেই সুবিধা দিব লাগিব। আনহাতে ৰেলৰ ষ্টেচন আছে বাচত সেইবিলাক নাই। পি, ডব্লিউ, ডি, ৰাস্তাৰ ওপৰত বাচ ৰখাই তাত চাহ খোৱা ব্যৱস্থা নাই।

পি-ডব্লিউ-ডি ৰাস্তাৰ মাজতে গাড়ী ৰাখি ৰাস্তা বন্ধ কৰি ৰখাৰ কোনো অধিকাৰ নাই। ইয়াৰ দ্বাৰা এক্সিডেন্ট বেছি হোৱাৰ সম্ভাৱনা হয়। এইটো এটা আনঅথৰাইজড এনক্ৰোচমেণ্ট

( ভইচ ঃ কত ৰাখিব ? )

ষ্টেচন কৰিব লাগে। নিজা নিজা ষ্টেচন থাকিব লাগে

আৰু গাড়ী কেৱল তাতহে ৰাখিব লাগে । অসমৰ বাহিৰৰ আন প্ৰদেশত এনেকৈ মাজ ৰাস্তাতে গাড়ী ৰাখি যাত্ৰী তোলা নিয়ম নাই । দুখন গাড়ী দুফালৰ পৰা ৰাখি থলে ৰাস্তাটো কিমান থাকিব ? এখন গাড়ী ৰাখি থোৱাৰ পিচতো আন এখন কুচ কৰিবলৈ যথেষ্ট পৰিমাণৰ ঠাই নাথাকে তাতে আকৌ জাঁৰ কৰি ৰখাৰ ফলত পেচেঞ্জাৰ বিশেষকৈ সৰু লৰা ছোৱালী দৌৰ মাৰিলে এক্সিডেন্টৰ পৰা পৰি সম্ভাৱনা আছে । পেচেঞ্জাৰ বুলিলেতো সৰু লৰা ছোৱালী থাকিবই । এই বে-আইনী কামৰ দ্বাৰা পেচেঞ্জাৰক বিপদগ্ৰস্ত কৰা হৈছে মাত্ৰ । পৰিবহনে যদি দায়িত্ব লৈছে লওক কিন্তু যাত্ৰীৰ কাৰণেও চিন্তা কৰি চোৱা উচিত হব । আমি চিটি বাচ বা আন বাচটো ফুৰা অভিজ্ঞতা আছে কাৰণেই এইখিনি কথা কৈছো । মোৰ চকুৰ আগতে সিদিনা এটা এক্সিডেণ্ট হৈছে । ৰাস্তাত গাড়ী এখন ৰাখি থোৱা কাৰণে কাষেৰে পাৰ হৈ আহিব খোজা এম্বেছাডৰ এখনৰ আগত পৰিল ন—দহ বছৰীয়া ছোৱালী এজনী । ড্ৰাইভাৰ সকলে যথেষ্ট সাৱধানতা অৱলম্বন কৰে কিন্তু তথাপিও এক্সিডেন্ট হোৱাৰ সম্ভাৱনা বেছি সেই কাৰণে ষ্টেচনৰ বাহিৰে আন ঠাইত গাড়ী নৰখাৰ ব্যৱস্থা কৰিব লাগে । আকৌ ষ্টেচনত চাহ দোকান, ভাতৰ হোটেল, লাইব্ৰেৰী নহলে বুকষ্টল, বহিবলৈ বেঞ্চ আদি পান দোকান ইত্যাদি প্ৰথম শ্ৰেণীৰ নহলেও তৃতীয় শ্ৰেণীৰ সমানে হলেও এইখিনি সুবিধা লাগে ।

অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত উপদেষ্টা কমিটি বিধান সভাৰ সদস্য আৰু বিষয়া কিছুমানৰ সৈতে গঠন কৰি দিয়া হৈছিল কিন্তু উপদেষ্টা কমিটিয়ে দিয়া পৰামৰ্শবলী মন্ত্ৰী ডাঙৰীয়াই গ্ৰহণ কৰিব খোজা নাছিল । নিজেই বেছি জনা বুলি জ্ঞান কৰাতো নিশ্চয় ভাল নহয় । পণ্ডিত বুলি নিজকে ভাবিব

লাগে কিন্তু প্ৰকাশ কৰাতো সিমান ভাল নহয়। ৰাজ্যিক মন্ত্ৰীৰ ওচৰলৈ গৈছিলো কিবা কিবি কামত কিন্তু কলে যে তেওঁৰ ওচৰলৈ হেনো আজি ইমান দিনে ফাইল এটাও যোৱা নাই। তেওঁ আছিল সেই উপদেষ্টা কমিটিৰ চেয়াৰমেন। কিন্ত কথা হ'ল কথা বিলাক সমজুৱা ভাৱে চালিজাৱি চাই সেই মতে সিদ্ধান্ত লব লাগে তাকে নকৰি গাইগুটীয়া ভাৱে সিদ্ধান্ত ললে ডিক্টেটৰচীপ হৈ যোৱাৰ সম্ভাৱনাই দেখা দিছে। অৱশ্যে আমাৰ যাতায়ত বিভাগৰ মন্ত্ৰী এজন জনাবুজা মানুহ। গতিকে এই কথা বিলাক অলপ বিবেচনা কৰি চাব বুলি আশা কৰিছো। আগতে কনডাক্টৰ আদি নিয়োগ কৰাৰ ক্ষেত্ৰত দেখা গৈছিল যে মন্ত্ৰীজন যি জিলাৰ সেই জিলাৰ পৰাই কনডাক্টৰ বা ড্ৰাইভাৰ বেছিকৈ নিয়োগ কৰা হৈছিল আমাৰ গোৱালপাৰা জিলাৰ পৰা আগতে মন্ত্ৰী নাছিল কিন্তু এতিয়া সৌভাগ্যক্ৰমে তিনিজন মন্ত্ৰী। কিন্তু ড্ৰাইভাৰ কনডাক্টৰ আদি আমাৰ সেই বিলাক ঠাইৰ পৰা বেছি নিয়োগ কৰা হোৱা নাই। এইবিলাক কথালৈ দৃষ্টি দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। কিয়নো যদি ড্ৰাইভাৰ বা কনডাক্টৰ জন লোকেল হয় তেতিয়াহলে চিকিউৰিটি বা চেফটিৰ ফালৰ পৰা বহুত খিনি হেল্প হয়। কিয়নো আজি কালি অলপ কথাতে বাচৰ লগত কোনো ধৰণৰ কাজিয়া আদি হলে বাচখন জুই লগাই দিয়া এটা সচৰাচৰ ঘটনাই হৈ আহিছে। তেনে ক্ষেত্ৰত যদি ড্ৰাইভাৰ জন বা কনডাক্টৰ জন লোকেল হয় তেতিয়াহলে বহুত খিনি কাজিয়াৰ সম্ভাৱনা কমি যায়। আমাৰ ধুবুৰীত যোৱা অশোকাষ্টমীৰ দিনা-খন এটা গোলমাল হৈ গৈছে। ভাগ্যে মই তাত ওলাই মিতমাত কৰি দিছো। ধুবুৰীৰ আৰ-টি-এ বোৰ্ডৰ পৰা বাচ কম হোৱা কাৰণে বাছৰ কাৰণে লিখা হৈছিল আৰু সেই কাৰণে পাবলিক বাচ চলি থকা সত্ত্বেও দুখন কৰপৰেচনৰ বাচ দিয়া

হৈছিল আৰু এইটো নিশ্চিত কথা যে আঠাইশ খন পাবলিক বাছ চলি থকা ঠাইত দুখন মাত ক'ৰপৰেচন বাছ চলি লাভ কৰিব নোৱাৰে। ট্ৰেন্সপোৰ্ট অফিচৰ কম্পাউণ্ডলৈ পাবলিক বাচ সোমাই আনি তাৰ পৰা পেচেঞ্জাৰ তুলিলৈ যায় অথচ কোনেও মাত মাতিব নোৱাৰে। বাধা দিব নোৱাৰে। তেনে ক্ষেত্ৰত ক'ৰপৰেচনে লচ খাবই। তাতে আকৌ পাবলিক বাচ বিলাক জনপ্ৰিয় কিয়নো তেওঁলোকে বেমাৰীৰ পৰা ভাড়া নলয় আৰু ষ্টুডেণ্টৰ পৰা আধাহে ভাড়া লয় অৰ্থাৎ চিংগল ফেয়াৰ ডাবল জাৰ্নি কৰাৰ সুবিধা দিয়ে সেই কাৰণেই পাবলিক বাচ বিলাক জনপ্ৰিয়। কিন্তু ক'ৰপৰেচনৰ গাড়ীয়ে পইচাই নাপায় তেনে ক্ষেত্ৰত সহায় কৰিব ক'ৰ পৰা ? নিজৰ পকেটত পইচা না-থাকিলে সহায় কৰিব কেনেকৈ ? আশাকৰো এই বিলাক কথা ভালদৰে চালিজাৰি চাই ইয়াৰ কাৰণে ভাল ব্যৱস্থা মন্ত্ৰী মহোদয়ে গ্ৰহণ কৰিব।

অধ্যক্ষ মহোদয়, এইখিনিকে কৈ মই বিলখন সমৰ্থন কৰি এই সম্পৰ্কত তেখেতক ভালকৈ চিন্তা কৰি ব্যৱস্থা লবলৈ কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীপিটসিং কোৱঁৰ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসম ৰাজ্যিক পৰিবহন নিগমে যি নেকি বিনা টিকেটে ভ্ৰমণ কৰাত নিষেধ আৰোপ কৰিবলৈ অনা বিলখনত দুআষাৰ কব বিচাৰিছো। বিনা টিকটে ঘুৰিব পৰা স্কপ নাই বুলি ভাবিছিলো। কাৰণ গাড়ীখন বৰ ডাঙৰ নহয় আৰু ৪২-৪৫ জন মানুহ আছে। কনডাক্টৰ আছে, ইন্সপেক্টৰ আছে চেক কৰে আৰু ড্ৰাইভাৰো আছে, কেনেকৈ বিনা টিকেটে মানুহ আছে। অৱশ্যে দুই এজন মানুহে আপাৰ ক্লাচৰ টিকেট কাটি ড্ৰাইভাৰৰ চিটত বহা দেখিছো। তেনেকৈ দুই এজনে ভুলতে আহিব পাৰে। শ্ৰীশৈলেন হাজৰিকা এই

নিগমৰ জেনেৰেল মেনেজাৰ হৈ থাকোতে চিঠি লিখিছিল—বাছত যাওঁতে চাবচোন কোনোবা মানুহ বিনা টিকেটে যায় নেকি ? যদি যায় মনে মনে ৰিৰ্পট কৰিব। তেতিয়া তেখেতক কলো ৰিৰ্পট কৰি পিঠিত মাৰ পেলাব নোৱাৰো। তেখেতে কলে মনে মনে ৰিৰ্পট দিলেই হব। তাৰ মানে তেখেতে জানিছিল কিছুমান মানুহে বিনা টিকেটে আহে। এই ক্ষেত্ৰত দেখা যায় কেতিয়াবা কনডাক্টৰবিলাকে নিৰ্দিষ্ট ঠাই আহি পোৱাৰ আগতে টিকেট সংগ্ৰহ কৰে। তাৰ পিচত যিমান পইচা উঠে সেই আটাইখিনি নিজৰ হয়। গুৱাহাটীলৈ আহোতে জাগীৰোডত টিকেট সংগ্ৰহ কৰিলে বাটত সোনাপুৰ আদি ঠাইত উঠা যাত্ৰীবিলাকৰ পইচা বিলাক কনডাক্টৰে পায়। এই ধৰণে তেওঁলোকে ৮-১০ টকা সংগ্ৰহ কৰে আৰু ৰাতিৰ খানাটো বোধ হয় ভাল ধৰণে খায়। তাৰ পিচত কিছুমান মানুহে এক দুই মাহ এই নিগমত কাম কৰাৰ পিচত এক্স-চাৰ্ভিচ মেন বুলি বিনা টিকেটে বাছত যায়। আজি ৩-৪ দিন আগৰ কথা এজন মানুহে তিনি চাৰি মাহ কাম কৰিছিল এতিয়া কাম কাজ নাই এক্স-চাৰ্ভিচ মেন বুলি বিনা টিকেটে গল। তেওঁ জাগীৰোডত ধৰা পৰিল। তথাপিতো এই আগৰ চোৱাৰ পইচা খিনি এনেই গল। মই জনাত চাকৰিয়াল সকলে চাৰ্টিফিকেট লব লাগে। তেনেস্থলত এক্স-চাৰ্ভিচ মেন বুলি কেনেকৈ যাব পাৰে ? এই বিলাক চোৱাৰ কোনো ব্যৱস্থা নাই। আচলতে গুৱাহাটী ডিব্ৰুগড়লৈ অহা গাড়ীবিলাকত বিনা টিকেটে অহাৰ সুযোগ বেচি আছে। বিষয়াসকলৰ তাত চেক কৰাৰ কোনো সুবিধা নাই। বহুত দূৰৈত দূৰৈত ষ্টেচন বিলাক আছে। গতিকে ডিব্ৰুগড়তে আহোতে ঠিক কৰি ললে কম পইচাতে গুৱাহাটী আহি পাবহি। এই এক্সপ্ৰেচ গাড়ীবিলাকত চেক কৰাৰ ব্যৱস্থা হব লাগে। সৰু সুৰা ৰোট বিলাকত গাড়ী কম থকাৰ ফলত অসংখ্য মানুহ সেই বাছখনত আহে আৰু

পইচাও নাপায়। মৰিগাওঁ জাগীৰোড বাছ খনত দেখিছো কাচাৰী ছুটি হোৱাৰ পিচত চাবি বজাত বাছখন আছে। তাত অসংখ্য মানুহ আছে বিনা টিকেটে। তাত টিকেট পাবলৈ নাই। মই সুধিলো টিকেট নিদিয়ে কিয়? তেতিয়া কলে টিকেট দিলে ১৮০ টা টিকেট দিব লাগিব। গতিকে তেওঁলোকে এই ধৰণে মুৰে পিঠিয়ে উঠি জাগীৰোড পায়হি আৰু ভুৰ ভুৰকৈ নামি যায়হি। পইচা নাপায় অৱশ্যে সেই মানুহখিনিৰ উপকাৰ কৰা হৈছে। তেওঁলোকে ইমান মানুহ উঠিবলৈ দিছে কিয়? যদি গাড়ীৰ যন্ত্ৰ পাতি ভাঙি যায়হি। তেওঁলোকে কলে নমাই দিব নোৱাৰে, উপৰা উপৰিকৈ বহি লয়। মানুহ নমাই দিয়াৰ কিবা প্ৰভিজন এই বিলখনত আছে নেকি? এতিয়া এই বিলখনত জৰিমনা ২৫০ টকা আৰু জেইল এমাহৰ ব্যৱস্থা কৰিছে। বাছৰ সংখ্যা কম হোৱা বাবে মানুহবিলাকে ৰাতি সেই ঠাইতে কটাব লাগে বুলি এই ধৰণে উঠি আছে। তাত চৰকাৰে পইচা পোৱা নাই। সিদিনা মই প্ৰশ্ন কৰিছিলো কাচাৰী বন্ধ থাকিলে গাড়ী নাহে নেকি? পৰিবহন নিগমৰ গাড়ীবিলাক কাচাৰী বন্ধৰ লগে লগে এই গাড়ীবিলাকো বন্ধ হৈ যায়। কাইলৈ দ্বিতীয় শনিবাৰ, গতিকে মৰিগাৱলৈ গাড়ী নাহিব ৰবিবাৰ হলেও দুই এখন গাড়ী নাযাব। কনডাক্টৰ আদিৰ যদি কিবা অসুখ আদি হয় জনাই দিব লাগে যে গাড়ী নাহিব। খবৰ দিলে ভাল হয়। তেওঁলোকে ইচ্ছা কৰিয়েই নাহে। সেই যাত্ৰী বিলাকক পাব্লিক বাচ বিলাকে লৈ যায়। গতিকে শনিবাৰ আৰু ৰবিবাৰ হলেও নিয়মীয়াকৈ গাড়ী বিলাক চলিব লাগে। এই ধৰণে কৰিলে পাব্লিক গাড়ী বিলাকে প্ৰতিযোগিতা কৰিব নোৱাৰিব। এই ধৰণৰ কিবা চাৰ্কোলাৰ আছে নেকি যে কাচাৰী বন্ধ থাকিলে খবৰ নিদিয়াকৈ গাড়ী নাহিব? মন্ত্ৰীয়ে এনে চাৰ্কোল্যৰ আছে বুলি কিন্তু কোৱা নাই। তাৰ পিচত দেখা গৈছে কনডাক্টৰৰ সংখ্যা

খুব কম। কেতিয়াবা বাচৰ ওপৰত মাল বান্ধি দিয়া পৰ্টাৰজনক কনডাক্টৰ কৰি পঠিয়াই দিয়ে। সেই জনে পইচা কেইটা কিয় এৰিব বাৰু ? তেওঁক সেই সুবিধা টো চৰকাৰে দিছে বা ভগবানে দিছে।

সেই কাৰণে আমি দেখিছো যে প্ৰায়বিলাক গাড়ীৰ কনডাক্টৰ চকিদাৰ। আনকি এই চকিদাৰ বিলাক কনডাক্টৰ হৈ গুৱাহাটীলৈকো আহে। গতিকে চকিদাৰ বিলাকেই যেতিয়া কনডাক্টৰ হৈ আছে আৰু যিবিলাকে ৬।৭ বছৰ চাকৰি কৰিছে আৰু যি বিলাকৰ অৰ্হতা আছে সেই বিলাক চকিদাৰক কনডাক্টৰলৈ প্ৰমোচন দিব লাগে। লংকা, হোজাই, কামপুৰলৈ যিবিলাক গাড়ী যায় সেই আটাই বিলাকতে চকিদাৰ বিলাকেই কনডাক্টৰ হৈ যায়। আমাৰ মাননীয় সদস্য শ্ৰীপ্ৰধানী ডাওৰীয়াইয়ো এটা কথা কৈছে যে লোকেল মানুহ ২।৪ জনক কনডাক্টৰ পদত নিয়োগ কৰিব লাগে। আমাৰ খাউণ্ড ডাঙৰীয়াই এইবিলাক কথা চিন্তা নকৰাকৈ আছে বুলি আমি নাভাবো। কিন্তু কোনোবাই মাজতে নিদিয়েনেকি ?

আৰু এটা দুখৰ কথা হৈছে যে আমাৰ ৰাজধানীত এটা বাচ ষ্টেচন আছে। সেই বাচ ষ্টেচনৰ পৰা আমাৰ এম এল এ সকলো যায় আৰু মন্ত্ৰী সকলৰ ভাই-ভতিজা বিলাকো ইয়াৰ পৰা যাবলগীয়া হ'লে যায় আৰু আহিও ইয়াতে নামে। কিন্তু এই বাচ ষ্টেচনত বহিবলৈ ঠাই নোহোৱাৰ কাৰণে ঠিয় হৈ থাকিব লাগে। এই বিলাক কথা দেখিবলৈ অতি বেয়া। আন কি জৱাহৰ নগৰত কংগ্ৰেছৰ অধিবেশন বহাৰ সময়ত সৰ্বভাৰতীয় মানুহেও এই বাচ ষ্টেচনত মানুহ ঠিয় হৈ থকা দেখিবলৈ পাইছিল। তেওঁলোকে তেতিয়া কি ভাবিছিল বাৰু ? ভাবিছিল চাগৈ চৰকাৰে মিছাতে ইমান উন্নতি হৈছে সিমান উন্নতি হৈছে বুলি

কৈ আছে কিন্তু কাৰ্য্যত একো উন্নতি হোৱা নাই। নহলেনো বাচ ষ্টেচনত মানুহ বিলাক এই দৰে কিয় ঠিয় হৈ থাকিবলগীয়া হৈছে ? এই বাচ ষ্টেচনটো যদি মন্ত্ৰীয়ে চাবলৈ বিচাৰে তেন্তে আজি ভাটি বেলা মোৰ লগত খোজ কাঢ়ি গৈ চাই আহিব পাৰে। খোজ কাঢ়ি যাব লাগিব কাৰণ মই গাড়ীত নাযাওঁ চিটিকি পৰিব লাগিব। আৰু এই ষ্টেচনত বাচৰ পৰা নামিলেও একো সুবিধা পোৱা নাযায়। ইয়াত পৰটাৰ নাই, ৰিক্সা আদিও পোৱা নাযায়। কৰবাৰ পৰা আহিলে বোন্ডাপৰ দি বহি থাকিব লাগে। বহি থাকিবলৈকো উপাই নাই ইয়াত যি কেইখন চকী আছে তাত বহিব নোৱাৰি। কোনোখন চকিৰ হেণ্ডেল নাই, কোনোখন চকিৰ ঠেং নাই বহিলেই তললৈ সৰি পৰিব লাগে। আৰু টিকটৰ অৱস্থাও তথৈবচ। কৰবালৈ যাব-লগীয়া হলে আমি ফোন কৰি টিকট ৰাখিব লাগে। কেতিয়াবা আকৌ ফোনটোও বেয়া হৈ থাকে আৰু তাৰ কাৰণেই কানেৰে নুশুনে। ফোন কৰি টিকট ৰাখিছে বুলি ওলাই আহিলে দেখা পাও যে টিকট ৰখা নাই। শুধিলে কয় যে আপোনালোকে ফোন কৰি কিয় আগতেই নকলে এতিয়া টিকট নাই। কিন্তু ফোনত কওতে যে নুশুনিলে সেই কথা কবই নোৱাৰে। গতিকে ৰাজধানীৰ ষ্টেচনটো ভাল কৰিব লাগে। এতিয়াই এই বিলাক ভাল কৰি লওক। কাৰণ আপোনালোকৰ আৰু বেচি দিন নাই। যি কেইদিন পাইছে সেই কেইদিনৰ ভিতৰতে এই বিলাক কাম কৰি লওঁক। পিচত জনতা পাৰ্টি আহিলে আপোনালোকে কলেও দিব নোৱাৰিব গতিকে এতিয়াই যিমান বিলাক বিল আপোনা-লোকৰ আছে সেই বিলাক ততাতৈয়াকৈ পাচ কৰাই লওক আৰু সেই মতেই কাম কৰক।

যোৱা ১ এপ্ৰিলৰ পৰা নগাওঁ জুৰাগাও লাইনত বাচ দিছে। সিদিনা অলপতে মই যাওতে দেখিছিলো যে ৰাস্তাৰ দলংখন

বেয়া হৈ থকাৰ কাৰণে বাচ যাব নোৱাৰি আটকি আছে। দলংখন ভাঙি যোৱাৰ বহুত দিন হল কিন্তু আজিলৈকে ভাল কৰা নাই। মই কবলৈ হলে বাচ বিলাক চলোৱাৰ আগতেই ৰাস্তা বিলাক, দলং বিলাক ভাল কৰি লব লাগে। তাকে নকৰি বেয়া ৰাস্তাৰে বাচ বিলাক চলোৱাৰ কাৰণে আমাৰ লাখ লাখ টকাৰ বাচ বিলাক নষ্ট হৈ যাব লাগিছে। আৰু দলং বিলাক ভাল নকৰাৰ কাৰণে মানুহ বিলাক বাটতে আটকি থাকিব লগীয়া হয়। এই ৰাস্তাটোত যাত্ৰীৰ ভীৰ বৰ বেচি আৰু চৰকাৰেও তাৰ পৰা বহুত ৰাজহ আদায় কৰিব পাৰিব। সেই কাৰণে ৰাস্তাটো আৰু দলংখন ভাল কৰি আধা ঘণ্টাৰ মূৰে মূৰে বাছ চলোৱাৰ ব্যৱস্থা কৰিব লাগে। এই ৰাস্তাটো ভাল নোহোৱাকৈ বাচ চলোৱাৰ ব্যৱস্থা কৰাত প্ৰথমতে আমি আপত্তি কৰিছিলো। তাৰ পিচত কৰবাৰ পৰা প্ৰেচাৰ পায় হবলা বাচ চলাবলৈ ধৰিলে। আৰু এটা কথা আমি দেখিছো যে প্ৰথমতে যি বিলাক বাচ দিয়ে সেই বিলাক নতুন নতুন বাচ দিয়ে কিন্তু ৬।৭ দিন মান চলাৰ পিচত কৰবাৰ পৰা ভঙা চিঙা বাচ কিছুমান আনি দিয়ে। যি বিলাক ৰাস্তাত টঙনিয়াই টঙনিয়াই চলাব লাগে।

নগাৱৰ পৰা ডিফুলৈ যিটো ৰাস্তা গৈছে তাত এটা ভাল ব্যৱস্থা দেখা পাইছো যে তাত যিমান মানুহে ইচ্ছা কৰে সিমান মানুহ উঠিব পাৰে। কেতিয়াবা কেতিয়াবা ১০০। ১৫০ জনমানকৈ মানুহ যায়। সেই বাচত মন্ত্ৰী এম এল এ যাব নোৱাৰে। মন্ত্ৰী যদি এদিন সেই গাড়ীত উঠে তেন্তে ৰাতি গাৰ বিষত উঠিবই নোৱাৰা হব আৰু জালক চাহ খাব লাগিব। সেই বিলাক চাবলৈ যদি মেনেজাৰ, এচিচটেন্ট মেনেজাৰ যায় তেনেহলে সেই সকলক চিনি পায় কাৰণে তেওঁলোক সৰ্তক হৈ থাকে। কিন্তু মন্ত্ৰীক চিনি নাপায় কাৰণে কেতিয়াবা যদি ভাল কাপোৰ পিন্ধি মূৰত পাগুৰি মাৰি যায় তেতিয়াহলে বুজি পাব যে তাত

কেনেকুৱা ব্যৱস্থা চলিছে । গতিকে ৰাস্তা বিলাক ভাল কৰিব লাগে আৰু দলং বিলাক ভাল কৰিব লাগে । মই এই খিনিকে কৈ সামৰণী মাৰিব বিচাৰিছো । শেষত ইয়াকে কওঁ যে আপোনালোকে যি বিলাক বিল আনিছে সেই বিলাক ভালৰ কাৰণেই আনিছে বেয়াৰ কাৰণে অনা নাই । ইয়াৰ শব্দ আখৰ সকলো ভাল । কিন্তু কাৰ্য্যকৰীহে একেবাৰেই নহয় । তথাপি আইন আনিছে যেতিয়া কাম দেখাৰ পিচত ভাল বেয়া বুলি মত প্ৰকাশ কৰিবলৈ ৰিজাৰ্ভ ৰাখি আজিলৈ সামৰিলো ।

শ্ৰীৰামচন্দ্ৰ শৰ্ম্মা : উপাধ্যক্ষ মহোদয়, টিকট নোহোৱাকৈ যাতে যাব নোৱাৰে তাৰ কাৰণে এই বিল অনা হৈছে । বিনা টিকেটে ফুৰিব পৰা বিল কি আছিল নাজানো । কথাটোত বেয়া পোৱা নাই কিন্তু টিকট বিহীন যাত্ৰীৰ ওপৰত ব্যৱস্থা লোৱাৰ আগতে বাছৰ কথাখিনিও আমি চাব লাগিব । আমাৰ পৰিবহন বিভাগৰ বাছ বিলাকত কনডাক্টৰজনে কেতিয়াবা নিজেই বাছত উঠিব নোৱাৰা হয় কাৰণ যাত্ৰীৰ ইমান ভীৰ হয় যে ঠেলি ঠেলি নি তেওঁক এটা চুকত পেলাই । আৰু যাব য'তে ইচ্ছা তাতে নামি যায় । বহুত সময়ত আপুনি নিজৰ কান্ধৰ ছাটি বিছাৰি নাপায় আৰু বাচৰ যাত্ৰীৰ কোবত এপাত চেন্ডেল বাচৰ ভিতৰতে এৰি আহিবলগীয়া হয় । ষ্টেচন বিলাকৰ অৱস্থা অতিকৈ বেয়া, বাচৰ অৱস্থা বেয়া । বাচখন অলপ দূৰ যোৱাৰ পাচতে বন্ধ হৈ যায় তাৰ পিচত ড্ৰাইভাৰে কয় যে অনুগ্ৰহকৰি অলপ ঠেলি দিয়ক । এই ঠেলি দিয়া ব্যৱস্থাৰ কাৰণেই ঢেকিয়াজুলিৰ ওচৰত এটা ষ্টেচনৰ নামেই ঠেলামৰা হ'লগে । বাচ বিলাকত ইমান মানুহ হয় যে 'আপুনি খজুৱতি উঠিলে নিজৰ গাত খজুৱাবলৈ নিজৰ গা বিছাৰি নাপায়' । গতিকে আপুনি কাৰ গা খজুৱাইছে কব নোৱাৰে । আমাৰ বাচ বিলাকত লিখা থাকে যে ধূমপান দন্ডনীয় কিন্তু আপুনি ঘূৰিচাই দেখিব ড্ৰাইভাৰে নিজে ছিগাৰেট খাই আছে ।

এখন বাচত দেখিলো তাত দাড়ি কমা নোহোৱাকৈ লিখা আছে। 'দেশ প্রগতিৰ পথত খানাপাৰাৰ পৰা গুৱাহাটীলৈ" তাৰ পিচত আপুনি আৰু আচৰিত হব বাছৰ ভিতৰত যিটো ফাৰ্ষ্ট এইড বক্স আছে সেইটোত আপুনি ঔষধ পাতি নাপাই। সেইটো খুলি চালে দেখিব কিছুমান ফটা কাগজ আৰু ভাং আৰু ভাঙৰ চিলিম। ( সদনত হাঁহিৰ ৰোল উঠে। ) এই কথাটো কাগজতো প্ৰকাশিত হৈছে।

এই যে বাছবিলাকত দেশ প্রগতিৰ পথত বুলি লিখা থাকে এই বিলাকৰ অৰ্থ কেইজনে জানে? সিদিনাখন আমি অৰুনাচললৈ গৈছিলো। লগত আমাৰ মাননীয় সদস্য শ্ৰীবিজয় সন্দিকৈও আছিল। তাত দেখিলো এখন চাইন বোৰ্ডত ইংৰাজী ভাষাত ২০ দফীয়া আঁচনিৰ কথা লিখা আছে। ওচৰতে কেইজন মান দফলা মানুহ আছিল। আমি তেওঁলোকক সুধিলো, বুজি পাইছেনে—"হা বাবু কেলেই না পাইছে, আমাৰ ডাঙৰ মাইকীয়ে ২০ টা ভাল কথা কৈছে আউৰ তাৰ বেটা ভি ৫ টা ভাল কথা কৈছে তাকেইটো লিখিছে।" এইয়ে হ'ল আমাৰ কুৰিদফীয়া আঁচনিৰ নিদৰ্শন। তাৰ পিচত এখন যে মেইল চলে সপ্তাহত পাচ দিনেই বন্ধ থাকে দেওবাৰৰটো কথাই নাই। তেওঁলোকক ইমান দিন কেজুয়েল লিভ কোনে দিয়ে? উপাধ্যক্ষ মহোদয়, আমাৰ যিবিলাক চৰকাৰী বাছ সেই বাছবিলাকত ডাঙৰ ছাটি অনাৰ অৱশ্যে উপায় নাই, কিন্তু সৰু ছাটি এটা লগত লাগিবই বৰষুণৰ পৰা আপোনাক বচাবলৈ। গতিকে মই ভাবো এইবিলাকৰ উন্নতি কৰিব লাগে আৰু বাছৰ সংখ্যা বঢ়াব লাগে। তেতিয়া হলে টিকেট বিহীন যাত্ৰীৰ সংখ্যা কমিব কাৰণ কনডাক্টৰে সুস্থিৰ মতে কাম কৰিব পাৰিব তাৰ পিচত বাছৰ সময়তো ইমান আচৰিত কেইটা বজাত বাছ যাব কোনেও কব নোৱাৰে। আপুনি যদি ষ্টেচন মাষ্টাৰক গৈ সোধে "হেৰি, ৪ বজাৰ বাছ কেতিয়া যাব।" তপৰাই উত্তৰ দিব

গাড়ী গেৰেজত গৈছে, ঘুৰি আহিলেই যাব; সময়ৰ কথা হলে কোনেও কব নোৱাৰে। তাৰ পিচত গাড়ীখন যদি ৰাস্তাত বেয়া হয় আমাৰ ড্ৰাইভাৰে খুলামেলা কৰিব নোৱাৰে কাৰণ তেওঁৰ ক্ষমতা নাই। অন্ততঃ ড্ৰাইভাৰবিলাকে কিছু ট্ৰেইনিং পোৱাৰ ব্যৱস্থা কৰিব পাৰে। তাৰ পিচত পৃথিবীত যদি আটাইতকৈ গোন্ধ থকা ঠাই এডোখৰ আছে তেতিয়াহলে আপুনি নিসন্দেহে কব পাৰে সেইটো আমাৰ ট্ৰেন্সপোৰ্ট ষ্টেচন। চাফচিকুনতাৰ লেশ মানো নাই। বৰষুণ দিলে আপুনি গাড়ীৰ ভিতৰতে থাকিব লাগিব। কাৰণ নামিব নোৱাৰে। কাৰণ বোকাত নামিব কেনেকৈ? অলপ টকা পইচা খৰচ কৰি হলেও এই ষ্টেচনবিলাক ভাল কৰাৰ ব্যৱস্থা কৰিব নোৱাৰিলে। আইন বহুত আহিব আৰু পাচো হব কিন্তু এই অসুবিধা বিলাকৰ কেতিয়া নিৰাকৰণ হব মন্ত্ৰী মহোদয়ে জনাব নে? ষ্টেচনবিলাকত কিছু মানুহ বৈ থাকিব পৰা ব্যৱস্থা কৰিব লাগে। অকল ভাড়া বঢ়ালেই মই ভাবো পৰিবহন ব্যৱস্থাৰ উন্নতি নহয়। গতিকে মই অনুৰোধ কৰিছো যাতে মন্ত্ৰী মহোদয়ে অন্ততঃ এই অসুবিধাবিলাকৰ কিছু হলেও ব্যৱস্থা কৰে আৰু এই বিভাগৰ পৰা পাবলগা নিম্নতম সুবিধাখিনি পায়। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়া, তালকদাৰ ডাঙৰীয়া আৰু শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই আৰু কেইবাগৰাকীও মাননীয় সদস্যই এই বিলৰ আলোচনাত অংশগ্ৰহণ কৰি ভালেমান পৰামৰ্শ আগবঢ়াইছে আৰু তাৰ কাৰণে মই তেখেত সকলৰ শলাগ লৈছো কাৰণ বিলখনৰ কোনেও বিৰোধিতা কৰা নাই। তেখেত সকলে যিখিনি পৰামৰ্শ আগবঢ়াইছে সেইবিলাকৰ কাৰণে ভাল পাইছো আৰু যিমান পৰাযায় সেইখিনি কামত খটাবলৈ চেষ্টা কৰিম। কেইটামান

আঙুলিয়াই কব খুজিছো তেখেত সকলে উল্লেখ কৰিছে নকলেও নহয়। শ্ৰীবৰা ডাঙৰীয়াই বজাৰ বাছৰ কথা উল্লেখ কৰিছে-বজাৰ বাছৰ সমস্যাটো বহুতদিনৰ পৰা চলি আছে এই সমস্যাটোৰ সমাধান কৰিবলৈ চেষ্টা কৰি আছো। ইতিমধ্যে বজাৰ বাচৰ পাৰ্মিট দিয়া আজি ২ বছৰমানৰ পৰা বন্ধ কৰা হৈছে-সম্পূৰ্ণ-ৰূপে। মাননীয় সদস্য সকলে কৈছে যে ৰাষ্টাবিলাক ৰাষ্ট্ৰীয়-কৰণ কৰা নাই কিন্তু ইতিমধ্যে বহুতো ৰাষ্টা ৰাষ্ট্ৰীয়কৰণ কৰা হ'ল। গোটেই অসমৰ ভিতৰত ১৯৭২-৭৩ চনত ২ হাজাৰ ৯ শ ১৯ কিলোমিটাৰ ৰাষ্ট্ৰীয়কৰণ কৰা হৈছে। আজি তিনি হেজাৰ পাছশ চাৰি কিলোমিটাৰ ৰাস্তা ৰাষ্ট্ৰীয়কৃত কৰা হৈছে। এইক্ষেত্ৰত কিছুমান অসুবিধা আছে। সোনকালেই সেই বিলাক আমি কৰিব নোৱাৰিম। জৰীপ কৰিব লাগিব। কৰ্প ৰেচনৰ মানুহৰ যোগেদি সেইবিলাক চাবলাগিব। গড়কাপ্তানী বিভাগৰ ফালৰ পৰাও চাবলাগিব। গোলাঘাট মহকুমাত যি বিলাক কথা কৈছে সেইবিলাক আমি আতৰ কৰিবলৈ চেষ্টা কৰিম। গোলাঘাট মেৰাপানীৰ ৰাস্তাটোৰ কথাটো মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই বহুত দিনৰে পৰাই কৈ আছে। এই বিষয়ে যাৱতীয় জৰীপ আদি কৰি আছে। তাৰ ৰিপৰ্ট পালেই আমি চাম। তাৰোপৰি, তেখেতেও জানে যে, তেখেতৰ লগত এইবিষয়ে আলোচনা আদি কৰাই হৈছে। তাৰোপৰি, এটা অভিযোগ আহিছে যে, কেছ বিলাক কৰ্টত বিচাৰ নহয়গৈ। এই কথাটো নহয় আৰু কৰ্টত তেনেকুৱা কেছ হৈছে আৰু বহুতো ক্ষেত্ৰত জেল জৰিমনা আদিও হৈছে। পাৰ্মিট দিয়াৰ ক্ষেত্ৰত যি অভিযোগ আহিছে তাৰ পৰি-প্ৰেক্ষিতত মই কওঁ যে, এখন বৰ্ডে এইটো কৰে। মই আশা ৰাখিছোঁ, বৰ্ডে সকলোবিলাক চাই চিন্তিহে কৰে।

শ্ৰীসোনেশ্বৰ বৰা : বৰ্ডটো গণ্ডগোল থাকে।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) ঃ তাৰ পিছত যোৰহাটৰ যি এটা কথা কোৱা হৈছি সেইটো 'চাব্‌জুডিচ' হৈ থকাৰ কাৰণে গোটেই কথাবিলাক বিতং কোৱাটান হব আৰু ইতিমধ্যেই কেইজনমান বিষয়া চাছপেন্স হৈও আছে ।

মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন ডাঙৰীয়াই কনডাক্টৰৰ নিযুক্তিৰ ক্ষেত্ৰত খেলিমেলিৰ যিটো কথা কৈছে সেইটোৰ লগত মই একমত হব নোৱাৰিলোঁ। পৰীক্ষাত অকৃতকাৰ্য্য কিছুমান কেণ্ডিডেটে হয়তো তেনেকুৱা কিছুমান আপত্তি দৰ্শাব পাৰে ।

শ্ৰীজগদীশ চন্দ্ৰ দাস ঃ যিহেতুকে অভিযোগ উঠিছে গতিকে এখন নিৰপেক্ষ বৰ্ড তৈয়াৰ কৰিব লাগে আৰু এতিয়া থকা বৰ্ড খন ভাঙি পেলাব লাগে ।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) বৰ্ড ভঙা কথাটো নহয় । নিযুক্তি নোপোৱা বিলাকেহে আপত্তি কৰে বুলি মই ইতিমধ্যে কৈছোঁৱেই ।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ যিহেতুকে মাননীয় মন্ত্ৰী ডাঙৰীয়াই এই অভিযোগটো সচাঁ নহয় বুলি কৈছে গতিকে সেইটো অনুসন্ধান কৰিবৰ কাৰণে এই সদনৰে কেইজনমান মাননীয় সদস্যক লৈ এটা অনুসন্ধান কমিটি গঠন কৰি দিবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) ঃ এই বিলাক কথা আমি চাই আছোঁ ।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ অভিযোগবোৰ মিছা বুলি কৈছে । সচাঁনে মিছা সেইটো চাবৰ কাৰণে সদনৰ সদস্যৰে গঠিত এটা কমিটি তৈয়াৰ কৰি দিয়ক । মিছাঁ হলে সন্তুষ্ট হম আৰু সচাঁ হলে বিহিত ব্যৱস্থা ইয়াৰ কাৰণে জগৰীয়া সকলৰ হব লাগিব ।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) ঃ মই ইতিমধ্যেই কৈছোঁৱেই যে, এই উত্থাপন কৰা এই অভিযোগ বোৰৰ লগত মই একমত হব নোৱাৰিলোঁ। সঘনেই যন্ত্ৰপাতি বোৰ বেয়া হৈ গৰা আৰু বাছ বিলাক অচল হৈ পৰা কথাটোও মই মানি লব নোৱাৰিলোঁ। অৱশ্যে যন্ত্ৰপাতিৰ কথা যেতিয়া অলপ বেয়া হবই। নিযুক্তিৰ ক্ষেত্ৰত নীতি পৰিবৰ্ত্তন কৰি মহকুমা পৰ্য্যায়তে কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ কেতিয়াৰ পৰা কৰিছে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) ঃ সেইটো মই সঠিক কৈ কব নোৱাৰিলোঁ।

শ্ৰীজগদীশ চন্দ্ৰ দাস ঃ মহকুমা বিলাকত গৈ খবৰ কৰিলে কয় যে, ইয়াৰ পৰাই কৰে। এইযে এটা খেলি মেলি হৈ আছে গতিকে মন্ত্ৰী মহোদয়ে গোটেই কথাটো নিজৰ হাতলৈ আনিবনে ?

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ এইবোৰ কথা আমি বহুতো শুনি আছোঁ। ব্যক্তিগত ভাৱেও মাননীয় মন্ত্ৰী মহোদয়ৰ লগত আলোচনা বিলোচনা আদি হৈছে। আলোচনা কালত মন্ত্ৰী মহোদয়ে নীতি কৰাৰ কথা কয় কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে, কোনো নীতি নাই। কনডাক্টৰৰ নিয়োগৰ ক্ষেত্ৰত স্বেচ্ছাচাৰীতা চলিব ধৰিছে।

শ্ৰীজগদীশ চন্দ্ৰ দাস ঃ মন্ত্ৰী মহোদয়ে নিজৰ হাতলৈ আনিব লাগে।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) ঃ নিগমে সম্পূৰ্ণ নিযুক্তিৰ দায়িত্ব লয়।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী : মন্ত্ৰী মহোদয়ে কোৱা আৰু লিখা কথা 'ৰেজিয়নেল ডিছপেৰিটি' ৰ কথাটোও আজিলৈকে কোৱা নাই।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী ) ঃ এইটো সোনকালে কৰিব পৰা নহব। লাহে লাহে কৰিবৰ কাৰণে নিগমে মানি লৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ নিগমে মুঠেই মানি লোৱা নাই। কনডাক্টৰ নিযুক্তিৰ ক্ষেত্ৰত নিগমে ভয়াবহ দুৰ্নীতিৰ প্ৰশ্ৰয় দিছে। ব্যক্তিগত ভাৱে তেখেতে কথাটো চাব লাগিব।

শ্ৰীজগদীশ চন্দ্ৰ দাস ঃ মাননীয় সদস্য জনে কোৱা কথাটো এটা অনুসন্ধান কমিটিৰ দ্বাৰা অনুসন্ধান কৰিবৰ ব্যৱস্থা কৰি এই অধিবেশন চলি থকা অৱস্থাতে জনাবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) ঃ কমিটি নকৰিলেও কথাটো চাম বুলি মই মাননীয় সদস্য জনক কৈছোঁৱেই।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ বাজেট অধিবেশন চলি থকা সময় চোৱাৰ ভিতৰতে জনাব লাগিব।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) ঃ গোটেই অসমৰ পৰাই এইবোৰ খবৰ লব লাগিব গতিকে কিমান সময় লাগিব কব নোৱাৰিম। মাননীয় সদস্য শ্ৰীতালুকদাৰ ডাঙৰীয়াই যিবিলাক পৰামৰ্শ দিছে সেইবিলাক ভাল পৰামৰ্শই আৰু সেইবিলাক কাৰ্য্যত পৰিণত কৰিবলৈ যত্নৰ ত্ৰুটি নকৰো। বাইহাটা চাৰিআলিৰ ষ্টেচনটোও ভাল কৰিব লাগিব আৰু বাকী ৰাজ্যখনৰ যত যত এইবিলাক অতি দুখলগা অৱস্থাত আছে সেইবিলাক উন্নত কৰিবৰ কাৰণে ব্যৱস্থা কৰা হব। কিন্তু গোটেই বিলাক ঘৰ একেলগে কৰিব পৰা নেযাব। লাহে লাহে ফেভ মেনাৰত কৰিব লাগিব।

শ্ৰীজগদীশ চন্দ্ৰ দাস ঃ দিছপুৰ ষ্টেচনটোৰ ব্যৱস্থা কি কৰিব। তাত বহিবৰ কাৰণে ব্যৱস্থা অকণো নাই আৰু তাৰ অৱস্থা অতি শোচনীয়।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) ঃ দিচপুৰৰ কথাটো বেলেগ কাৰণ দিচপুৰত ষ্টেচন

তৈয়াৰ কৰিবলৈ চৰকাৰে মাটি দিব পৰা নাই। সেইকাৰণেই ইয়াত স্থায়ী ষ্টেচন পাতিব পৰা নাই। কিন্তু মাননীয় সদস্য সকলে যিবিলাক অসুবিধাৰ কথা ব্যাখ্যা কৰিলে সেইবিলাক নিগমে চাব বুলি মই আপোনালোকক আশ্বাস দিলো। শ্ৰীতালুকদাৰ ডাঙৰীয়াই নলবাৰীৰ যিটো কথা কলে, বিশেষকৈ যাত্ৰীৰ আৰু ষ্টেচনৰ অসুবিধাবোৰ সেইবিলাকৰ কাম নিজে হাতত লবলৈ নিগমে সিদ্ধান্ত কৰিছে।

শ্ৰীমাল চন্দ্ৰ পেগু ঃ অধ্যক্ষ মহোদয়, মিনিষ্টাৰে কৈছে যে নিগমে চাব। তেখেতে নিজে কিয় ৰেচ্পনচিবিলিটি নিগমৰ ওপৰতহে জাপি দি এৰাই যাব বিচাৰিছে? যদি নিগমকেই সকলো দায়িত্ব দিয়ে তেনেহলে ইয়ালৈ আহি নিগমে উত্তৰটো দিয়ক।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) ঃ নিগমো চৰকাৰৰেই নিগম গতিকে ইয়াত নিগমে চৰকাৰকে বুজাইছে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ অধ্যক্ষ মহোদয়, শ্ৰীপেগু ডাঙৰীয়াই ঠিকেই কৈছে যে মাননীয় মন্ত্ৰীদেৱে দায়িত্ব লবলৈ অনিচ্ছা কৰি এনেধৰণে উত্তৰ দিছে। সেইকাৰণে মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা স্পষ্ট উত্তৰ বিচাৰিছো যে তেখেতে যদি কৰিব নোৱাৰে নোৱাৰো বুলি কওক, কিন্তু এইদৰে নিগমক জাপি দি এৰাই যাবে বিচাৰিছে কিয়?

শ্ৰীজগদীশ চন্দ্ৰ দাস ঃ অধ্যক্ষ মহোদয়, যদি নিগম আৰু চৰকাৰ বেলেগ বস্তু বুলি ভাবে তেনেহলে নিগমটো ভাঙি দিবনে?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) ঃ মই আগতেই কৈছো নিগমো চৰকাৰৰেই।

এতিয়া যিবিলাক বাছৰ কথা উত্থাপন কৰিছে আৰু তাত যিবিলাক অসুবিধাৰ সৃষ্টি হৈছে সেই সকলোবিলাক দূৰ কৰা

হব আৰু মাননীয় সদস্য কেইজনমানে যিটো কথা উত্থাপন কৰিছে যে য'ত মন্ত্ৰী থাকে তাৰেই পৰাই কনডাক্টৰ বেচি নিযুক্তি দিছে এইটো কথা মই সম্পূৰ্ণ মানি লব নোৱাৰো।

শ্ৰীগিয়াচুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, সম্পূৰ্ণ মানি লোৱা নাই মানে আধা মানিছে নেকি ?

মাননীয় অধ্যক্ষ : সেই আধাটোও সম্পূৰ্ণ মানি নোলোৱাৰ ভিতৰতে আছে।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তাৰ পাছত তেখেতসকলে যি জন বিষয়াৰ ওপৰত অভিযোগ আনিছে সেইটো তদন্ত কৰি চাব লাগিব। গতিকে এই কেইটা কথা আপোনালোকক নিবেদন কৰিছো আৰু মই আশা ৰাখিছো যে তেখেতসকলে যিটো প্ৰস্তাৱ আনিছে সেইটো উঠায় যেন।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : অধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ অভিযোগ আছে, প্ৰাক্তন মন্ত্ৰী শ্ৰীতালুকদাৰৰ দিনতে ট্ৰান্সপৰ্ট এডভাইচৰী কমিটি গঠন কৰিছিল আৰু তাৰ প্ৰচিডিং পৰ্য্যন্ত আছিল আৰু তাত কিছুমান ৰিজাৰ্ভেত ৰাখিছিল সেইবিলাক মন্ত্ৰী মহোদয়ে মানি লৈছেনে নাই জনাবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : তেতিয়া যিটো কমিটি আছিল তাৰ ৰিপৰ্ট দাখিল কৰা নাই।

Mr. SPEAKER : I put the motion. The motion is that the Assam State Transport Corporation (Prevention of Unauthorised Travel) Bill, 1977 be taken into consideration.

(The Motion was passed)

Mr. SPEAKER : On item No: b, there is no amendment. So, I come to item No. c

Shri INDRESAWAR KHOUND (Minister) : Sir, I beg to move that the Assam State Transport Coporation (Prevention of Unauthorised Travel) Bill, 1977 be passed.

মাননীয় অধ্যক্ষ ঃ ইয়াত কোনোবাই আকৌ কবনেকি ?

* শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ হয়, মই অলপ কম।

অধ্যক্ষ মহোদয়, ইয়াৰ আগতে বিলখনৰ ওপৰত যথেষ্ট আলোচনা হৈ গৈছে। মই মাত্ৰ কেইটামান কথা মোৰ অভিজ্ঞতাৰ ফালৰ পৰা ডাঙি ধৰিব বিচাৰিছো। ইয়াত নিগমৰ কথা বিশেষ ধৰণে কোৱা হৈছে আৰু ইতিমধ্যে আলোচনাও কৰা হৈছে। কিন্তু আমি যিটো জানো যে নিগমৰ যিবিলাক কাৰ্য্য ক্ৰমনিকা বা যি ধৰণে এই নিগমে কাম কৰিব লাগিছিল সেইদৰে এতিয়ালৈকে কৰিব পৰা নাই। ডাঙৰ কথা হল ইয়াৰ অৰ্থাৎ নিগমৰ যি-বিলাক হিচাব-পত্ৰ সাধাৰণতে দিয়া হয়—সেইবিষয়ে আমাৰ সদনত আলোচনা হব লাগে আৰু সদনত অন্ততঃ নিগমৰ বছৰি হিচাবপত্ৰ ডাঙি ধৰিব লাগে। এই হিচাবপত্ৰ দাখিল নকৰা অকল এইটো নিগমৰেই নহয়, যিমানবিলাক নিগম অসম চৰকাৰৰ আছে সকলোৰে দাখিল নকৰা অভ্যাস হৈ গৈছে। মই এতিয়া এই নিগমৰ কথাকে কব লাগিব। এই নিগমটো কটাৰীৰে কুহিয়াৰ তলীত সোমোৱাই দিয়া কথাৰ দৰে হল। আজি যি নীতি সংবিধানে মানি আছে—সেই মতে চৰকাৰে যিবিলাক নিগম কৰা হয় সেইবিলাকৰ কৰ্ত্তব্য হল বছৰি হিচাবপত্ৰ চৰকাৰৰ

* Speech not corrected.

যোগেদি বিধান সভাত দাখিল কৰিব লাগে। কিন্তু আজিলৈ এই নিগমৰ ফালৰ পৰা দাখিল কৰা নাই। অকল এইটোৱেই নহয় বাকী বিলাক নিগমৰো সেয়ে কাম। এতিয়া অৱশ্যে এইটো নিগমকে কব লাগিব যে কোনো এটা হিচাবেই এতিয়ালৈকে দাখিল কৰা নাই। আগতেও এইদৰে আছিল যদিও বছৰি বছৰি দাখিল কৰাটো নিয়ম আৰু দাখিল কৰা উচিত।

১৯৭০ চনতেই এই নিগম তৈয়াৰ কৰা হৈছিল আৰু এই নিগমক যিটো দায়িত্ব দিয়া হৈছিল সেইটো এই নিগমে পালন কৰিব পৰা নাই আৰু তাত যিটো আশ্বাস দিছিল সেই আশ্বাস এতিয়ালৈকে পূৰণ কৰিব পৰা নাই। সেই আশ্বাস এতিয়ালৈকে কাৰ্য্যত পৰিণত কৰি দেখুৱাব পৰা নাই।

যেতিয়া মই নিজে হিচাব আদি কৰাৰ ক্ষেত্ৰত ঘূৰাচকা কৰিছিলো তেতিয়া দেখা গৈছিল যে উপাৰ্জনতকৈ সৰবৰাহৰ সংখ্যাত টকা দিনেই বেছি হয়। সদ্যহতে বেছি দেখা যায়, যোৰহাট, শিলচৰ, নগাওঁ তেজপুৰ যি ষ্টেচনেই নহওক প্ৰত্যেকতে বেছি দেখা গৈছিল। এতিয়া বিনা টিকটত উঠা এটা আইন কৰিছে—সেইটোত কওঁ যে মেনেজমেণ্টৰ ফালৰ পৰা যদি যি কোনো টকা-পইচাৰ হিচাব দিব পাৰে আৰু টিকট দিয়া চিষ্টেম যদি পৰিবৰ্ত্তন কৰিব নোৱাৰে, তেতিয়া হলে এই বিলখনে একো কাম কৰিব নোৱাৰে। কাৰণ আমি পৰীক্ষা কৰি চাইছো তাত ডবল টিকটৰ চিচ্‌টেম আছে অন্যান্য ষ্টেচনৰ পৰা গুৱাহাটীলৈ অহা যিটো 'চমাৰচিট' হিচাব সেইটো যদি তুলনা কৰি চোৱা হয় তেতিয়াই সকলোবিলাক দেখা যাব। আৰু দিনে দিনে প্ৰত্যেকেই এই নিগমৰ যোগেদি গোটেই ৰাজ্যখনৰ টকা অপচয় কৰিছে। গতিকে নিগমৰ কাৰণে আজি পেচেঞ্জাৰ বা ৰাইজক বদনাম দিয়াতো অন্যায় হৈছে। কিন্তু মই কৈছো যে যদি

প্ৰসাশন যন্ত্ৰ নিকা কৰিব নোৱাৰে তেতিয়াহলে এই বিলখনে কিবা ফলাফল দিব পাৰিব বুলি মই মানি নলওঁ। তাৰোপৰি, আগতে যিটো পৰিবেশত আছিল এতিয়া তাতোতকৈ বেছি খেলি-মেলিহে দেখা গৈছে। গতিকে টিকট কিনাৰ ক্ষেত্ৰত বা এডভানচ কৰাৰ ক্ষেত্ৰত নাইবা পইচা জমা ৰখাৰ ক্ষেত্ৰত যদি বিশেষ ব্যৱস্থা গ্ৰহণ নকৰে, তেতিয়াহলে এই নিগমে কোনো দিনেই সফলতা দিব নোৱাৰে।

আনহাতে আন এটা কথা মন্ত্ৰী মহোদয়ে লক্ষ্য কৰিছেনে নাই কব নোৱাৰো হয়তো নিগমে কৰিব বুলিয়েই কব, আমাৰ ইমানবিলাক গাড়ী লাখ লাখ কোটি কোটি টকাৰ গাড়ী প্ৰত্যেক বিলাক ওৱৰ্কচপত পৰি আছে, টায়াৰ আৰু বিভিন্ন সাজ-সৰঞ্জাম দম দম হৈ পৰি আছে কোনে কলৈ নিছে, কি কৰিছে তাৰ কোনো হিচাব নাই। আমি পৰামৰ্শ দিছিলো যে আৱশ্যক নোহোৱা গাড়ীবিলাক বিক্ৰী কৰক বা ৰিপেয়াৰ কৰি চিটি বাছ কৰক। কোনো কোনো সময়ত কৰা হল কিন্তু সম্পূৰ্ণভাৱে কৰা নহল। টায়াৰ আৰু অন্যান্য বস্তু বাহানি বিলাক কিনাৰ ক্ষেত্ৰত অনেক খেলি মেলি সৃষ্টি হৈ আছে। কৰপৰেচনৰ যিখন বৰ্ড আছে সেইখনে কাৰ নিৰ্দ্দেশত কাম কৰি আছে আমি নাজানো। কিন্তু আমি জানো যে ইয়াত যথেষ্ট বিষয়া নিয়োগ কৰা হৈছে। যোৰহাট, নগাওঁ, শিৱসাগৰ, ডিব্ৰুগড়, শিলচৰ আদি প্ৰত্যেক ঠাইতে এনফৰ্চমেন্ট অফিচাৰ নিয়োগ কৰি একোটা মোটা মোটা দৰমহা দি ৰখা হৈছে, তাৰ বিনিময়ত আমাৰ উপাৰ্জন কিমান হৈছে এইটোহে চাব লাগিব। "নো প্ৰফিট নো লষ্ট"ৰ নিচিনা কথা। কিন্তু আমাৰ গোটেই ৰাজ্যখনত যিমানখিনি বাছ চলাইছে সেই সকলোখিনি সদ্ব্যৱহাৰ কৰি চলালে যথেষ্ট পৰিমাণৰ লাভ আমাৰ নিগমৰ হব। এই অনুষ্ঠানটো নিগমৰ হাতলৈ

অহাতকৈ বৰং আগতেই ভাল আছিল। নিগমৰ হাতলৈ অহাৰ পিচত মেলা চিকাৰ হোৱা দি হৈছে। নিগমৰ হিচাপ পত্ৰ মন্ত্ৰীয়েও ডাঙি ধৰাৰ আশা নাই আৰু আমাৰ পক্ষৰ পৰাও কোনো খবৰ নাই। আমাৰ এই নিগমটো অসমতেই নহয় বোধকৰো ভাৰতৰ ভিতৰতে এটা বৃহৎ নিগম যিটোৰ যোগেদি যথেষ্ট পৰিমাণৰ ৰাইজৰ সেৱা কৰিব পাৰি আৰু অৰ্থও যথেষ্ট পৰিমাণে সংগ্ৰহ কৰিব পৰা হয়। কিন্তু এই নিগমটোৰ জড়িয়তে আমাৰ দুয়োফালেই একো নোহোৱা হৈ পৰিছে। আজি যোৰহাটলৈ যাওক, ডিব্ৰুগড়, তেজপুৰ, শিলচৰ, উলুবাৰী আদি প্ৰত্যেক ওৱৰ্কচপতে দেখা পাব বাছবোৰ মুখ মেলি মেলি পৰি আছে। অথচ এইবোৰ চাবলৈ যথেষ্ট পৰিমাণৰ মানুহ আৰু বিষয়া আছে।

গতিকে মই মন্ত্ৰী মহোদয়ক এটা পৰামৰ্শ দিব খুজিছো যে অতি সোনকালে এ, জি ৰ পৰাই হওক বা স্পেচিয়েল অফিচাৰ নিয়োগ কৰিয়েই হওক নিগমৰ হিচাব-পত্ৰবিলাক কৰাব লাগে। নিগমৰ কিমানবিলাক বাছ আনইউজ হৈ আছে আৰু সেইবিলাকৰ ভেলুৱেচন কিমান এইবোৰ হিচাব কৰিব লাগে। ইয়াৰ পিচত বস্তু-বাহানি কিনাৰ ক্ষেত্ৰত যথেষ্ট আপত্তি আছে। এই সম্পৰ্কীয় অনেক তথ্য-পাতি আমাৰ হাতত আছে এইবিলাক কথা আজি মই এই বিলৰ ওপৰত কব খোজা নাই। তথাপি নিগমৰ বস্তু-বাহানি বিলাক কেনেকৈ, ক'ৰপৰা আৰু কেনে কোৱালিটিৰ কিনা হয় আদি বিলাকত অনেক খেলি-মেলি আছে। বছৰৰ পিচত বছৰ ধৰি হৈ থকা এই খেলি-মেলিবোৰৰ কথা মন্ত্ৰী মহোদয়ে কব পাৰেনে নোৱাৰে কব নোৱাৰো। কিন্তু আমি কব পাৰো যে বস্তু-বাহানি কিনাৰ ক্ষেত্ৰত যিবোৰ নীতি-নিয়ম গ্ৰহণ কৰিব লাগে সেইবোৰৰ পৰা আঁতৰি গৈছে। সেই কাৰণে মই কব খোজো এই বিলখন সাধাৰণতে জনসাধাৰণৰ বাবেহে অনা হৈছে। কিন্তু ৰাইজক সন্দেহ কৰাতকৈ ৰাইজৰ যি সন্দেহ

হৈছে সেই সন্দেহ ভঞ্জন কৰাটো জানো উচিত নহব ? এই সন্দেহ ভঞ্জন কৰিবলৈ চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা লোৱা হৈছে ? মানুহে কৈ থাকে এই নিগমটোৰে টকা পইচা খাই একেবাৰে গোপাত-পাত কৰিছে। এইবোৰ একেবাৰে অসত্য নহয়। এই কেৰোণবোৰ গুচাবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা কৰিছে ? আন এটা কথা মই জানিব বিচাৰিছো যে এনফৰ্চমেণ্ট অফিচাৰৰ ওপৰত যি জেনেৰেল মেনেজাৰ আছে তেওঁলোকে কি কাম কৰে ? ইয়াতেই বহি থকা দেখা পাওঁ। কৰবাত কেতিয়াবা চাদেন চেক কৰি যি মেটেৰিয়েল ামি গোটাইছো সেইবোৰ এই সকলে দিয়া নাই। দিনে দিনে লাখ লাখ টকা আত্মসাৎ কৰিছে, কিন্তু দোষীক শাস্তি দিয়াৰ কোনো ব্যৱস্থা কৰা নাই। যোৰহাটৰ এনে এটা কেচ ধৰা হল, কিন্তু বহুত দিন গল তথাপি পুলিচলৈ নপঠালে। আমি ইয়াত অনেক হেচা-থেলা কৰাতহে কেচলৈ গল। গতিকে এইধৰণৰ খেলি মেলিবিলাক দূৰ কৰি এই নিগমটো পুনৰ গঠন কৰি কাৰ্য্যক্ষম কৰিব লাগে। ৰক্ষকেই ভক্ষক হোৱাৰ দৰে এই নিগমত কামবোৰ চলিছে।

বিনা টিকটে ভ্ৰমণ কৰাৰ সম্পৰ্কত মই কওঁ যে কোনো ৰাইজে কেতিয়াও বিনা পইচাই ভ্ৰমণ নকৰে। টিকট নাপাব পাৰে কিন্তু বিনা টকাৰে ভ্ৰমণ নকৰে। মই আমাৰ কেইবা-জনো মাননীয় সদস্যক সুধি চাইছো যে আপোনালোকে কৰবাত এনেকুৱা বিনা টকাৰে ভ্ৰমণ কৰা যাত্ৰী পাইছেনে ? অন্ততঃ ট্ৰেন্সপৰ্ট বাছত আমি এনে যাত্ৰী পোৱা নাই।

মাননীয় সদস্য সকলে কৰবাত কোনোবা যাত্ৰীয়ে পইচা নিদিয়াকৈ পৰিবহন বাচত যাত্ৰা কৰিছে বুলি কব পাৰেনে, বিশেষকৈ অসম প্ৰদেশত কোনো যাত্ৰীয়ে পইচা নিদিয়াকৈ বাচত অহা-যোৱা নকৰে, পইচা দিহে বাচত উঠে। গতিকে সেইবিলাকৰ

কাৰণেই নিগমৰ ওপৰত ইন্টিডেশ্যন নোহোৱা যেন ৰাইজে অনুভৱ কৰিছে। মই খুউব ভাল পালোহেতেন যদি এই নিগমৰ বিষয়ববীয়াসকলৰ ওপৰত বা কৰ্ম্মচাৰী সকলৰ ওপৰত আন এটা আইন আনিলেহেতেন অৰ্থাৎ এই বিলখনৰ বাহিৰেও যদি এই সংক্ৰান্তত আন এখন বিল অনা হলে আৰু ভাল হ'লহেতেন। আনহাতেদি নিগমৰ কৰ্ম্মচাৰী সকলৰ ভবিষ্যত সৰ্ম্পকে কোনো চিন্তা কৰা হোৱা নাই, তেওঁলোকৰ ভবিষ্যতৰ কাৰণে কোনো সুবিধা কৰা নাই। নিগমত কিছুমান ডাঙৰ ডাঙৰ ঢোল পিটি জনাইছে কিছুমান প্ৰকাণ্ড কেচ পৰি আছে, এতিয়াও কেইজনমান বিষয়াক পঙ্গু কৰি পেলাইছে। এই কেইজন বিষয়াৰ বিৰুদ্ধে নানান ধৰণৰ কেচ পৰি আছে, তেওঁলোকৰ কেচৰ সংক্ৰান্তত চি, বি, আইৰ এনকুৱাৰী হৈ যোৱাৰ পিচতো সেই মানুহ কেইজনৰ ভবিষ্যত সম্পৰ্কে চৰকাৰ নিমাত হৈ থাকিল। কাৰোবাক কিবা কাৰণত দোষী সাব্যস্ত কৰাৰ পিছত সেই বিষয়ে সকলো অনুসন্ধান অনতিপলমে কৰি তেওঁক দোষী বুলি প্ৰমাণিত হলে শাস্তি বিধান কৰিব লাগে, কিন্তু বছৰ বছৰ ধৰি এই কেচবিলাকৰ কোনো নিষ্পত্তি নোহোৱাত সেই মানুহ বিলাকৰ বিলাই-বিপত্তি নোহোৱা হৈছে, তেওঁলোকে কেলধেপ কেলধেপ কৰি জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। ফাঁচী কাঠত তুলি তেওঁলোকক চাই থকা হৈছে। গতিকে যদি এই লোকসকলক দোষী বুলি প্ৰমাণিত নহয় তেওঁলোকক নিজৰ প্ৰাপ্য দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আন হাতেদি নিগমৰ কৰ্ম্মচাৰী সকলক দুৰ্নীতিৰ পৰা মুক্ত কৰিবলৈ তেওঁলোকক মানুহ হিচাবে জীয়াই থাকিবলৈ সুযোগ সুবিধা যিখিনি দিব লাগে সেইখিনি দিয়া হোৱা নাই। তেওঁলোকৰ পে-স্কেল সম্পৰ্কত ভবিষ্যতে তেওঁলোকৰ চাকৰি-বাকৰীৰ নিৰাপত্তাৰ কাৰণে আজি ৮ বছৰেও কোনো ফাইনেলাইজ কৰা নহ'ল। তেওঁলোকৰ 'গ্ৰেডেশ্যন লিষ্ট নকৰাৰ কাৰণে তেওঁলোকৰ

প্ৰমোচন ইত্যাদিৰ বিষয়ে কোনো নিশ্চয়তা নাই। কৰবাত কৰবাত কোনো কোনো লোকক ইচ্ছানুসৰি প্ৰমোচন ইত্যাদি দিয়া হৈছে, এই সম্পৰ্কত ভৱিষ্যতে সুবিধা হলে ফেক্টচ এণ্ড ফিগাৰচ সদনত দিম। এনেবিলাক কাৰণতেই নিগমৰ কৰ্ম্মচাৰী সকলৰ মাজত অসন্তুষ্টিৰ ভাবে দেখা দিছে আৰু তেওঁলোকৰ কামৰ প্ৰতি যিখিনি ঐকান্তিকতা আৰু স্পৃহা আছিল সেই-খিনিয়ো নাইকীয়া হৈ গৈছে ফলত নিগমৰ কাম-কাজত নানা ধৰণৰ বেমেজালিয়ে দেখা দিছে। গতিকে চৰকাৰে অতি সোন-কালে এই নিগমৰ লগত আলোচনা বিলোচনা কৰি নিগমৰ হিচাব-নিকাচ আৰু আগৰ আৰু এতিয়াৰ সকলো এচেটচ এণ্ড লাইয়েবিলিটিজ থিক–থাক কৰি এই বিষয়ে এটা ফাইনেলাইজ কৰিব লাগে। মই ভাবো এই কাম কৰিবলৈ চৰকাৰৰ ৩ মাহতকৈ বেচি সময় নালাগিব। যদি আপোনাসকলে নকৰে তেতিয়াহলে আমাৰ ফালৰ পৰাই কৰিব লাগিব। কিন্তু পিছত আপোনালোকে নকব যে আপোনালোকৰ ওপৰত আমি কিছুমান কাম জাপি দিব বিচাৰিছো। ৰাইজৰ সুবিধা কৰিবলৈ গৈ সমূহ ৰাইজক তেওঁলোকৰ সুবিধাৰ পৰা বঞ্চিত কৰি এমখা মানুহক সকলোখিনি সুখ-সম্ভোগ ভোগ কৰিবলৈ আমি দিব নোৱাৰো। আমি চাব লাগে যাতে নিগমৰ কৰ্ম্মচাৰী সকলৰ স্বাৰ্থৰ কাৰণে আমি কাম কৰিব পাৰো লগে লগে ৰাইজৰ সুবিধা কণৰ প্ৰতিও আমি কেতিয়াও আওকান কৰিব নোৱাৰো। গতিকে দুয়ো পক্ষৰ পৰা সহায়-সহযোগ নহলে আমি নিগম কটকটীয়া কৰিব নোৱাৰিম। এইখিনিকে নহলে আমি অযথা বিধান সভাত প্ৰশ্ন তুলি আৰু কিছুমান উত্তৰ বিচাৰি লাভ নাই কিয়নো সকলো সময়তে কেৱল গা–এৰা দি ফুৰা দেখা যায়। প্ৰকৃততে যি উদ্দেশ্যৰে এই নিগম গঠন কৰা হৈছিল অৰ্থাৎ ৰাইজৰ সুবিধা আৰু নিগমৰ কৰ্ম্মচাৰী সকলৰ সুবিধাৰ কাৰণে

কিন্তু প্ৰকৃততে এই নিগমৰ পৰা আমাৰ ৰাইজ আৰু কৰ্ম্মচাৰী সকল উপকৃত হোৱা নাই। আমি আমাৰ দায়িত্ব ভালদৰে পালন কৰিলেহে ৰাইজৰ পৰা সহায়-সহযোগ পাম, কিন্তু তাকে নকৰি যদি আমি আমাৰ নৈতিকতাক বধো তেতিয়াহলে আমাৰ নিগম নিগমে মৰিব। 'ইন্দিয়ান এক্সপ্ৰেচত' এটা কাৰ্টোণ ওলাইছে তাত আমাৰ আগৰ ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী আৰু তেওঁৰ পুতেক সঞ্জয় গান্ধীয়ে ৰাইজৰ সেৱাতেই নিমগ্ন আৰু তেওঁলোক সেৱাতেই আছে কিন্তু আমি সেৱাৰ মনোবৃত্তিৰে আগবাঢ়িছো। আমাৰ আইন বিলাকে কেৱল দুখীয়া আৰু দূৰ্ব্বল শ্ৰেণীৰ লোক সকলকহে ঢুকি পাই কিন্তু আমাৰ যি সকল ওপৰৰ লোক, আমাৰ নেতা সকল সেই সকলক এই আইনে ঢুকী নাপায়। যোৱা ১৯ মাহে ভাবিছিলো আমাৰ পৰিবহন নিগমৰ বাচ বিলাক বিজুলী সঞ্চাৰে আগবাঢ়িব আৰু বাচ বিলাক চকচকীয়া হব আৰু চকা বিলাকো চকচকীয়া হব আৰু পতা-পত গাড়ী বিলাক চলিব কিন্তু আচৰিত হব লগীয়া কথা যে যোৰহাটত মোৰ ঘৰৰ ওচৰতে এটা মটৰ ষ্টেচন আছে তাত পৰিবহন নিগমৰ বাচ বিলাক মস্ত ৰাক্ষসৰ নিচিনাকৈ মুখ মেলি পৰি আছে আৰু তাতো লিখা আছে দেশ প্ৰগতিৰ পথত তাৰোপৰি, যিবিলাক টেক্সী চহৰত ঘূৰা-পকা কৰি আছে সেইবিলাকতো লিখা আছে 'দেশ প্ৰগতিৰ পথত' এতিয়া আমি এই দেশ প্ৰগতিৰ পথত কোনতো ধৰিম। 'দেশ প্ৰগতিৰ পথত' ৰূপ ধাৰী অধোগতিৰ ৰাক্ষসটো এই নিগমৰ ভিতৰত সোমাই পৰিছে। গতিকে এই নিগমটো কটকটীয়া কৰিবলৈ হলে এই সকলো বিলাক কথা বিবেচনা কৰি কামত আগবাঢ়িব লাগে। এই বিষয়ে আৰু দীঘলীয়া কৰি লাভ নাই কাৰণ সকলো কথাই ৰাইজে গম পাইছে, গতিকে এই নিগমটো নতুনকৈ সংস্কাৰ কৰিব লাগে আৰু নিগম সংস্কাৰ কৰাৰ আগতে চৰকাৰ আৰু নিগমৰ কৰ্ম্মকৰ্ত্তা সকলো নিজেই সংস্কাৰ হোৱাতো দৰকাৰ।

সেই সংস্কাৰ খিনি আনিবলৈ হলে মই ওপৰত উল্লেখ কৰা যিখিনি ব্যৱস্থা সেই খিনি কৰিব লাগিব। আৰু প্ৰকৃততে সেৰাৰ মনোবলেৰে যদি কাম খিনি কৰি যোৱা হয় তেতিয়াহলে এই নিগমৰো উপকাৰ হব আৰু দেশো প্ৰগতিৰ পথত আগবাঢ়ি যাব পাৰিব। গতিকে মই নিগমৰ সম্পূৰ্ণ বিৰোধিতা কৰো আৰু সেই কাৰণেই মই মন্ত্ৰী মহোদয়ৰ পৰা এই কথাখিনি জবাব বিচাৰিছো।

* শ্ৰীকেহোৰাম হাজৰিকা : মাননীয় অধ্যক্ষ মহোদয় এই বিল খনৰ ওপৰত মই কেইষাৰ মান কথা কব বিচাৰিছো। বিল খন ইতিমধ্যে আলোচনা হৈছে আৰু মাননীয় সদস্যসকলে পৰামৰ্শ আগবঢ়াইছে। টিকেট নোহোৱাকৈ ভ্ৰমণ কৰা যাত্ৰীক শাস্তি বিহিবৰ কাৰণেই এই বিল খন অনা হৈছে। আমাৰ ট্ৰেন্সপৰ্ট বিভাগে তথা ক'ৰপৰেচনৰ টিকেট নোহোৱাকৈ ভ্ৰমণ কৰাটো বাধা দিবৰ কাৰণেই ভ্ৰমণ অফিচাৰ নিয়োগ কৰিছে। বাচৰ কনডাক্টৰৰ বাহিৰেও লাইন ইন্সপেক্টৰ আছে। সেই সকলে মাজে মাজে গৈ চেক কৰে। ইয়াৰোপৰি, ক'ৰপৰেচনে এনফৰ্চমেন্ট চেকাৰ বুলি কৰ্ম্মচাৰী নিয়োগ কৰিছে। এখেতসকলেও বিভিন্ন সময়ত চেক কৰে। এনফৰ্চমেন্ট অফিচাৰ সকলেও যিকোনো সময়ত গৈ বাচত টিকেট নোহোৱা যাত্ৰী আছেনেকি সেইটো চেক কৰি চোৱাত অধিকাৰ আছে। ইমান বিলাক অফিচাৰ, কৰ্ম্মচাৰী থকা সত্বেও বাচত টিকেট নোহোৱা যাত্ৰী কেনেকৈ ঘূৰিবলৈ পায় সেইটো আচৰিত কথা। ইমানবিলাক অফিচাৰ কৰ্ম্মচাৰী নিয়োগ কৰাত ক'ৰপৰেচনৰ তৰফৰ পৰা যথেষ্ট অৰ্থ ব্যয় কৰা হৈছে যাতে টিকেট নোহোৱাকৈ কোনেও ভ্ৰমণ কৰিব নোৱাৰে। তথাপিও পেচেঞ্জাৰে টিকেট নোহোৱাকৈ কেনেকৈ ভ্ৰমণ কৰে সেইটো আচৰিত কথা। এই বিষয়ে মাননীয় সদস্য শ্ৰীদুলাল বৰুৱা ডাঙ-

* Speech not corrected.

ৰীয়াৰ লগত মইয়ো এক মত। আচলতে আমাৰ মানুহে কেতিয়াও টিকেট নোহোৱাকৈ বাচত উঠিবলৈ নিবিচাৰে। গতিকে আচল কথা হৈছে টিকেট নোহোৱাকৈ কোনে লৈ যায়? আৰু কিয় লৈ যায়? ৰাইজক বিনা টিকেটে ভ্ৰমণ কৰা বাবে বিলখনত পৰোক্ষভাবে দোষাৰোপ কৰা হৈছে। কিন্তু বিনা টিকেটে লৈ যায় কোনে? ৰাইজৰ হাতৰ পৰা পইচা আদায় কৰি লয়, কিন্তু টিকেট নিদিয়ে আৰু ৰাইজেও পইচা দিয়াৰ বেছি চিন্তা নকৰে। টিকেট দিয়া নিদিয়াটো কনডাক্টৰৰ ওপৰত নিৰ্ভৰ কৰে। এতিয়া কথা হৈছে যে ৰাইজে বিনা টিকেটে ভ্ৰমণ কৰা বাবে শাস্তি দিয়া ব্যৱস্থা কৰাটো। কিন্তু আচলতে যিসকলে বিনা টিকেটে যাত্ৰী লৈ যায় সেই সকলক জেইল বা ফাটেক দিয়াৰ ব্যৱস্থা কৰিব লাগে। কিন্তু সেই ব্যৱস্থা আমাৰ নাই। আমাৰ আছে মাত্ৰ বিনা টিকেটে যোৱা যাত্ৰী ৬ মাহ পৰ্য্যন্ত জেইল দিব লাগে। আচলতে বিলখন ওলোটাভাবে আহিব লাগিছিল। তেতিয়াহলে বিলখন গ্ৰহণ যোগ্য হলহেঁতেন? যিসকলে বিনা টিকেটত ৰাইজক লৈ যায় সেই সকলক শাস্তি দিয়াৰ কাৰণে এই বিল খন অনা হৈছে। সেইফালৰ পৰা প্ৰথমতে এই বিল খন গ্ৰহণ যোগ্য নহয়। দ্বিতীয়তে টিকেট নিদিয়াকৈ কিয় নিয়ে? এইটো এটা দুনীতি। এই দুনীতিৰ লোপ ক'ত? ইয়াৰ শিপা কত? ইয়াৰ শিপা উঘালিব নোৱাৰা পৰ্য্যন্ত দুনীতি চলি থাকিব। এই বিলাক ক'ৰপৰেচনৰ হাতলৈ অনাৰ আগতে মোৰ মনত থকাত এখন কমিটি গঠন হৈছিল যে ট্ৰেন্সপৰ্ট বিভাগত টকা বিলাক ড্ৰেইনেজ হৈ আছে। এই ড্ৰেইনেজ বন্ধ কৰাৰ বাবে হাউচৰ কেইজনমান মাননীয় সদস্য দি এখন এনকোৱাৰি কমিটি গঠন কৰা হৈছিল। আৰু সেই কমিটিয়ে এনকোৱাৰিও কৰিছিল। টকা কনডাক্টৰে খাইছে নে কোনে খাইছে? টকা আচলতে কনডাক্টৰেই খোৱা নাই আন বিলাকেও খাইছে। বাছ বন্দোবস্ত

কৰোতে থাইছে, বাছৰ পাৰ্টচ বিলাক চোৰাংভাবে বিক্ৰী কৰিছে। পুৰণা আধা পুৰণা পাৰ্টচ আনি লগাই দিছে। গতিকে বাচ বিলাক ঠিকমতে মেইনটেণ্ট নহয়।

চেন্দিংগেটৰ পৰা ওলাই এক ফাৰ্লং যোৱাৰ পিচতে বাছৰ ব্ৰেক ডাউন হয়। এইবিলাক কৰাপচন নহয় নে ? নিয়োগৰ ক্ষেত্ৰতো মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই কৈছে সন্তুষ্ট কৰিব পাৰিলেও আৰু হাত মুখ ধুৱাব পাৰিলেহে নিয়োগ হয়। নহলে নহয়। সেইকাৰণে মূল কথা হৈছে দুনীতিৰ যিটো শিপা সেই শিপা উঘালিবৰ কাৰণে এই আইনৰ কোনো ব্যৱস্থা নাই। গতিকে টিকেট বিহীন যাত্ৰীৰ কথা কোৱা হৈছে টিকেট যাত্ৰীক যে দিয়া নহয় তাৰ বাবে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা কৰিছে। আৰু দূনীতি দূৰ কৰিবৰ কাৰণে কি ব্যৱস্থা কৰিছে ? জনাব লাগে। ইয়াৰোপৰি, যাত্ৰীসকলৰ সুবিধা অসুবিধাৰ কথা বিবেচনা কৰা হোৱা নাই। বহুতো মাননীয় সদস্যই কৈছে কোনো কোনো বাছ ষ্টপেজত বৰষুণ হলে তাত ৰবলৈ চেড নাই। য'ত চেড আছে তাতো প্ৰসাৱ আৰু ময়লাৰ গোন্ধত বহিবলৈ সাধ্য নাই। মানুহ বহিব নোৱাৰে।

মাননীয় অধ্যক্ষ ঃ এই বিলাক কোৱা হৈছে।

* শ্ৰীকেহোৰাম হাজৰিকা ঃ এইবিলাক কথা ভালকৈ কোৱা হোৱা নাই। সেই কমিটিয়ে এনকোৱাৰি কৰি কি ৰিপৰ্ট দিছে আমি জানিব লাগে। আৰু সেইবিলাক কাৰ্যাকৰী হৈছেনে নাই সেইবিলাকো জানিব লাগে। তাৰ বাহিৰেও অধ্যক্ষ মহোদয় প্ৰাইভেট বাছৰ সম্পৰ্কত মই দুষাৰমান কবলৈ বিচাৰিছো। চৰকাৰৰ টেক্সৰ পৰা ৰেহাই পাবৰ কাৰণে এইবিলাক বাচটো টিকেট নোলোৱাকৈ যাত্ৰী লৈ

* Speech not corrected.

যোৱা হয়। ইয়াৰো এটা সুব্যৱস্থা হব লাগে। ব্যৱস্থা সদায় কৰো বুলি কয় কিন্তু ব্যৱস্থা কৰা হোৱা দেখা নাই। নেছনেলাইজ কৰা সময়ত যাতে অন্য বাছ চলিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে। চৰকাৰী আৰু অন্যান্য বাচৰ মাজত যি অৰিয়া-অৰি হয় সেই দূর্নীতি বন্ধ কৰিব লাগে। মই নগাৱৰ এটা কথা কৈ মোৰ বক্তব্য সামৰিব বিচাৰিছো। আমাৰ চৌধুৰী ডাঙৰীয়া টেন্সপর্ট মন্ত্রী হৈ থাকোতেই নগাৱৰ আশে পাশে থকা অঞ্চল বিলাকত ৰাইজৰ সুবিধাৰ বাবে চিটি বাছ দিয়া হৈছিল। কিন্তু শেষত দেখা গল সেই বাচ বিলাকো সময় মতে নোযোৱা হল। কেতিয়াবা এখন যায় কেতিয়াবা দুখন যায়। এইদৰে বেমেজালিৰ সৃষ্টি হল। পিচত দেখা গল এই চিটিবাচ বিলাক চুপাৰবন বাচলৈ ৰূপান্তৰ হল। নটিফিকেচন দিয়া হৈছিল কিন্তু বহুত ৰাইজে নেজানিলে। গতিকে এই সকলোবিলাক কথা সন্নিবিষ্ট কৰি নতুন বিলখন উত্থাপন কৰিব লাগে।

ডাঃ কোৰেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, এই বিলখনত টিকেট নোহোৱাকৈ যাত্ৰী অহা যোৱা কৰা আদি কথা উত্থাপন কৰি এই বিলখন ইয়াত উপস্থাপন কৰিছে। ইয়াৰ দ্বাৰা ইয়াকে কব বিচৰা হৈছে যে আমাৰ সমাজৰ লোকৰ নৈতিক চৰিত্ৰ ঠিক নহয়। কিয়নো টিকেট নোহোৱাকৈ যাত্ৰী অহা যোৱা কৰা মানে সেইটো নিতান্তই অন্যায় কথা। কিন্তু আমি জনাত কোনো লোকেই পইচা নোহোৱাকৈ বাছত নুঠে আৰু পইচা নিদিয়াকৈ কোনেও বাচত অহা যোৱা কৰা আমাৰ চকুত পৰা নাই। অথচ এই বিলখনত তাকে কবলৈ বিচৰা হৈছে। কিন্তু চৰকাৰৰ হাততো পইচা নিদিয়াকৈ বাচত মানুহ উঠি ফুৰা কোনো প্ৰমাণ বা উদাহৰণ নাই। কিন্তু তাৰ সলনি পইচা দিয়াৰ পিচতো টিকেট দিয়া নাই এনে দোষত বহুত কনডাক্টৰ বা অন্যান্য লোক দোষী সাব্যস্ত হৈ চাচ্‌পেণ্ড আদি হৈ থকা উদাহৰণ কৰ্পৰেচনৰ

হাতত আছে। ইয়াৰ দ্বাৰা এইটোয়েই প্ৰমাণিত হয় যে আচলতে মানুহে পইচা নিদিয়াকৈ বাচত নুঠে কিন্তু তাৰ সলনি পইচা দিয়াৰ পিচতো টিকট নিদিয়াকৈ সেই টকা কনডাক্টৰ বা আন লোকে আত্মসাৎ কৰাৰহে নজিব আছে। এনেকুৱা তথ্যপাতি চৰকাৰৰ হাতত আছে। আমাৰ দৰং জিলাৰ পুৱদুৰনীৰ পৰা হাৱাজান অঞ্চলটো অৱহেলিত হৈ আছে। তাত বাচ ঠিকমতে চলা নাই। যাত্ৰী কম বুলি কনডাক্টৰে বাচ বেছিকৈ দিয়াব নিদিয়ে অথচ বহুত যাত্ৰী উঠে আৰু সেই লাইনটো ভাল কাৰণেই কনডাক্টৰৰ মাজত হেতাওপৰা লাগে। আনকি কাজিয়া'ও হয়। মাৰপিট আদি হোৱাৰো উদাহৰণ আছে কনডাক্টৰৰ মাজত সেই লাইনটো লৈ। এনে উদাহৰণো আছে যে অফিচ এচিচ্‌টেণ্টে অফিচৰ কাম এৰি কনডাক্টৰ হবলৈ যায় সেই লাইনটোৰ কাৰণে। ভোমোৰাগুৰি তেজপুৰ লাইনটোতো যাত্ৰী বেছি হয় অথচ লাইনটোত, বাচ দিয়া হোৱা নাই পৰ্য্যাপ্ত পৰিমাণে। এখন ফেৰিৰ মানুহ এখন বাচত যাবলগীয়া হয় তাৰ ফলত কনডাক্টৰে বহুতকে টিকট নিদি সেই পইচা কৰপৰেচনক নিদিয়াকৈ থাকে। এনেকুৱা অভিযোগ বহুত শুনা যায়। তেজপুৰৰ পৰা গুৱাহাটীলৈ আৰু উত্তৰ লক্ষীমপুৰৰ পৰা গুৱাহাটীলৈ নৈশ বাছ চলাৰ কথা শুনিছিলো কিছু দিন হ'ল কিন্তু গুৱাহাটীৰ পৰা বিশ্বনাথলৈ যোৱা বাছখন এতিয়া কোনো কনডাক্টৰৰ পৰামৰ্শ মতেই বিশ্বনাথ চাৰিআলিলৈ চলাব দিহা কৰিছে। গুৱাহাটীৰ পৰা বিশ্বনাথ চাৰিআলিলৈ তেজপুৰ হৈ যোৱা বাছখন কাৰবাৰ মতে ৰঙাপাৰা হৈ চলিছে। ফলত বাছত যাত্ৰী কমি গৈছে আৰু কিছুদিনৰ পৰা বাছখন বন্ধ হব। মতিকে উক্ত বাছখন তেজপুৰ হৈ চলাৰ লাগে কিয়নো তেনে কৰিলে চেক আদি হোৱাৰ সম্ভাৱনা কম থাকে। কিন্তু গুৱাহাটীৰ পৰা তেজপুৰ যিকোনো উপায়েৰে যাব পৰা যায় কিন্তু লক্ষীমপুৰলৈ যোৱাৰ অসুবিধা মতিকে এই

লাইনটোত বাচৰ ব্যৱস্থা আগৰ দৰেই থাকিব লাগে। মই কবলৈ হলে আবকাৰী বিভাগ আৰু কৰপৰেচন এই দুয়োটা বিভাগৰ কৰ্ম্মীসকল ৰাইজক সেৱা কৰাৰ মনোভাবেৰে আগবাঢ়ি ওলাই আহিব লাগিব। দুয়োটা বিভাগকে মই ৰিজাইছো এই কাৰণেই যে দুয়োটা বিভাগৰ কৰ্ম্মীসকলৰ অৱস্থা একে। এই খিনিকে কৈ পইচা নিদি বাচত উঠাৰ সলনি পইচা দিয়াৰ পিচতো টিকট নিদিয়ে সেই টকা আন ঠাইলৈ যোৱা এই কথা সন্নিবিষ্ট কৰি এই বিলখন উত্থাপন কৰিবলৈ কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীজগদীশ চন্দ্ৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনত এই সংশোধনী সম্পৰ্কত কেইটামান কথা কব বিচাৰিছো। আমাৰ মাননীয় সদস্য শ্ৰীহাজৰিকা দেৱে আৰু শ্ৰীবৰা দেৱে যি কেইটা কথা কৈছে যে ৰাইজে পইচা দিয়ে আৰু পইচা দিয়েই বাচত উঠে। সেইটো সঁচা কথা কিন্তু মই তেখেতসকলৰ সকলো কথাৰ লগত একমত নহয়। নিগমৰ বাচ হৈছে ৰাইজৰ বাচ। ৰাইজে তাত উঠিলে পইচা দিব লাগিবই। কিয়নো পইচা নিদিলে বাচেও নিনিয়ে। ৰাইজেও পইচা নিদিয়াকৈ বাচত নুঠে সেইটোও ঠিক। কিন্তু পইচা দিলেই যে টিকট দিব লাগে অৰ্থাৎ যাত্ৰীয়ে টিকট লব লাগে সেইটো ৰাইজে জানিব লাগে। জনা উচিত। বাচত উঠি টকা দিলে যদি টিকট লোৱা নহয় তেতিয়াহলে সেই টকা চৰকাৰৰ ওচৰলৈ নাযায় আৰু আন ঠাইলৈ যাব পাৰে সেই কথা ৰাইজে জনা উচিত। তাৰ দ্বাৰা এই টকা আনক ভোগ কৰিবলৈ সুবিধাহে দিয়া হয়। ৰাইজে যদি বুজি পায় যে সেই টকাখিনি কোনো ব্যক্তিগত কনডাক্টৰ বা আন কোনো লোকক দিয়া হোৱা নাই। টকাখিনি চৰকাৰকহে দিয়া হৈছে তেতিয়াহলে সেই টকা আনে ভোগ কৰিব নোৱাৰিব। সুবিধাকে নাপাব।

কনডাক্টৰে টিকেট নিদিয়া বাবে যাত্ৰী টিকেটৰ বাবে ইনিচিয়েট কৰাৰ দৃষ্টান্ত আছে। সিদিনা মৰিগাঁৱলৈ যাওঁতে দেখিছো ভঙা পইচাৰ অভাবত কনডাক্টৰে যাত্ৰী জনক টিকেট দিয়া নাছিল। কিন্তু মানুহ জনে জোৰ জবৰদস্তি কৈ ধৰাত কনডাক্টৰে টিকেট দিবলৈ বাধ্য হৈছে। মানুহ জনে দাবী কৰিছে টিকেট দিবই লাগিব। গতিকে এই ধৰণে যদি যাত্ৰী সকলে দাবী কৰে তেন্তে কেনেকৈ পইচা যাব পাৰে। আমি অকল কনডাক্টৰক দোষী নেই নহব। ৰাইজো দোষনীয় হব লাগিব। জানি শুনি দুৰ্নীতি কৰিবলৈ ৰাইজে সুবিধা দিছে। ৰাইজে বুজিব লাগিব আমি টিকেট লব লাগিব নহলে আমাৰেই বিপদ হব। আজি বাছ বিলাকত ভঙা পইচাৰ অসুবিধাই দেখা দিছে। সেই কাৰণে যাতে ভঙা পইচাৰ অসুবিধাত পৰিব লগা নহয়, তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব। আজি এই বিল খনৰ জৰিয়তে ৰাজহুৱা পইচা ঠিক মতে চৰকাৰৰ হাতলৈ আহিব। কনডাক্টৰে ভুৱা দি পইচা খাব নোৱাৰে। দুই এগৰাকী মাননীয় সদস্যই কৈছে যে পইচা দিয়ে কিন্তু টিকেট নিদিয়ে। আচলতে ৰাইজে টিকেটৰ কাৰণে কনডাক্টৰক বাধ্য নকৰে। ৰাইজে যদি কয় অলপ কম পইচা লওক লক্ষ্যস্থানত নমাই দিব, তেতিয়া পইচা এনেই যাব। ৰাইজে যদি পইচা দি টিকেটৰ কাৰণে দাবী কৰে তেন্তে সেই পইচা খিনি চৰকাৰৰ হাতলৈ আহিব।

মই এই খিনিতে দুই এটা কথা চৰকাৰক কব বিচাৰিছো। আমি মহাৰাষ্ট্ৰলৈ গৈছিলো। গাঁৱলৈ যাওঁতে দেখিছো মানুহ বিলাক বাচ ষ্টেচনৰ নিৰ্দ্দিষ্ট ঠাইত ৰখি থাকে আৰু কনডাক্টৰে আহি ঠাইতে টিকেট দি যায়হি। বাচ ষ্টেচনত সকলো ৰকমৰ সুবিধা ৰাইজক দিছে। ধৰক ৰহাৰ মানুহ ৰহাৰ ঠাইত বহিছে, নগাঁৱলৈ যোৱা মানুহ নগাঁৱৰ চিটত বহিছে, বহা ঠাইতে টিকেট দি গৈছেহি। ঠিক সেই ধৰণে শৌচ প্ৰস্ৰাৱ আদি কৰাৰ ব্যৱস্থা কৰিছে।

সঁচাকৈ সেই বিলাক কাম প্ৰংশসনীয় । কিন্তু আমাৰ ইয়াত বাচ ষ্টেটচনৰ অৱস্থা সঁচাকৈ দুখ লগা । প্ৰেসাবৰ গোন্ধত জিৰণি কোঠাত বহিব নোৱাৰি । গতিকে আমাৰ বাইজকো বাচৰ লগতে বহা মেলা আদিৰ সুবিধা দিব লাগিব । নিগমৰ কাৰ্য্যত আমি সচাকৈ ভাল পাইছো । স্বাধীনতাৰ ৩০ বছৰৰ পিচত ভোৰবন্দাৰ নিচিনা পিচপৰা ঠাইলৈ পৰিবহন নিগমৰ বাচ এই মন্ত্ৰী গৰাকীৰ দিনত চলিছে । স্বাধীনতাৰ ৩০ বছৰৰ পিচত মৰিগাৱলৈ নিগমৰ বাচ চলিছে । নিগমৰ নিযুক্তিৰ ক্ষেত্ৰত স্বেচ্ছাচাৰীতা আছে । এই ক্ষেত্ৰত নিগমৰ কৰ্ম্মকৰ্ত্তা সকলক সকিয়াই দিব লাগে যাতে ভাল মতে সকলো বিলাক ব্যৱস্থা হয় । এই খিনিকে কৈ মই বিলখন সমৰ্থন কৰিলো ।

* শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যি খিনি পৰামৰ্শ দিছে সেই খিনি মই লিখি লৈছো । যি খিনি কথাৰ উত্থাপন কৰিছে মই সকলো বিলাকৰ জবাব এতিয়া দিব নোৱাৰো । মাননীয় সদস্য কেইগৰাকী মানে বিনা টিকেটে যাত্ৰী কিছু থাকে বুলি ধৰি লৈছে । আচলতে এই কথাটো সচা নহয় । যদি পইচা লৈ টিকেট নিদিয়ে তেন্তে তাত থকা কৰ্ম্মচাৰী জনক দোষী সাব্যস্ত কৰা হব । অৱশ্যে, কিছু ক্ষেত্ৰত বাচত টিকট নাথাকিলেও যাত্ৰী যাব বিচাৰে । তেনে ধৰণৰ কথা বিলাক নথকা নহয় । মানুহে নিজে ঠেলা হেচা কৰি বাচত উঠে । এই ক্ষেত্ৰত চেকাৰে বহু কেচ ধৰিছে আৰু কনডাক্টৰক বৰ্খাস্ত কৰা হৈছে । এই সকলোবিলাক কথা চিন্তা কৰি বিল খন অনা হৈছে । মাননীয় সদস্য সকলে কোৱা কথা খিনি নোট কৰি লৈছো আৰু তেখেত সকলক অনুৰোধ কৰিছো যাতে বিল খন সমৰ্থন কৰে ।

* Speech not corrected.

Mr. SPEAKER : The motion is that the "Assam State Transport Corporation ( Prevention of Unauthorised Travel ) Bill," 1977 be passed.

( The motion is passed. The Bill is passed )

## THE ASSAM CATTLE PRESERVATION ( AMENDMENT ) BILL, 1977

Dr. LUTFUR RAHMAN ( Minister ) : Sir, under rule 92 (c) of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly, I beg leave to withdraw the Assam Cattle Preservation ( Amendment ) Bill, 1977.

*Shri GAURISANKAR BHATTACHARYYA : Sir, on a Point of Order. This motion is not in order because the Minister has referred Rule 92 c). Rule 92 (c) says, that "the bill is to be replaced subsequently by another bill which includes all or any of its provisions in addition to other provisions". Now, he has not stated as to when he proposes to replace the Bill by another bill. He has not mentioned whether in the other bill he proposes to include all the provisions of the present bill-also whether he wants to add anything or substract any provisions from this bill. Simply mentioning the rule is not enough if the contents are not specified. As for example, one man

* Speech not corrected.

cannot be convicted simply saying that you are convicted and sentenced under Section 372 I. P. C. Section is allright. But what thing he stole, where and wherefrom—that statement of fact is necessary. And this Rule provides that. So, he is to specify that.

Dr. LUTFUR RAHMAN ( Minister ) : Sir, I have sought withdrawal of the Bill under provision of Rule 92 ( c). I have not mentioned Rule 92. Rule 92 (c) says "the Bill is to be replaced subsequently by another Bill which includes all or any of its provisions in addition to other provisions ".

Mr. SPEAKER : Can you give the Bill tomorrow ?

Shri GAURISANKAR BHATTACHARYYA : One thing, Sir. This Bill is the provision or the off-shoot of an Ordinance whose life is only six weeks after 22nd March, 1977. Therefore, mentioning of the time is essential.

Mr. SPEAKER : Minister may give the reasons in the House tomorrow. The item may be kept pending till tomorrow.

Dr. LUTFUR RAHMAN ( Minister ) : Tomorrow, it may not be possible.

* Shri SYED AHMED ALI ( Minister ) : Sir, may I say a few words ? Sir, quoting Rule 92 (c) the Mini-

* Speech not corrected.

ster in-charge of the Bill said that the Bill is be replaced subsequently by another Bill which includes all or any of its provisions and in addition he is going to add some more provisions. Therefore, it may not be possible on the part of the Minister in-charge to present it tomorrow. After all, he will have to check up the whole thing and discuss the matter. Sir, before a Bill is introduced it is processed in the Cabinet. If it involves financial implication then Finance Department views so also the concurrence of Appointment Deptt. is necessary. So, it will take some time atleast on the part of hon'ble Minister to get those new provisions incorporated.

MR. SPEAKER : Let the Minister say tomorrow what he proposes to do.

Shri SYED AHMED ALI ( Minister ) : Tomorrow, it may not be possible. If it is not presented within the specified time then the Ordinance will lapse, no doubt. But the legislative propriety will remain.

* Shri GAURISANKAR BHATTACHARYYA : Sir, the question is whether an Ordinance of this nature can die ? Because, this is not a State Subject, this is a Concurrent Subject. And this Ordinance had prior instruction of the President and, therefore, if anything is to be done with regard to this Ordinance a prior instruction

* Speech not corrected.

is necessary. Therefore, question of withdrawal cannot come. If any change is to be made, it should be done by a particular date. This shall have to be clarified. Otherwise, there will be a great attack on the Constitution, Art. 313 of the Constitution of India.

* Shri SYED AHMED ALI (Minister, Parliamentary Affaias) : If the Ordinance lapsed then we will come up with a fresh Bill. We can give the fresh Bill retrospective effect to cover the period if the ordinance is lapsed.

Mr. SPEAKER : Minister may come up with a Motion stating the reasons, if not tomorrow, then in the next opening day.

Shri SYED AHMED ALI (Minister) : In the next opening day of the Session, that is on 18th of this month, it will be done.

## THE ASSAM RECOVERY OF LOANS ( AMENDMENT ) BILL, 1977

Shri CHATRASING TERON (Minister) : Sir, I beg to move that the Assam Recovery of Loans (Amendment) Bill, 1977 be taken into consideration.

* Shri BADAN CHANDRA TALUKDAR : Sir, this

* Speech not corrected.

Bill seeks to amend some sections of the principal Act so also to include some banks under the provisions of that Act. The Act provides for the recovery of loans advanced by the bank, financial institution or the different banking companies, as arrear on land revenue. I do not want that the loan advanced by the different public institution should not be recovered. Loan must be repaid with due interest. But, Sir, there is some difficulty faced by the poor section of the people, specially the agriculturist, small poor artisans, etc. In some cases it has been found that when a loan is given for the agricultural purpose and for improving the method of agriculture, though the agriculturist has applied all precautions in the matter of improvement of agriculture, due to some unforseen causes, such as natural calamities, they could not improve their lot by utilising the loan money because his entire paddy field is destroyed by flood or by draught or by pest. And, in that cases they must be given reasonable time to repay the loan. If in some cases that reasonable time is not given and in that case if they are forced to repay the loan as arrear land revenue.

Mr. SPEAKER : The House stands adjourned till 10.00 a. m. tomorrow on 7.4.77.

## ADJOURNMENT

The House than rose at 5 P.M. and stood adjourned till 10 A. M. on Thursday the 7th April, 1977.

Dated Dispur
The 6th April, 1977

P. D. Barua
Secretary
Assam Legislative Assembly